H.C.D.G. COLLEGE LIBRARY
No. ... ... ......
Date.... .. .. ...

দ্বিতীয় আৰু তৃতীয় সংখ্যা।
১৯৭৫-৭৬-৭৭ খ্ৰীষ্টাব্দ।

# হেমচন্দ্ৰ দেৱ গোস্বামী



# কলেজ আলোচনী

সম্পাদনাত—
শ্ৰীউমা দিহিঙীয়া
শ্ৰীপ্ৰমোদ কোঁৱৰ
শ্ৰীমতী ৰুণু বড়া।

H.C.D.G. COLLEGE LIBRARY
No. ... ... ...
Date.... ... ...
Nitaipukhuri

# হেমচন্দ্ৰ দেৱ গোস্বামী কলেজ আলোচনী

শ্ৰদ্ধা আৰু শুভেচ্ছাৰে

.................................................................

_______________________________

*Magazine Secretary.*
H. C. D. G. COLLEGE.
P. O. Nitaipukhuri.

তত্বাৱধায়ক
অধ্যাপক দেবেশ্বৰ চাংমাই।
অধ্যাপিকা ভদ্ৰাৱতী গগৈ।

সম্পাদনাত
শ্ৰীউমা দিহিঙীয়া।
শ্ৰীপ্ৰমোদ কোৱঁৰ।
শ্ৰীমতী ৰুণু বড়া।

# আশীষ নির্মালি



ভাগৱত ভাস্কৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ, আউনী আটীয় সত্ৰাধিকাৰ গোস্বামী।

## শ্ৰীশ্ৰীগোবিন্দ

শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ গোস্বামী ১। পোঃ আঃ আউনীআটী সত্ৰ (মাজুলী)
২। জিৰণি বাহৰ পোঃ আঃ ধেকৰ গড়া (যোৰহাট)
৩। আউনীআটী সত্ৰ, উত্তৰ গুৱাহাটী গুৱাহাটী--৩০ (কামৰূপ)

নিতাই পুখুৰীৰ মহাবিদ্যালয়খনি সেই অঞ্চলৰ ৰাইজৰ ঐকান্তিক মহাচেষ্টা আৰু আকাংখ্যাৰ মহাফল। এই মহাবিদ্যালয়ে অতি অলপ দিনৰ ভিতৰতে আশাতিত ভাবেই সফলতা লভিছে। এই সফলতা মহামণা অধ্যক্ষ, অধ্যাপক, ছাত্ৰ-ছাত্ৰীৰ আৰু ৰাইজৰ ঐকান্তিক অধ্যৱসায়তে সুফল হৈছে।

সাহিত্য বিদ্যাভ্যাসৰ প্ৰধান অংশ। তেনে অভ্যাসৰ কাৰণেই শুদ্ধ সৎ সাহিত্যৰ আলোচনীৰ আৱশ্যক। সেই উদেশ্যে চলোৱা প্ৰচেষ্টা সফল হবলৈ পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা জনোৱা হ'ল।

ইতি--

শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ
শ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী।
২৭।৫।৯৯ শক।

## হেমচন্দ্ৰ দেৱগোস্বামী কলেজ-আলোচনীৰ

প্ৰিয় সম্পাদকত্ৰয়,

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনিৰ দ্বিতীয় সংখ্যা অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি সুখী হৈছোঁ। এই সম্পৰ্কত তোমালোকৰ আন্তৰিক প্ৰচেষ্টাৰ নথৈ শলাগ লৈছোঁ, আৰু আলোচনীখনি সৰ্বাঙ্গ সুন্দৰ হব বুলি আশা ৰাখিছোঁ। আলোচনীখনিত দিবৰ বাবে মোৰ পৰা এটা message বিচাৰিছিলা; কিন্তু মই তাৰ সলনি এটা গীতকে আমাৰ ছাত্ৰ-ছাত্ৰীসকললৈ আগবঢ়ালো। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে মোৰ গীতটিৰ মাজত কোনো message জাতীয় কথা নাপালেও, মোৰ এটা স্পষ্ট বক্তব্য বিচাৰি পাব।

আলোক পথৰ যাত্ৰী অ'
তোৰ বাবেই আজি নতুন পৃথিবীৰ
দুৱাৰ মুকলি হ'ল।
ন সূৰুযৰ পোহৰ বিচাৰি
আগবাঢ়ি বাঢ়ি ব'ল।

* * * *

যুগৰে বিজ্ঞানে মহাকাল জিনিলে,
দূৰৈৰ গ্ৰহতে সৃষ্টি পাতিবলে'
নতুন মানুহৰ দুৰ্বাৰ সপোন সূৰ্যমুখী হ'ল
আন্ধাৰৰ কাৰাগাৰ ভাঙি দে, ভাঙি দে
পুৰণিৰ বন্ধন চিঙি দে, চিঙি দে
ন সূৰুযৰ পোহৰ বিচাৰি ওলাবৰে হ'ল।

* * * *

ধনৰ অহঙ্কাৰ শোষণৰ হাহাঁকাৰ
উচ্চ-তুচ্ছৰ মিছা বিচাৰ নাথাকিব য'ত,
মানুহে ৰাখিব মানুহৰ মান
মানুহে বুজিব মানুহ মহান
জীৱনৰ জীৱিকাৰ স্বত্ব সমান সকলোৰে য'ত,
সেইখন সমাজকে গঢ়িবলে', ২
শোষণৰ সমাধি ৰচিবলে' ২
ন সূৰুযৰ পোহৰতে আজি
শপত লবৰে হ'ল।

শ্ৰীচিত্ৰসেন ৰাজকুমাৰ,
অধ্যক্ষ, হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়।

# শোক তৰ্পণ

স্মৃতিৰ পটত চিৰ সেউজীয়া হৈ ৰোৱা ভূতপৰ্ব ভাৰতৰ ৰাষ্ট্ৰপতি, অসম আৰু ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ভূতপৰ্ব সদস্য, প্ৰবীন ৰাজনীতিবিদ, ভাৰতৰ স্বাধীনতা আন্দোলনৰ মুক্তি যুজাৰু, উদাৰ মানবতাবোধ, আৰু সততাৰ জীৱন্ত প্ৰতীক, বিখ্যাত আইনজ্ঞ, ক্ৰীড়ানুৰাগী, ভাৰতমাতৃৰ সু-সন্তান, ধৰ্ম নিৰপেক্ষতা আৰু গণতান্ত্ৰিক আদৰ্শৰ এক উজ্জ্বল প্ৰতিভূ, অসমীয়া সংস্কৃতিৰ গভীৰ অনুৰাগী ফখৰুদ্দিন আলি আহম্মদ,

ভাৰতৰ বিশিষ্ট ৰাজনীতিবিদ, আদৰ্শনিষ্ঠ সমাজবাদী নেতা, লোকসভাৰ সিংহ পুৰুষ, অসমীয়া জাতীয় জীৱনক গঢ় দিওঁতা, আধুনিক অসমীয়া সাহিত্য আৰু কাব্য জগতৰ দুৱাৰ মুকলি কৰোতা, শিক্ষাবিদ, সাংবাদিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সু-বক্তা, যাৰ উদাত্ত কণ্ঠৰ আহ্বানত এদিন লুইতৰ দুয়োপাৰে মৃত্যু বিজয়ী যৌবন উথলি উঠিছিল, সমাজবাদৰ আজীৱন নিৰ্ভীক যোদ্ধা, জীৱনদানী বিপ্লৱী হেম বৰুৱা,

মানৱ মনীষাৰ উজ্জ্বল দৃষ্টান্ত, ভাষা-সংস্কৃতিৰ সৌধ নিৰ্মাতা, বিশাল পাণ্ডিত্যৰে বিশ্ববিশ্ৰুত ভাষাতাত্ত্বিক, ভাৰতৰ ৰাষ্ট্ৰীয় অধ্যাপক, ৰাষ্ট্ৰীয় সাহিত্য একাডেমীৰ সভাপতি, প্ৰাচ্যবিদ ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়,

অসমৰ সুৰৰ সাধক, সু-কণ্ঠৰ গৰাকী তৰুণ শিল্পী, অভিনেতা, কথাছবিৰ সংগীত পৰিচালক জয়ন্ত হাজৰিকা,

এখেত সকলৰ বিয়োগত আমাৰ গভীৰ শোক প্ৰকাশ কৰিছোঁ।

সৰ্বশক্তিমানৰ ওচৰত প্ৰাৰ্থনা— তেখেতসকলৰ আত্মাৰ সদগতি হওক। তেখেতসকলৰ মহান আত্মাৰ সু-মহান শিকনিয়ে দেশবাসীৰ শিৰঁত ফুল চন্দন বৰষক, এয়ে কামনা।

# এইসংখ্যাত আছে


সম্পাদীয়

| | | | | |
|---|---|---|---|---|
| ১। | সংগ্ৰাম আৰু মাধুৰ্য | ( গল্প ) | সদা গগৈ | ১ |
| ২। | নাৰী আন্দোলনঃ এটি ব্যাখ্যা | ( প্ৰবন্ধ ) | বন্দনা বৰুৱা | ৫ |
| ৩। | এটি অনুৰোধ ঃ কমৰেডলৈ | ( কবিতা ) | পদ্মাৱতী কোঁৱৰ | ৮ |
| ৪। | সন্ধ্যা | ( কবিতা ) | দেৱযানী গগৈ | ৮ |
| ৫। | শংকৰদেৱৰ সাহিত্য ঃ এটি চমু সমীক্ষা | ( প্ৰবন্ধ ) | অমি বড়া | ৯ |
| ৬। | এটি ক্ষণ | ( কবিতা ) | কুন্তলা বৰুৱা | ১২ |
| ৭। | দিবা স্বপ্ন | ( গল্প ) | অধ্যাপক ৰেবকান্ত বড়া | ১৩ |
| ৮। | প্ৰত্যাৱৰ্তন | ( কবিতা ) | সৰ্বানন্দ বড়া | ১৯ |
| ৯। | প্ৰতিশ্ৰুতি | ( কবিতা ) | অনিমা গোহাঁই | ১৯ |
| ১০। | শিক্ষানুষ্ঠানত খেল-ধেমালিৰ আৱশ্যকতা | | ডিম্বেশ্বৰী গগৈ | ২০ |
| ১১। | কলঙ্কিনী | ( গল্প ) | ৰুণু বড়া | ২৪ |
| ১২। | কন্‌ফ্লিক্ট | ( গল্প ) | অনুপা খাখ্‌লাৰী | ৩১ |
| ১৩। | পৰিবৰ্ত্তন | ( কবিতা ) | জগত বৰুৱা | ৩৪ |
| ১৪। | মৌনবেদনা | ( গল্প ) | অঞ্জলীমা দত্ত | ৩৫ |
| ১৫। | শেৱালীৰ সুবাস | ( গল্প ) | অধ্যাপিকা ভদ্ৰাৱতী গগৈ | ৩৯ |
| ১৬। | শংকৰ দেৱৰ কীৰ্ত্তনৰ অমৃততত্ত্ব | ( প্ৰবন্ধ ) | প্ৰহ্লাদ কুমাৰ বৰুৱা | ৪৪ |
| ১৭। | এইখন পৃথিবীতে | ( কবিতা ) | খগেন্দ্ৰ কোঁৱৰ | ৪৯ |
| ১৮। | বাহীফুল | ( কবিতা ) | প্ৰীতিৰেখা দত্ত | ৪৯ |
| ১৯। | চিনাকি | ( গল্প ) | সূৰ্য গগৈ | ৫০ |
| ২০। | বনফুল | ( গল্প ) | জয়া বৰা | ৫৫ |
| ২১। | সম্পাদক সকলৰ প্ৰতিবেদন | | | ৫৯ |
| ২২। | অৰুণোদইৰ কবিতা | ( প্ৰবন্ধ ) | অধ্যাপক দেবেশ্বৰ চাংমাই | ৬৯ |
| ২৩। | এখন ছবি—শতাব্দীৰ | ( কবিতা ) | প্ৰমোদ কোঁৱৰ | ৭২ |

# সম্পাদকীয়

সম্পাদক হিচাবে কি লিখি সম্পাদকীয় খালি ঠাইখিনি পূর্ণ কৰিম সেই কথা ভাবিলে বহুত কথাই মনলৈ আহে— দেশৰ অভাৱ-অনাটন, ৰাজনীতিৰ বিশৃংখলতা, শিক্ষা জগতৰ খেলি-মেলি। মহাবিদ্যালয়ৰ আলোচনী এখনৰ সম্পাদকীয়ৰ ঠেক পৰিসৰত এই সকলোবিলাক পুংখানুপুংখভাৱে আলোচনা কৰিবলৈ যোৱাটো আকাশত চাং পতাৰ দৰেই বৃথা প্ৰচেষ্টা। তথাপি সমুখত ভাহি উঠা ভাৱ কিছুমান প্ৰকাশ কৰিবৰ চেষ্টা কৰিলো।

**দুৰ্নীতি আৰু আমি:** ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আজি উনত্ৰিশ বছৰ পাৰ হৈ গ'ল। পৰাধীনতাৰ লোহ শিকলীক চূৰ্ণ-বিচূৰ্ণ কৰি মহামানৱ মহাত্মাগান্ধী তথা ভাৰতৰ অন্যান্য স্বদেশপ্ৰেমী ভাৰতবাসীয়ে জনসাধাৰণৰ আত্ম-প্ৰতিষ্ঠাৰ বাট মুকলি কৰি থৈ গ'ল। স্বাধীনতা আন্দোলনৰ সংগ্ৰামীসকলক তথা দেশবাসীক অৰ্থ নৈতিক, সামাজিক, শিক্ষা আদি সকলো দিশতে আগবঢ়াই নিয়াটোৱেই ইয়াৰ একমাত্ৰ উদ্দেশ্য আছিল বুলি কলে অলপো বঢ়াই কোৱা নহব। এইখিনিতে প্ৰশ্ন হয় সম্প্ৰতি দেশখনে কিমানখিনি ফলৱৰ্তী হব পাৰিছে আৰু কিমান বাকী আছে? ই স্বাভাৱিক যে তৰ্জু'ৰ ওজন যিফালেই বেছি হয় সেইফালেই চকু পৰে। অৰ্থনীতিৰ ভূমিকা যে সকলোৰে ওপৰত সচাঁ কথা। জীৱন সংগ্ৰামৰ বিভিন্ন সমস্যাৰাজিয়ে জটিলতাৰ পৰা সৰলতালৈ ৰূপান্তৰিত হোৱাৰ ক্ষেত্ৰত অৰ্থনীতিৰ ভূমিকা কি? দেশৰ জনসংখ্যা দ্ৰুতগতিত বাঢ়ি অহাৰ বাটত অৰ্থনীতিয়ে কেনে পথ বাচি লব লাগে, আধুনিক কল-কাৰখানাৰ দ্ৰুত প্ৰসাৰতাত ইয়াৰ ভূমিকা কেনে হব লাগে এই সকলোবিলাক বুজো, ঠিক কথা। কিন্তু প্ৰকৃতাৰ্থত এই সমস্যাৰাজিৰ সমাধানৰ কিবা উপায় উদ্ভাৱন জানো আমি কৰিব পাৰিছো? সদ্যহতে এই প্ৰশ্নৰ উত্তৰত কব লাগিব আমি একো কৰিব পৰা নাই। যিহেতু কেৱল আক্ষৰিক জ্ঞানখিনি মগজুত টোপোলা বান্ধি হাতসাৰটি বহি থাকিলেই জানো আমি আমাৰ লক্ষ্যস্থানত উপনীত হব পাৰিম? পৰিলক্ষিত হয় দেশৰ নতুন চৰকাৰ গঠনৰ বেলিকা ৰাজনৈতিক দলবিলাকে 'আমি দেশৰ দুৰ্নীতি দূৰ কৰিম, দেশৰ উন্নতি কৰিম' বুলি হৈ চৈ লগাই ফুৰে। কিন্তু অৱশেষত যেতিয়া কোনো দলে চৰকাৰ গঠন কৰাৰ সুবিধা পায় তেতিয়া তেওঁলোকে আগেয়ে ব্যক্ত কৰা শ্লোগানবিলাক জানো আন্তৰিকতাৰে উপলব্ধি কৰে? দেখিবলৈ পোৱা গৈছে এতিয়াও প্ৰয়োজন অনুসাৰে সকলো বস্তুৰে

অভাৱ, এমুঠি আহাৰৰ বাবে নগৰে-চহৰে, গাৱেঁ-ভূঞে ঘূৰি ফুৰা মানুহৰূপী কিছুমান জন্তু, লাজ নিবাৰণৰ বাবে যি এডোখৰ বস্ত্ৰৰ প্ৰয়োজন তাৰো অভাৱ। এই সকলোবিলাকৰ বাবে দায়ী কোন? চৰকাৰ নে আমি নিজেই? ইয়াৰ বাবে দায়ী আমি নহয়, চৰকাৰো নহয়। দায়ী কেৱল বঘুমলা স্বৰূপ সেই চাম মানুহ, যি চামে পৰৰ কঠোৰ পৰিশ্ৰমৰ ওপৰত চৰিছে, যি ৰাজনীতিৰ ভুৱা মুখা পিন্ধি অজ্ঞলোকৰ আত্মা অপহৰণ কৰিছে, যি দুভৰ্গীয়া শ্ৰমিকৰ কঠোৰ পৰিশ্ৰমক হাতৰ টিলিকিত উৰাই দিছে, যিয়ে সমাজত সাম্যবাদৰ মুখাপিন্ধি আচলতে পুঁজিবাদৰ ৰচনা কৰিছে। দুখ লাগে মহাত্মাৰ ৰামৰাজ্যত আজি সেই পুৰণি ইউৰোপৰ পুঁজিপতিৰ নৱোদয়ৰ বাবে। শেষত এখন গণতান্ত্ৰিক দেশত সকলো শিক্ষিত যুৱক-যুৱতীয়ে পৰম পিতাৰ এক সন্তান হিচাবে আগ বাঢ়িবলৈ নিশ্চয় আমি লক্ষ্যত উপনীত হব পাৰিম বুলি দৃঢ় বিশ্বাস।

**ছাত্ৰ শক্তি ঃ** ছাত্ৰ শক্তি মহান শক্তি। সমাজক সমাজ হিচাবে, দেশক দেশ হিচাবে গঢ়ি তুলিব পৰা বৃহৎ শক্তি আছে ছাত্ৰ মাজত। মহান ছাত্ৰশক্তিৰ আলোকত সমাজৰ ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰতিটো বীজাণু আলোকিত হয়। বাৰিষাৰ প্ৰবল বানপানীয়ে পলস পেলাই শস্য-ক্ষেত্ৰ সাৰুৱা কৰাৰ দৰে ছাত্ৰশক্তিৰ মধুৰ আহ্বানেও মানৱৰ শুকান পথাৰত পলস পেলাই বিশ্বপ্ৰেমৰ কঠিয়াতলিত বিশ্বশান্তিৰ বীজ সিচিব পাৰে। মাত্ৰ হব লাগে শক্তিৰ উপযুক্ত ব্যৱহাৰ।

জীৱনক অমৃতময় কৰি তোলা হয় শিক্ষানুষ্ঠানৰ জৰিয়তে। শিক্ষানুষ্ঠানৰ জ্ঞানৰ সৌৰভ বুটলি কত ছাত্ৰ-ছাত্ৰীয়ে জীৱন-কুসুম সুবাসিত কৰে আৰু তাৰ বিপৰীতে কতই ব্যৰ্থতাৰে পথহাৰা হৈ কৰুণ বিননি তুলি জীৱন-ডিঙাত হাহাকাৰ কৰে। জীৱনক গঢ় দিয়াৰ উদ্দেশ্যৰে শিক্ষা লবলৈ আহিও বহু সময়ত বহু ছাত্ৰই ভিক্ষাৰ জোলোঙা লৈ ব্যৰ্থতাৰ হা-হুমুনিয়াহ কাঢ়ি উলটি যাব লগা হয় কিয়? কিয় ছাত্ৰ সকলৰ প্ৰতিজনেই জীৱনক জীৱন কৰি গঢ়ি তুলিব নোৱাৰে, সমাজক সমাজৰূপে গঢ়ি তুলিব নোৱাৰে — ইও এক ভাবিব লগীয়া বিষয়। বহুতৰ মুখত শুনা যায়, আজিৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰবৃত্তি সলনি হৈছে। ছাত্ৰসকল উশৃংখল হৈ পৰিছে। নিজৰ দায়িত্ববোধ, কৰ্তব্য পাহৰি গৈছে। নৈতিকতাক বিসৰ্জন দিছে। স্বকীয় চিন্তাশক্তি নাইকিয়া হৈছে। ছাত্ৰৰ নিচিনা এটা মহান শক্তিৰ নামত এনে অপবাদৰ সূচনা কৰিব লগা হ'ল কিয়? ছাত্ৰশক্তিৰ ওপৰত সেইসকল লোকে কলংকৰ কালিমা সানিবলৈ সুবিধা পালে কৰ পৰা, সাহস পালে কেনেকৈ? পাহৰি যোৱা উচিত নহব যে, পৃথিৱীৰ ভিন ভিন দেশৰ ছাত্ৰসকলে দেশৰ জনগণ আৰু মানৱতাৰ খাতিৰত অশেষ ত্যাগ স্বীকাৰ কৰি সংগবদ্ধ আন্দোলন আৰু সংগ্ৰাম কৰি আহিছে। দায়িত্বপূৰ্ণ ভূমিকাৰে, তীক্ষ্ণতা আৰু বিবেচনাৰে সমাজ সচেতন হৈ যুগে যুগে ওলাই অহা বিশ্ববিজয়ী নৱ জোৱানসকলৰ কথা পাহৰি যোৱা নিতান্তই ভুল হব। তথাপি কিয় ছাত্ৰৰ নামত এনে অপবাদ জাপি দিব লগা হ'ল? নিশ্চয় ইয়াৰ কোনোবা এঠাইত কেৰোণ আছে। নহলে এনে অপবাদৰ গৰাকী



এটা বৃহৎ শক্তি হব লগীয়া নহ'লহেতেন কেতিয়াও।

উন্নত এখন সমাজ আৰু দেশ গঢ়াৰ মূলতে হ'ল তৰুণ-তৰুণীসকল, ছাত্ৰ-ছাত্ৰীসকল। যুৱসমাজৰ মহান আহ্বানে এনে এখন দেশ, এনে এখন সমাজ গঢ়ি তুলিব পাৰে, যিখন সমাজত ৰঙা, বগা, সেউজীয়া নানা বৰণীয়া বহুফুল ফুলি উঠিব; সমাজক সমাজ নামৰ যোগ্য কৰি তুলিব। সমাজৰ কু-ৰূপ সলাই নতুন সাজেৰে সজ্জিত কৰিব। কিন্তু অধ্যয়নৰ অবিহনে ই কেতিয়াও সম্ভৱ নহয়। সমাজখন, দেশখন, জাতিটো অধ্যয়ন নকৰাকৈ তাক গঠন কৰিবলৈ যোৱাটো অযুক্তিকৰ হব। সেইবাবেই অৰ্জন কৰিব লাগিব উচ্চ শিক্ষা। শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ অন্তৰৰ গোপন কোণবোৰ পোহৰাই তুলিব পাৰিব লাগিব। শিক্ষাই ছাত্ৰসমাজক কৰ্মঠ এখন আদৰ্শবাদী সমাজ গঠনত বৰঙণি যোগাব পাৰিব লাগিব। ছাত্ৰ শক্তিৰ চৰম উৎকৰ্ষতাতেই আছে দেশ গঠনৰ নবীন আলোক। ছাত্ৰশক্তিৰ আলোকতেই উদ্ভাসিত হৈ উঠে দেশৰ, সমাজৰ প্ৰকৃত ৰূপ।

যুগৰ আহ্বানে সেয়ে আমাক বিচাৰি মাতিছে — আঁহা বন্ধুসকল, আঁহা আমি সংগবদ্ধ হওঁ, এখন নতুন সমাজ গঢ়ো যুগৰ। বুকুত আমি স্মৃতিৰ সাঁচ বহুৱাই যাওঁ। পৰিবৰ্তনশীল পৃথিৱীৰ প্ৰগতিৰ লগত খোজ মিলাই আমি এক নতুনৰ আৱিষ্কাৰৰ প্ৰচেষ্টাত ধাৱমান হওঁ। জীৱনৰ সোণগুটি গজা হেক মাটিদৰাত সৰহীয়াকৈ জ্ঞানবৃক্ষ ৰোপন কৰি মানুহ হিচাবে জীয়াই থাকিবলৈ শিকো।

যুক্তিতৰ্কৰে সত্যপথ বিচাৰি সমাজৰ আবৰ্জনা, মনৰ মলিনতা আঁতৰাই সংকীৰ্ণতাৰে ৰুদ্ধ সমাজৰ বাধাৰ প্ৰাচীৰ ভাঙি মানুহৰ উপযোগী সমাজ গঠন কৰোঁ। ভৱিষ্যতে নেতৃত্ব বহন কৰিব পৰা নেতা ওলাই আহক। সংস্কাৰৰ ৰুদ্ধদ্বাৰ ভাঙি সুন্দৰৰ আৰাধনাৰে মানৱ ফুলনি সুবাসিত কৰো।

**সাহিত্য আৰু ছাত্ৰসমাজ ঃ** সাহিত্য প্ৰগতিশীল মানৱ জীৱনৰ ভাব আৰু অনুভূতি প্ৰকাশৰ অভিব্যক্তি। ব্যক্তি মনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয় সাহিত্যত। সত্য আৰু সুন্দৰৰ মাজেদি জীৱনৰ প্ৰকাশৰ নামেই সাহিত্য। সাহিত্যই সাময়িক সমাজ আৰু জাতিৰ সাৰাংশ দাঙি ধৰে। সুস্থ সমাজ আৰু উন্নত জাতীয় চৰিত্ৰ গঠনৰ মূলতে হ'ল সু-সাহিত্যিকৰ সৎ সাহিত্য। অনুভূতিৰ গভীৰতা, অভিজ্ঞতাৰ ব্যাপকতা আৰু প্ৰকাশৰ দক্ষতাৰে সৃষ্টি কৰা সাহিত্যই সমাজক সুন্দৰ কৰি তোলে। সুন্দৰ সমাজ গঠন কৰাত শিল্পী আৰু সাহিত্যিকৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। সাহিত্য সংস্কৃতিৰ কাননত ৰঙ-বিৰঙৰ বিতোপন ফুলেৰে মানৱ ফুলনি জাতিস্কাৰ হৈ পৰে শিল্পী আৰু সাহিত্যিকৰ ঐকান্তিক সাধনাৰে। সমাজ সংস্কাৰ হয় সাহিত্যিকৰ সংস্কৃতিশীল অৱদানেৰে। যিহেতু সাহিত্যিকৰ প্ৰতিচ্ছবি সদায় সংস্কাৰমুখী। সংস্কাৰৰ দুৱাৰখন খুলিবৰ বাবে সাহিত্য উৎকৃষ্ট চাবি। এই চাবি আছে সাহিত্যিকৰ হাতত। সাহিত্যৰূপী কাঠিৰে সংস্কাৰৰ দুৱাৰ খুলি তাত প্ৰকৃত মানুহৰ প্ৰৱেশ কৰোৱাব পাৰে। শিক্ষানুষ্ঠান এখনত সেইবাবেই হয়তো সাহিত্য শাখা অৰ্থাৎ আলোচনী আৰু পুথিভঁৰালৰ

শাখা খোলা হৈছে। এই শাখাৰ যোগেদি ছাত্ৰ ছাত্ৰীসকলৰ কলাসুলভ মনোবৃত্তিবোৰৰ উৎকৰ্ষ সাধনৰ প্ৰেৰণা যোগোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাত আৰু সুপ্ত প্ৰতিভাসমূহৰ বিকাশ সাধন কৰাৰ এক-মাত্ৰ স্থল এই আলোচনীখন। ভৱিষ্যতে বিশ্ব-বৰেণ্য কবি-সাহিত্যিক হোৱাৰ সোপান এই আলোচনীয়েই। কথা হ'ল, আজিৰ যুগৰ সাহিত্য সংস্কৃতিৰ যি প্ৰগতি হৈছে মনক খোৱাক দিবলৈ অথবা জনসাধাৰণৰ মানসিক সত্তা উচ্চতৰ কৰিবলৈ আজিৰ প্ৰকাশিত বিভিন্ন গ্ৰন্থৰাজিয়ে কেনেধৰণৰ সোৱাদ দিছে তাক বিচাৰ কৰি চোৱাৰ প্ৰয়োজন হৈছে। উঠি অহা ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক চৰিত্ৰ গঠন, নিয়মানুবৰ্ত্তিতা, সামাজিক জীৱনৰ অভিজ্ঞতা, মননশীলতা আৰু অনুশীলন আজিৰ সস্তীয়া প্ৰগতিবাদী চিন্তাই সংস্কৃতিৰ নামত চলা ব্যৱসায়িক বুদ্ধিয়ে কিমানখিনি যোগাব পাৰিছে সিও মন কৰিব লগীয়া বিষয়।

**আলোচনীৰ বিষয়েঃ** মহাবিদ্যালয় এখনত আলোচনী এখনৰ প্ৰয়োজনীয়তা কিমান তাক বাহুল্য কৰাৰ নিষ্প্ৰয়োজন। সাহিত্য যিহেতু সমাজৰ দাপোন, সেয়ে মহাবিদ্যালয়ৰ আলোচনী এখনো মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। ছাত্ৰ ছাত্ৰীৰ জ্ঞান আৰু অভিজ্ঞতা নিৰ্ণীত হয় মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে। আলোচনী শাখাৰ সম্পাদক হিচাবে থিয় হৈ এখন সুন্দৰ মানবিশিষ্ট আলোচনীৰ সম্পাদনাৰে ভাষা জননীৰ পূজাৰ বেদীত অৰিহনা যোগোৱাৰ ভাৱ এটা পোষণ কৰিছিলো। কিন্তু কাৰ্যক্ষেত্ৰত আগবঢ়াৰ লগে লগে সেই উৎসাহ সেমেকি গল। ভাৱ আৰু কামৰ মিলন নঘটিল। উন্নত প্ৰবন্ধ পাতিৰ অভাৱ, অৰ্থৰ অভাৱ আৰু অন্যান্য কিছুমান আলৈ আহুকালৰ মাজত পৰি সময়মতে আলোচনীখন প্ৰকাশ হৈ নোলাল। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতিয়ে (১৯৭৬-৭৭) দুয়োবছৰৰ আলোচনী সম্পাদকৰ সৈতে আলোচনা কৰি আগৰ বছৰ প্ৰকাশ নোহোৱাকৈ ৰৈ যোৱা আলোচনীখনৰ প্ৰৱন্ধ পাতি কিছু গোটাই ধাৰাবাহিকতা ৰক্ষা কৰিবৰ হেতু শেহতীয়াকৈ হলেও দুয়োখন এখন কৰি প্ৰকাশ কৰি উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আলোচনীখনিয়ে কেনে মানদণ্ড ৰক্ষা কৰিব পাৰিছে সেয়া আমাৰ অজ্ঞাত। হয়তো দ্বিতীয়া আৰু তৃতীয়াৰ কাচি জোনে সেউজী ধৰাত উজ্বল জেউতি বিলাব নোৱাৰে। সমালোচনাৰ শানিত শৰেৰে থকা সৰকা নকৰি সহানুভূতিশীল দৃষ্টিৰে শোকোতাকে মুকুতা বুলি লবলৈ আশা ৰাখি ভাষা জননীৰ চৰণত এই পাহি পুষ্প অৰ্পণ কৰিলো। আশা ৰাখিছো, ভৱিষ্যতৰ বন্ধু-বান্ধৱীসকলে উন্নত মানদণ্ডৰ আলোচনী প্ৰকাশ কৰি পূৰ্ণিমাৰ পূৰ্ণচন্দ্ৰৰ ৰূপালী কিৰণেৰে ভাষা জননীৰ লগতে মহাবিদ্যালয়ৰ জেউতি অধিক বিয়পাব।

**ব্যক্তিগত দুৱাষাৰঃ** আলোচনীখন প্ৰকাশৰ বাটত যাৰ পৰা সহায়-সহানুভূতি পালো, যিসকলৰ উৎসাহ-উদ্দীপনা আৰু পৰামৰ্শৰে ই সম্ভৱ হ'ল, সেইসকলক আমাৰ কিহেৰে কৃতজ্ঞতা, শ্ৰদ্ধা আৰু ভক্তি জনাওঁ ভাবি পোৱা নাই। তথাপি ছাত্ৰ একতা সভাই এই গধুৰ দায়িত্ব আগবঢ়োৱাত আৰু বন্ধু-বান্ধৱীসকলৰ পৰা পোৱা সহায়-সহানুভূতিৰ বাবে প্ৰথমেই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধুসকললৈ



কৃতজ্ঞতা আগ বঢ়ালো। বিভিন্ন দিহা-পৰামৰ্শ আৰু সহায়-সহানুভূতিৰে আপ্যায়িত হৈছিলো বহুজন শিক্ষাগুৰুৰ পৰা। পৰম শ্ৰদ্ধাস্পদ অধ্যক্ষ শ্ৰীযুত চিত্ৰসেন ৰাজকুমাৰ, বিভাগীয় উপদেষ্টা (অসমীয়া বিভাগ) শ্ৰীযুত দেৱেশ্বৰ চাংমাই, অধ্যাপিকা শ্ৰীযুতা ভদ্ৰাৱতী গগৈকে প্ৰমুখ্য কৰি সদৌজন শিক্ষাগুৰুৱে বিভিন্ন দিহাপৰামৰ্শৰে আমাক যি সহায় কৰিলে তাৰবাবে তেখেত সকললৈ আন্তৰিক ভক্তি তৰ্পন যাচিলো। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী মহাপ্ৰভুৱে তেখেতৰ ফটোৰে সৈতে আশীষ বাণী পঠিয়াই আমাক যি অনুপ্ৰেৰণা যোগালে, সেয়ে তেখেতলৈ আমাৰ ভক্তিপ্ৰাঞ্জল সেৱা আগ বঢ়ালো। তদুপৰি আলোচনীখন প্ৰকাশ কৰিবৰ বাবে ভাৰ লোৱা ডিব্ৰুগড়ৰ লখিমী প্ৰেছৰ কাৰ্যাধ্যক্ষ আৰু কৰ্মীবৃন্দলৈ আমাৰ ধন্যবাদ থাকিল।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি, মুখপত্ৰখনিৰ দীৰ্ঘায়ু কামনাৰে —

শ্ৰীউমা দিহিঙীয়া
শ্ৰীপ্ৰমোদ কোঁৱৰ } সম্পাদকদ্বয়



# Students' Union
# H.C.D.G. College, Nitaipukhuri 1976–77



**Left to Right: Standing:** Mr. P. Konwar (Magazine, Literary and Debating Secretary) ; Mr. D. Gogoi (Secretary, Social Service) ; Miss P. Sensowa (Secretary, Girls' Common room)., Miss R. Barah (Secretary, Magazine, Literary & Debating)., Mr. A. Borgohain (Secretary, Music & Culture)., Mr. P. Barah (Secretary, Boys' Common room)., Mr. R. Barah (Asstt. General Secretary)., Mr. P. Borgohain (Secretary, Games)., Mr. S. Barah (Secretary, Sports).

**Left to Right: Sitting:** Prof. R. Barah (Prof-in-charge Sports)., Prof. B. Dutta (Prof-in-charge, Social Service)., Prof. L. Saikia (Prof-in-charge Music & Culture)., Prof. A. Borgohain (Prof-in-charge, Boys' Common room)., Prof. D. D. Neog., (President)., Prof. D. Changmai (Prof.-in-charge, Magazine Literary & Debating)., Prof. N. Konwer (Prof-in-charge, Games)., Mr. Phatik Dutta (General Secretary).



Editorial Board
H. C. D. G. College Magazine
1975-76-77

**Left to Right:** Mr. Uma Dihingia, Jt. Editor., Prof. D. Changmai, Prof-in-charge., Principal C. S. Rajkumar, Prof. B. Gogoi., Mr. Promod Konwer., Jt. Editor.

**Standing:** Miss Devajanee Gogoi, Member, Miss Runoo Borah., Jt. Editor, Miss Joya Borah., Member., Mr. Sarbananda Baruah, Member.

# গল্প

## সংগ্ৰাম আৰু মাধুৰ্য


সদা গগৈ।
স্নাতক মহলা
২য় বাৰ্ষিক (কলা)


অজয়ে ভাবিলে সি সচাঁকৈয়ে বৰ বেয়া কাম কৰিলে। খং উঠিল বুলিয়েনো বাৰু সি তেনে কৰিব লাগেনে? তাৰ খং উঠি গ'ল নিজৰ ওপৰত। সি ভাবিলে - সি সচাঁয়ে মূৰ্খতাৰ পৰিচয় দিলে। বিচনাত বাতি যেতিয়া সকলো নিদ্ৰাত বিভোৰ, তেতিয়া শঙ্কৰ বৰুৱাৰ ঘৰৰ এচুকৰ এটা কোঠাত অজয়ে ইকাটি সিকাটি কৰি জ্বলি মৰিছিল আৰু জ্বলি মৰিছিল এইখন পৃথিবীৰে এগৰাকী নাৰী বুকুত এটি সন্তান সাৱটি লৈ যাক মানুহে জানে অজয়ৰ পত্নী মালবিকা বুলি। বিচনাত চাটি-ফুটি কৰা অজয়ৰ বাবে নিশাটো বৰ নিষ্ঠুৰ যেন লাগিছিল। সি ভাবিলে চুইচটো টিপি বাল্বটো জ্বলাই দিব নেকি? ওহো, শঙ্কৰে সাৰ পাব, থাওক। আন্ধাৰতে ভাবি গ'ল সি তাৰ বিগত দিনবোৰৰ কাহিনী। আৰু সি ভাবিলে — মালবিকাই যদি চুই-চাইদ কৰে...... সৰ্ব শৰীৰ তাৰ শিয়ঁৰি উঠিল। পুনৰ সি ভাবিলে নাই তাই তেনে কৰিব নোৱাৰে। অন্ততঃ মালবিকাই এই কাম কৰিব নোৱাৰে, কাৰণ মালবিকাই তাক বুজে।

এটা দিন আছিছিল জীৱনৈলে — য'ত সি বিচাৰি পাইছিল কেৱল হাঁহি আৰু হাঁহি। যাৰ একোৰে অভাৱ নাই, তাৰ বাবে কলেজীয়া জীৱনত হাঁহি নাথাকি দুখ থাকিব নোৱাৰে। এনেকৈয়ে কেৱল হাঁহি আৰু হাঁহিৰ মাজেৰে কেতিয়াযে এটি বছৰ পাৰ হৈ গ'ল অজয়ে গমকে নাপালে। কিন্তু এদিন আহি পৰা পৰীক্ষাই তাক সোঁৱৰাই দিলে এবছৰ পাৰ হৈ যাবৰ হ'ল। পৰীক্ষা পাৰ হৈ গ'ল। মাজত মাথোন এটা দীঘলীয়া বন্ধ। ৰিজাল্ট দিলে, অজয়ো উত্তীৰ্ণ হ'ল। আকৌ আহিল সেই হাঁহি আৰু আনন্দৰ দিন। কিন্তু অজয়ে এদিন উপলব্ধি কৰিলে এই হাঁহি আৰু আনন্দই যেন সকলো নহয়, তাৰ অন্তৰে কিবা এটা বিচাৰে। কিন্তু কি বিচাৰে? এদিন সি উপলব্ধি কৰিলে তাক লাগে এজনী গাভৰুৰ হিয়া ভৰা মৰম। সেই মৰম এদিন সি পাইছিল, সি বিচৰা মৰম সি পোৱা

নাছিল। এবছৰ নহয়, দুবছৰ নহয়, সম্পূৰ্ণ ছবছৰ একেৰাহে সি পাইছিল, মৰম কৰিছিল মালবিকাক। মালবিকা তেতিয়া এজনী মৰম লগা গাভৰু। এতিয়াওতো শিৰৰ সেন্দুৰকণ নললে মালবিকাক গাভৰু বুলি নকৈ নোৱাৰি। তাৰ মনত পৰিল মালবিকা আৰু তাক লৈ ওলোৱা গুজববোৰ। ··· সচাঁ পৃথিবীত যে কত ৰকমৰ মানুহ আছে। সি ভাবিলে এজনী গাভৰুক এটা ডেকাই ভালপোৱাৰ লগে লগে কিয় বাৰু ইমানবোৰ কুৎসা ৰচনা কৰে মানুহে? কিন্তু আগতে যে কোনেও একোকে নাজানে। কি যে আচৰিত এই মানুহবোৰ। সচাঁ কথা মালবিকাই তাক বিশ্বাস কৰা নাছিল আৰু তাই হয়তো ভাবিছিল অজয় এদিন আঁতৰি যাব। আৰু অজয়ৰ মনে মনে হাঁহি উঠিছিল? ··· তাৰ আকৌ মনত পৰিল মালবিকাক লৈ সেই ল'ৰাকেইটাৰ মাজত হোৱা কাজিয়া আজোৱালৈ। সিওতো সিহঁতৰে এটা আছিল। আৰু এদিন মালবিকাই তাকেই বাচি লৈছিল। কিন্তু মালবিকা; মালবিকাই তাক ভুল বুজিছিল। অজয়ে তাইক ঢালি দিয়া সীমাহীন মৰম, ভালপোৱাক তাই ভুল বুজিছিল। আৰু তাৰ পাছত অজয়ে তাইৰ পৰা পাইছিল বিশ্বাসঘাটকতা। কিন্তু অজয়ৰ সচাঁ মৰমে তাইক এদিন পৰাজিত কৰি দিছিল। এইবাৰ মালবিকা তাৰ কাষত সচাঁ মালবিকা হৈ ধৰা দিলে। কিন্তু তাৰ মাজতো বাকী ৰৈ গ'ল। -- অজয়ে তাইক ক্ষমা কৰিলে। মালবিকাই ভুল কৰিলে বুলিয়েই অজয়ে ভুল কৰিব তাৰ কি মানে কি আছে বাৰু? ভুলৰ শুধৰণী ভুলেৰে নহয়, শুধৰণীৰেহে ভুল ভাঙি দিব পাৰি।

সুদীৰ্ঘ চাৰিবছৰ মূৰত এদিন অজয়ে এৰি যাব লগা হ'ল কলেজ, এৰি যাব লগা হ'ল মালবিকাক। কিন্তু মালবিকাক সি মনৰ পৰা এৰি যাব নাই। এৰি গৈছে মাথোঁ কাষৰ পৰা। মালবিকাই সেইদিনা তাক বহুত কথাই কৈছিল। কিন্তু তাৰ সেইবোৰ মনত নাই। মাত্ৰ দেখিছিল— এযুৰি ক্ৰন্দনমুখী নয়ন। তাৰ পিছত সি বহুত চিঠি পাইছিল মালবিকাৰ পৰা। মাজে মাজে মালবিকাৰ মৰমসনা আহ্বানত সি আহিছিল মালবিকাৰ কাষলৈ। আৰু এদিন তাক সোঁৱৰাই দিছিল জীৱনৰ এটি দিনৰ কথা যিটো সি ভাবিব পৰা নাছিল, অৱশ্যে ভাবিবলৈ কিবা এটাৰ অভাৱ নাছিল। এদিন সি সাৰ পাইছিল যি দিনা মালবিকাই কৈছিল — "আমিতো সদায় এনেকৈয়ে নাথাকো অজয়, গ্ৰেজুৱেশ্যন লৈ ঘৰতে আছা, কিন্তু দিনবোৰ জানো ৰৈ থাকিব? সিদিনা তুমি কি কৰিবা?" — কোনো কৈফিয়ৎ দিব পৰা নাছিল অজয়ে। তাৰ পিছত সি গুচি আহিল খৰ ধৰকৈ ঘৰলৈ আৰু সি মাকক কৈছিল — "মা, দেউতাক ক'বা মোক টকা লাগে মই ব্যৱসায় কৰিম"। কিন্তু মাকে যে তাক কিমান বাধা দিছিল। আৰু এদিন বাধাত পৰি বাপেকে তাক দিছিল দহ হাজাৰ টকা। তাৰ পাছত আহিল বিশ্ৰামবিহীন কষ্ট। অজয়ে বুজি পালে মালবিকাৰ প্ৰশ্ন আৰু বিচাৰি পালে তাৰ উত্তৰ। আৰু সেই উত্তৰ



দিবলৈ যাওঁতে তাই তাক কৈছিল— "তুমিযে ভীষণ ক্ষীনাইছা? চিঠি পত্ৰ একো নিদিয়া হলা, কি হ'ল তোমাৰ"? সিদিনা অজয়ে কৈছিল— "মই তোমাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ আহিছো। আৰু এই উত্তৰ বিচাৰোতে মোৰ এই দশা"। তাৰ পাছত অজয়ে হাতৰ আঙুলিৰ পৰা খুলি এটা ৰিং পিন্ধাই দিছিল মালবিকাৰ আঙুলিত। আৰু তাৰ সাক্ষী ৰৈছিল পাৰ ওপচা এপুখুৰী পানী আৰু তাৰ পাৰৰ এজোপা কদম গছ। পৰীক্ষা দি উঠাৰ পাছত অজয়ে মালবিকাক আৰু ঘৰলৈ যাবলৈ দিয়া নাছিল। সকলোৰে ইচ্ছাৰ বিৰুদ্ধে সি মালবিকাক বিয়া কৰালে। —অৱশেষত সি হৈ ৰ'ল সমাজচ্যুত।

দিনবোৰ সুখেৰে পাৰ হৈ যাবলৈ ধৰিলে। মালবিকা ব্যস্ত ঘৰখন লৈ, আৰু অজয় ব্যস্ত ব্যৱসায় লৈ। দুখ কি, কষ্ট কি বুজি নোপোৱা অজয়ে ইমান কষ্ট কৰিব পাৰে এইয়া মালবিকাৰ সপোনৰো অতীত আছিল। এটা দিন আহিল মালবিকা গ'ল হস্পিতেললৈ, আৰু অজয় বাধ্য হৈ সদায় যায় হস্পিতেললৈ। এদিন আহিল শেষ দিনটো। একোঁছা অবিন্যস্ত চুলি আৰু মলিয়ণ পোছাক, উৎকণ্ঠাৰে ভৰা এখন মুখ লৈ ৰৈ আছে এজন মানুহ, কিবা এটা যেন শুনিব বিচাৰে; এইমাত্ৰ যেন কোনোবাই কবহি। আৰু এসময়ত মেটাৰ্নিটি ৱাৰ্ডৰ দুৱাৰ খুলি আহিল ডঃ ডুবে। সন্মুখত দেখিয়েই অজয়ক কৈছিল— "কংগ্ৰেচুলেশ্যন অজয়। এটি লৰা হৈছে। বেছ মৰম লগা। পাৰ্টিৰ আয়োজন কৰ সোনকালে।" কৈয়েই চিঞৰিলে ডঃ ডুবেই চকীদাৰক। আৰু অজয়লৈ চাই হাঁহি দিলে। অজয়ে "ওইয়ে কৈ দেছোন— বাৰু মালবিকা কেনে আছে"? আৰু ডুবেই হাঁহি কৈছিল—"সম্পূৰ্ণ ভাল। কিন্তু মনত ৰাখিবি আমাৰ এটা শাখা আছে পৰিয়াল পৰিকল্পনা।" লাজত অজয় মৰি যাওঁ যেন হৈছিল আৰু মালবিকাক চোৱাৰ ইচ্ছাও যেন তাৰ লাজতে লুকাই ৰ'ল। ডঃ ডুবেই হয়তো বুজিছিল তাৰ মনৰ কথা, —আৰু হাতত ধৰি কৈছিল—"ব'ল চাই আহ তোৰ মিচেছক"। অজয়ে মালবিকাৰ কাষ পাইছিল—লাজত মালবিকা ৰঙা চঙা পৰিছিল। ডাক্তৰে তাইক কেনে আছে বুলি সুধিয়েই তালৈ চাই কৈছিল—"বেছি কথা নকবি অপকাৰ হ'ব" কৈ আঁতৰি গৈছিল। অজয়ে একো ক'ব পৰা নাছিল। মালবিকাইও একো কোৱা নাছিল। মাত্ৰ মালবিকাই আগবঢ়াই দিয়া হাতখন নিজৰ হাতৰ মাজত লৈ কেচুঁৱাটোক এবাৰ চাই মালবিকাৰ দুই ওঁঠত চুমা এটি দি সি পুনৰ আহিম বুলি কৈ গুছি আহিছিল। আৰু বহুত ভাৰি অজয়ে যে কেতিয়া টোপনি গ'ল কবই নোৱাৰিলে। পুৱা ৮ বাজিল অজয়ৰ বিচনাতে। শঙ্কৰলালে তাক চিঞৰি চিঞৰি তুলি দিলেহি।

আৰু মালবিকা! দিনটো কান্দি কান্দি ভাগৰি পৰা মালবিকাই সন্ধ্যালৈকে বাট চালে, — অথচ অজয় ঘূৰি নাহিল। তাই ভাবিলে, অজয়ে বাৰু কি খাইছে? ছাগে তাইলৈকে খং কৰি লঘোনে ভোকে আছে। একোবাৰ পোনালৈ চাই ভাৱে ইওতো অজয়ৰ

তেজ মঙহৰ। ইও বাৰু অজয়ৰ দৰেই হ'ব নেকি? নাই, অজয়ৰ দোষ নহয়, এইয়া তাইৰ দোষ। তাই যদি অজয়ক তেনেকৈ নকলেহেঁতেন, অজয়ে হয়তো তেনেকৈ গুছি নগ'লহেঁতেন। ক্ৰমে গভীৰ হৈ অহা নিশাটো পোনাক সাৱতি লৈ মালবিকাই উৎকণ্ঠাৰে কাণপাতি ৰ'ল – অজয়ৰ গাড়ীৰ শব্দ শুনিবলৈ। একোবাৰ ভাবিলে তাই– অজয়ৰ ক'ৰবাত এক্সিডেণ্ট হোৱা নাইতো। আকৌ ভাৱে এইয়া তাই কি ভাৱিছে? এনেকৈ ভবাটো জানো পাপ নহয়? তাই ভগৱানক কৰ-যোৰে প্ৰাৰ্থনা জনালে অজয়ক যেন সুকলমে ঘূৰাই আনে। নিশা পাৰ হৈ গ'ল, অজয় নাহিল। সচাঁকৈ অজয়টো ইমান অবুজ।

প্ৰভাতৰ সুৰুজে ক্ৰমে ক্ৰমে আগুৱাবলৈ ধৰিলে। মালবিকা ব্যস্ত হৈ পৰিল পোনাক লৈ— ঘৰখনক লৈ। চকুলো টুকি টুকি একাষে পোনাক লৈ সকলো কৰি গ'ল। কাঞ্চাই বাঢ়ি দিয়া ভাতৰ কাঁহি সন্মুখত লৈ মনত পৰিল তাইৰ অজয়লৈ, তাইৰ চকুলো বৈ আহিল, নিজৰ ওপৰতে তাইৰ ধিক্কাৰ জন্মিল। ভগৱানক চুলি চিঙি প্ৰাৰ্থনা জনালে, --অজয়ক যেন ঘৰলৈ ঘূৰাই আনে।

লাহে লাহে সন্ধ্যা নামি আহিল – এবুকু ভৰা আন্ধাৰ লৈ। – আৰু মালবিকাৰ হৃদয়ো ভৰি পৰিল এপাছি আন্ধাৰেৰে, পাই হেৰুৱাৰ বেদনাৰে।

আৰু অজয়? দিনটোৰ প্ৰতিটো ক্ষণ, কাম আৰু কাম। কামৰ পৰা তাৰ আজৰি নাই। অথচ মাজে মাজে সি অন্যমনস্ক হৈ যায়। মনত পৰে তাৰ পোনালৈ। লাহে লাহে লাহে নামি অহা ধুসৰিত সন্ধ্যাই অজয়ৰ মনো কপাঁই তুলিলে। কব নোৱাৰাকৈয়ে অজয়ৰ হাতৰ ষ্টিয়েৰিং ঘূৰ খালে ঘৰ অভিমুখে। গাড়ীখন থৈ ষ্টাৰ্ট বন্ধ কৰি গুচি গল অজয় এখোজ এখোজকৈ বাৰান্দাৰ পৰা শোৱনী কোঠালৈ। আৰু মালবিকা ওলাই আহিল – অজয়ক আগ বঢ়াই নিবলৈ। সজোৰে তাই চুইচ টিপি জ্বলাই দিলে বাল্বটো দেখিলে অজয়ক। আৰু অজয়;— অজয়েও দুই হাতেৰে অজ্ঞাতে মালবিকাক সাৱটি ললে। মালবিকাৰ চকুলোৰে অজয়ৰ বুকু তিয়াই দিলে আৰু কান্দোনৰ দমকত কঁপি উঠা মানুহজনীক লৈ অজয়ো থিয়হৈ বল। অজয়ে সুধিলে – -'পোনা ক'ত"? মালবিকাই দেখুৱাই দিলে কাঠৰ কোষালৈ। অজয় গল পোনাৰ কাষলৈ, আৰু পাছে পাছে মালবিকা। অজয়ে শুই থকা পোনাটিলৈ হাত মেলি ঘূৰি চাই দেখিলে – এখন কৃষ্ণৰ ফটোৰ তলত— ধূপ ধুনাৰে ভৰি আছে। মেলা হাতখন সংকোচন কৰি মালবিকাৰ হাতত ধৰি সি কৃষ্ণৰ ফটোখনলৈ চাই ৰ'ল – যেন অজয় আৰু মালবিকাই সিহঁতৰ নিজ নিজ দোষৰ বাবে ভগবানৰ ওচৰত ক্ষমা বিচাৰিছে।

# প্ৰবন্ধ

## নাৰী আন্দোলন ঃ এটি ব্যাখ্যা

বন্দনা বৰুৱা
স্নাতক মহলা ২য় বাৰ্ষিক।

বিখ্যাত মনিষী কাৰ্লমাৰ্ক্সে কৈছিল যে— "Social progress can be measured with precision by the social position of female sex" গতিকে সমাজৰ উন্নতি হবলৈ হলে পুৰুষ আৰু নাৰী উভয়ৰে উন্নতি হব লাগিব। এটাৰ উন্নতিৰ অবিহনে আনটোৰ উন্নতি সম্ভৱ হব নোৱাৰে। কাৰণ নাৰী আৰু পুৰুষ লৈয়েই সমাজ গঠিত।

নাৰী আন্দোলন কোনো নতুন কথা নহয়। আজিৰ পৰা ডেৰশ বছৰৰ আগতে বঙ্গদেশত সতী যোৱা প্ৰথা প্ৰচলন আছিল। সেই সতী যোৱা প্ৰথা আঁতৰাবলৈ সিদিনাৰ পৰাই প্ৰচেষ্টা কৰি অহা হৈছে। ভাৰতবৰ্ষৰ নাৰীসকলে অকল সতীদাহ প্ৰথাৰেই যে নিৰ্যাতিত হৈছে এনে নহয়; বৈধব্য যান্ত্ৰণা ভোগকৰি থকা, কুমাৰী বিবাহ প্ৰচলন, উপপত্নী ৰখাৰ ব্যৱস্থা, জোৰ-জুলুম, অপমান আৰু নিৰ্যাতন যুগ যুগ ধৰি ভোগ কৰি আহিব লগা হৈছে। এই বিলাক কু-প্ৰথা আঁতৰাবৰ বাবে বুটিছ আমোলতেই সংগঠিত নাৰী আন্দোলন আৰু সমাজ-সংস্কাৰৰ বাবে কৰা গণ আন্দোলনৰ যৌথ প্ৰচেষ্টাৰ ফলস্বৰূপে সামাজিক আইন কাৰ্যকৰী কৰা হয়। ১৮২৯ চনত সতীদাহ প্ৰথা বন্ধ কৰা হয়। তাৰ পিচত স্ত্ৰীশিক্ষাৰ বিস্তৃতি, বিধৱা বিবাহ প্ৰচলন, কৈশোৰ বিবাহ বন্ধ কৰিবলৈ বয়সৰ সীমা নিৰ্দ্ধাৰণ কৰি কেইবাটাও আইন কাৰ্যকৰী কৰা হয়।

বৰ্তমান উন্নতিৰ চৰম শিখৰত অৱতীৰ্ণ হৈও হিন্দুনাৰীয়ে আজিও বহুতো নিয়মৰ বশবৰ্তী হৈ ৰবলগা হৈছে। এইবোৰ নিয়মানুযায়ী নাৰী কেতিয়াও মুক্ত হৈ থাকিব নোৱাৰে। নাৰীয়ে শিশু অৱস্থাত দেউতাকৰ, যৌৱন অৱস্থাত স্বামীৰ আৰু বৃদ্ধকালত পুতেকৰ অধীনত থাকিব লাগে। অৱশ্যে মুছলমান আৰু খ্ৰীষ্টিয়ান নাৰীসকলতকৈ হিন্দু নাৰীৰ স্থান কিছু উন্নত। কিন্তু এইটো পৰিস্ফুট যে হিন্দু নাৰীৰ সম্পৰ্কতো থকা কিছুমান ব্যৱধান আঁতৰ হলেহে নাৰী আৰু পুৰুষৰ সমানাধিকাৰ সম্ভৱ হব।

তিৰোতাক কামত লগোৱা হয় শেষত

কিন্তু অন্যায়, অবিচাৰৰ প্ৰথম বলি হবলগা হয় নাৰীয়েই। বহুতো তিৰোতাই কাম কৰিবলৈ যাওঁতে ওপৰৱালাৰ পৰা নিৰ্লজ্জ ব্যৱহাৰ পায়, কদৰ্য আচৰণ, জোৰ-জুলুমৰ পৰাও হাত সৰাটো কঠিন হৈ পৰে। ফেক্টৰী বা মিলত বহুতো তিৰোতাক কামত নিযুক্ত দিয়া নহয়। তিৰোতাৰ বাবে চাকৰি সংৰক্ষণৰ ব্যৱস্থা এটা কৰা হৈছিল কিন্তু এই ব্যৱস্থাটোৱে তিৰোতা শ্ৰমিকসকলৰ মাজত এটা নতুন সংঘৰ্ষৰহে সৃষ্টি কৰিছে। কিছুমানে চাকৰি পাব কিন্তু আচল সমস্যাৰ সমাধান নহব।

ভাৰতবৰ্ষত নাৰীমুক্তি আন্দোলন নতুন কথা নহয়। ১৯২৫ চনত The National Council of Women in India, ১৯২৬ চনত The All India Women's Conference on Educational and Social Reform, ১৯১৭ চনত মাদ্ৰাজত The Women's India Association আদি মহিলা সন্থা গঠিত হৈছিল। ১৯৭১ চনত কেন্দ্ৰীয় শিক্ষা আৰু সমাজ কল্যাণ বিভাগে প্ৰায় ১ নিযুত টকা খৰচ কৰি মহিলা সন্থা এটা পাতি দিছিল। এই সন্থাবোৰৰ প্ৰধান উদ্দেশ্য আছিল নাৰীসকলৰ সামাজিক, ৰাজনৈতিক আৰু শিক্ষাৰ প্ৰসাৰতাৰ কাৰণে যত্নপৰ হোৱা। আমাৰ বৰ্তমানৰ সমাজখনৰ পিনে লক্ষ্য কৰিলেই সন্থাবোৰৰ কৃতকাৰ্যতাৰ কথা বুজিব পৰা যায়।

শ্ৰেণী সমাজ এখনত নাৰীমুক্তি আন্দোলন কৰি কিমানদূৰ উপকৃত হব ই চিন্তাৰ বিষয়। অৰ্থনৈতিক স্বাধীনতা অৰ্থাৎ থকা-খোৱাৰ নিৰাপত্তা নহলে নাৰী বা পুৰুষ কাৰোৱেই উন্নতি হব নোৱাৰে। লেনিনে কৈছিল – No revolutionary struggle will be successful unless the massess of women participate in it"

জাতিসংঘ আৰু আন্তৰ্জাতিক মজদুৰ সংঘই ১৯৭৫ চনটোক আন্তৰ্জাতিক মহিলাবৰ্ষ হিচাপে পালন কৰিবলৈ পৃথিৱীৰ সকলোবোৰ দেশক আহ্বান জনায়। পৃথিৱীৰ উন্নয়নশীল দেশসমূহে নাৰীবৰ্ষ বৰ জাকজমকতাৰে পালন কৰিলে। পুঁজিবাদী দেশসমূহত তিৰোতা সকলে সমাজত পুৰুষৰ সমান মৰ্যদা পাবলৈ শ্ৰমিক তিৰোতা সকলে পুৰুষ শ্ৰমিকৰ সমানেই বেতন আৰু আন আন কৰ্মসুবিধা পাবলৈ শক্তিশালী আন্দোলন গঢ়ি তুলিছিল। প্ৰায়বিলাক ক্ষেত্ৰতেই নাৰী পুৰুষতকৈ বেছি শোষিতা। পিতৃপ্ৰধান সমাজ আৰু ইয়াৰ প্ৰভাৱত নিজ ঘৰতেই নাৰীসকল বেচিকৈ নিৰ্যাতিত হয়। নাৰী আৰু পুৰুষ দুটা জাতি হব নোৱাৰে; আদিম শ্ৰেণীবিহীন সমাজতো নাছিল আৰু ভৱিষ্যত সমাজবাদী সমাজতো নেথাকিব। শ্ৰমিক শ্ৰেণীৰ আন্দোলন নাৰীমুক্তি আন্দোলনৰ লগত এনেভাৱে জড়িত যে এটা আগবাঢ়িবলৈ হলে আনটো আগবাঢ়িবই লাগিব।

পুঁজিপতি সকলে কৰি অহা বিভাজন বোৰৰ বিৰোধিতা কৰি নাৰী শ্ৰমিক সকলে মাজে-মাজে আন্দোলন কৰি আহিছে। বিছু



বছৰৰ আগৰ পৰা নাৰী শ্ৰমিকসকলৰ এক বুজন অংশই এইটো ভালকৈ বুজি উঠিল যে সমাজবাদী বিপ্লৱ অবিহনে নাৰী মুক্তি হব নোৱাৰে। নাৰীসকলে অকলে আন্দোলন কৰি সমাজবাদ আনিব নোৱাৰে। পুঁজিবাদী সমাজ ব্যৱস্থাত মূল বিৰোধ হব ধনী-দুখীয়া জমিদাৰ-প্ৰজা, মালিক-শ্ৰমিক আদি শ্ৰেণীৰ মাজতহে। চেক্স বা পুৰুষ বা নাৰীৰ মাজত নহয়। বুৰ্জোৱাবিলাকে শ্ৰমিক সকলৰ এই ভাৱধাৰা বুজিব পাৰি সমাজবাদী বিপ্লৱৰ ভাৱ আঁতৰাই ৰাখিবলৈ আন্তৰ্জাতিক নাৰীবৰ্ষ পালন কৰিবলৈ সকলোকে আহ্বান জনালে পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন চহৰত মেল-মিটিং, প্ৰদৰ্শনী, চিনেমা শ্ব কলা প্ৰদৰ্শনী, আলোচনা চক্ৰ আদি-পাতি ৰাইজৰ টকাৰ সৰাধ কৰিলে। অসমত চৰকাৰী ভাৱেও ৬.৯৭ লাখ টকা খৰচ কৰি আন্তৰ্জাতিক নাৰীবৰ্ষ পালন কৰিছে। এতিয়া কথা হ'ল নাৰীবৰ্ষ পালন কৰি খেতিয়কৰ তিৰোতা সকলে কিমান উন্নতি কৰিছে? অকল অসমতে নহয় ভাৰতৰ বিভিন্ন প্ৰদেশতেই নাৰীবৰ্ষ পালন কৰিছে। বিশ্বৰ যিবোৰ দেশত নাৰীবৰ্ষ পালন কৰিছে সেইবোৰৰ নাৰীসকলৰ উন্নতিৰ খতিয়ান এদিন সময়ে দাঙি ধৰিব। দক্ষিণ ভাৰতত আজিও হৰিজন মহিলাক মন্দিৰত সোমাবলৈ দিয়া নহয়। ৰাজস্থানী সমাজৰ বিয়াৰ যৌতুক প্ৰথা আজিও কোনো কোনো ঠাইত প্ৰচলিত আছে। উত্তৰ-প্ৰদেশৰ মুছলমান তিৰোতাই ওৰণিৰে মুখ ঢাকিহে বাহিৰত ফুৰিব পাৰে। পৰিতাপৰ কথা যে যি ১৯৭৫ চনতে আন্তৰ্জাতিক নাৰীবৰ্ষ পালন কৰি নাৰীৰ প্ৰতি সহানুভূতিশীল হবলৈ আহ্বান জনোৱা হয় সেই বছৰতে উত্তৰ ভাৰতৰ দুগৰাকী বিধৱা সতী যোৱা বুলি বাতৰি পোৱা গৈছে। যি জঘন্য প্ৰথা বৃটিছ চৰকাৰৰ দিনতেই উঠি গৈছিল সেই প্ৰথা আজিও এগৰাকী নাৰীৰ নেতৃত্বাধীন চৰকাৰৰ দেশত কেনেকৈ চলি থাকিব পাৰিছে সেইয়া বিস্ময়কৰ কথা।

ভাৰতবৰ্ষত জাতি ধৰ্মৰ বান্ধ কটকটীয়া। নিম্নজাতিৰ তিৰোতাই উচ্চ জাতিৰ লোকৰ কাম কৰিব নোৱাৰে। বোম্বাই চহৰত নিম্ন জাতিৰ তিৰোতাই পাৰ্চী পৰিয়ালৰ ঘৰত কাম কৰে কাৰণ বৰ্ণ হিন্দুবোৰে নিম্নজাতৰ মানুহক ঘৰৰ ভিতৰত সোমাবলৈ নিদিয়ে। ভাৰতবৰ্ষৰ সকলো গাওঁ বা চহৰত— নিম্ন খাপৰ মজুৰি হোৱা বাবে একেদিনাই কেইবা ঘৰতো কাম কৰিব লগা হোৱা দেখা যায়।

মুঠতে আমাৰ আজিৰ বংশধৰ সকলে আহিবধৰা বংশধৰ সকলৰ বাবে কাম কৰিব লাগে যাতে তেওঁলোকে গণতান্ত্ৰিক আন্দোলন আগবঢ়াই নিব পাৰে আৰু শেষত সাম্যবাদ প্ৰতিষ্ঠা কৰাত সক্ষম হব পাৰে। এই লক্ষ্য সন্মুখত ৰাখি নাৰীমুক্তি আন্দোলনে কাম কৰি যাব লাগিব আৰু সাধাৰণ সমাজ সংস্কাৰ আন্দোলনে কাম কৰি যাব লাগিব।

## এটি অনুৰোধ— কমৰেডলৈ

পদ্মাৱতী কোঁৱৰ
স্নাতক মহলা ২য় বাৰ্ষিক

ইশ্বৰ! তুমি এইবাৰ সহায় হোৱা
শেষ হ'ল মোৰ মুক্ত জীৱনৰ জুৱাখেল
আৰু—
যৌৱনৰ কত অপহৰণ

মনত পৰিবনে মোলৈ
শীতৰ ৰাতি গহৰ তলত শোওঁতে জাৰলাগি
গ্ৰীষ্মৰ তৰুৰ ছায়াহীন পথত পিয়াহ লাগি
কান্ধৰ ফ্লাক্সটো খোলোতে
অজানা দেশৰ যাদুঘৰত
দুবুজ্ঞা শিলালিপি পঢ়ি ওলাই আহোঁতে।

যেতিয়া মনৰ মাজৰ অৰণ্যত ধুমুহা আহিব
আদিম বৰ্ষাৰ মৌচুমী নামিব
ধুমুহাৰ বিধস্ত ৰৰষুণত তিতি
মই সুঁৱৰিম—

সম্পদে বিবাদে সৌহাৰ্দ্য বেদনাই
অজৰ অমৰ অক্ষয় হৈ ৰ'ল
মই আমতলা বিলৰ পানী—

বিদায় কম্ৰেড—
বাসনা অতৃপ্ত মোৰ
সেয়ে, ঈশ্বৰ তুমি এইবাৰ সহায় হোৱা মোৰ।

# কবিতা

## সন্ধ্যা

দেৱযানী গগৈ
স্নাতক মহলা
২য় বাৰ্ষিক কলা।

অস্তাচলত দিগন্তৰ সমাক স্বাক্ষৰ
পৃথিবীৰ ওপৰেদি উৰি যোৱা
এজাক পক্ষীৰ ডেউকাত হেজাৰ
স্বপ্নীল আপাহ।
শৰতৰ পৃথিবীত টুপ টুপ নিয়ৰ কণিকা
দাবাগ্নিৰ দহনত চাৰখাৰ হোৱা
এইয়া যেন কোনো এক নাৰী হৃদয়ৰ
ব্যথা চকুলো।

যুগৰ প্ৰৱাল দ্বীপত
মণি-মুকুতাৰ সন্ধান বিচাৰি ক্লান্ত হোৱা -
এখন হৃদয়ত
অযুত বেদনাৰ স্বাক্ষৰ
বিদায়ী বন্ধুৰ চকুত ধৰা দিয়ে – কেৱল আন্ধাৰ।



## শংকৰদেৱৰ সাহিত্য ঃ এটি চমু সমীক্ষা

শ্ৰীঅমি বড়া
স্নাতক মহলা ১ম বাৰ্ষিক

অসমীয়া সংস্কৃতিৰ অপ্ৰতিদ্বন্দী নায়ক বুলিলে যি জনা মহান পুৰুষৰ বিশাল ব্যক্তিত্ব মনলৈ আহে— তেখেতেই হ'ল এক-শৰণ নামধৰ্মৰ প্ৰবৰ্ত্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। যি সময়ত অসমীয়া সমাজত বৌদ্ধ আৰু তান্ত্ৰিক আচাৰ অনুষ্ঠানে পতিপত্তি লাভ কৰিছিল সেই সময়তে এখেতৰ জন্ম। গীত-মাত, ধৰ্ম-সাহিত্য, কলা-কৃষ্টি সকলোতে এক বৈপ্লবিক পৰিবৰ্ত্তন আনি এখেতে অসমীয়া জাতিটোক এটা নতুন ৰূপত ৰূপ দিলে। সেয়ে অসমীয়া সংস্কৃতিৰ বিশাল সমুদ্ৰত এখেতৰ জ্যোতি আজিও উজ্বল হৈ আছে। অসমীয়া সংস্কৃতিৰ মঞ্চত শঙ্কৰদেৱ যেনেকৈ অদ্বিতীয় নায়ক ঠিক তেনেকৈয়ে অসমৰ সাহিত্যৰ আকাশতো তেখেত জ্যোতি। তেখেতে সাহিত্য ৰচনা কৰিছিল ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেহে। অৰ্থাৎ তেখেতৰ জীৱনৰ মুখ্য উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ কৰা, সাহিত্য প্ৰচাৰ তাৰ আনুষঙ্গিকহে। অথচ আনুষঙ্গিক ভাৱেই তেখেতে যিখিনি সাহিত্য সম্ভাৰ দি থৈ গল, সি আজিও অসমীয়া সাহিত্যত অদ্বিতীয় হৈ আছে। সেয়েহে কবিৰ ভাষাৰে কব পাৰি—

"জালিকটা যি কিডালি আছে পুস্পহাৰ,
সেয়েহে মাথোন ভাৱা কৰিছে পোহৰ।"

মহাপুৰুষ শংকৰদেৱ আছিল একাধাৰে কবি, নাট্যকাৰ, সঙ্গীতজ্ঞ, সুৰকাৰ, বাদ্য বিশাৰদ, শিল্পী, সমাজ সংস্কাৰক ইত্যাদি। মুঠৰ ওপৰত তেখেত আছিল বহুমুখী প্ৰতিভাৰ পুৰ্ণ প্ৰতিমূৰ্ত্তি। পঢ়াশালিত অন্তৰ্ভূক্ত হোৱাৰ কেইদিনমান পিছতে তেখেতে 'কৰতল কমল' নামৰ বিখ্যাত কবিতাটো ৰচনা কৰি অসীম কবি প্ৰতিভাৰ পৰিচয় দিয়ে। হৰিচন্দ্ৰ উপাখ্যান খনিও গুৰুগৃহতে ৰচনা কৰে। সেই পঢ়া অৱস্থাৰ পৰাই শংকৰদেৱে যি লেখনী হাতত তুলি ললে, সি মৃত্যুৰ আগলৈ আৰু কোনোদিনে বন্ধ নহল। অসমৰ সাংস্কৃতিক ক্ষেত্ৰত শংকৰদেৱৰ বহুমুখী দানৰ কথা বাদ দিলেও কেৱল সাহিত্য ক্ষেত্ৰত

যি দি গ'ল সেয়েই তেখেতক অমৰত্ব দান কৰাৰ পক্ষে যথেষ্ট। তেখেতে অসমীয়া ভাষা সাহিত্যৰ ভৰাঁলটো ইমান চহকী কৰি থৈ গ'ল যে, তাৰ সহায়ত অসমীয়া ভাষা সাহিত্যই আজিৰ অৱস্থা পাইছেহি। তেখেতৰ অবিহনে আজি আমি ভাষা-সাহিত্যৰ ফালৰ পৰাহে নেলাগে সকলো ফালেই ক'ত পৰি থাকিব লাগিলহেঁতেন সেইটো আমাৰ কল্পনাৰো অতীত। হয়তো আমাৰ একো অস্তিত্বই নেথাকিলহেঁতেন। ইংৰাজী সাহিত্যত মহাকবি চেক্সপিয়েৰৰ যি অৱদান সংস্কৃত সাহিত্যত কালিদাসৰ যি অৱদান: অসমীয়া সাহিত্যত মহাপুৰুষ শংকৰদেৱৰ তাতকৈ কোনো গুণে কম নহয়।

মহাপুৰুষ শংকৰদেৱ আছিল এজন ধৰ্ম প্ৰচাৰক। বহুদেৱতাৰ ঠাইত একন দেৱতাৰ উপাসনাৰ প্ৰৱৰ্তন আৰু নানা ধৰ্মবাদৰ সলনি সৰল বিশুদ্ধ ভাগৱতী ধৰ্ম মতবাদ স্থাপন কৰাৰ উদ্দেশ্যে তেখেতে সংস্কৃত বৈষ্ণৱ গ্ৰন্থৰাজিক অৱলম্বন কৰি জনসাধাৰণৰ ভাষাত কাব্য, গীত, নাটক আদি নিজেও ৰচনা কৰে আৰু আনকো সেই কাৰ্যত ব্ৰতী কৰায়। অচিৰেই ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সৃষ্টি কৰিবলৈ তেখেত সক্ষম হয়। হৰিনাম ধৰ্ম যাতে সৰ্বসাধাৰণ নিৰক্ষৰ লোকে সহজে বুজিব পাৰে তাৰ পৰিকল্পনা কৰি মনৰ ভাৱ চিন্তা আদান প্ৰদান কৰাৰ কাৰণে তেখেতে সাহিত্য ৰচনা কৰিলে। তেখেতৰ এই সাহিত্যিক প্ৰতিভাৰ গুণতে সৃষ্টি হ'ল নানান পদ-পুথি, অঙ্কীয়া নাট, গীত, ভটিমা, চপয়, টোটয় আদি। তেখেতৰ ৰচিত প্ৰত্যেকখন পুথিতে শ্ৰীকৃষ্ণৰ চৰিত্ৰ আৰু গৌৰৱ প্ৰচাৰ কৰাই মুখ্য উদ্দেশ্য। কৃষ্ণৰ প্ৰতি মন আকৰ্ষণ কৰিবলৈ তেখেতে ভাগৱত, পুৰাণ, মহাভাৰত আদিৰ পৰা আখ্যান বাচি লৈ তাত কল্পনাৰ ৰহন সানি মনোগ্ৰাহী আখ্যান প্ৰণয়ন কৰিছিল। প্ৰত্যেকখন পুথিৰে ভাষা সহজ সৰল আৰু পোন পটীয়া। সাধাৰণ নিৰক্ষৰ লোকেও এই বিলাক শুনি ভাল পাইছিল আৰু তাত নিহিত থকা জ্ঞান আয়ত্ব কৰিব পাৰিছিল। সেইবাবেই তেখেতৰ সাহিত্য আজি ইমান জনপ্ৰিয়।

শ্ৰীমন্ত শংকৰদেৱ বৈষ্ণৱযুগৰ শ্ৰেষ্ঠ কবি। তেখেতৰ কাব্য এবাৰ পঢ়িলে তেখেতৰ কবিত্ব শক্তি কিমান প্ৰখৰ, বৰ্ণনা শক্তি কিমান সূক্ষ্ম তাক অনুমান কৰিব পাৰি। 'উদ্ধৱ সংবাদ' তেখেতৰ প্ৰথম কাব্য। ১৯ বছৰ বয়সতে ভাগৱতৰ দশম স্কন্ধৰ সাৰ স্বৰূপে এই পুথিখন তেখেতে লিখে।

"আত অনন্তৰে শংকৰদেৱৰ
উনৈশবছৰ ভৈলা"
"দশমৰ পুৰাণৰ শ্লোক পাছে পাই
উদ্ধৱ সংবাদ পুথি কৰিলন্ত ছাই"।

কীৰ্তন তেখেতৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন, বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ উত্তৰ ভাৰতৰ হিন্দী প্ৰধান অঞ্চলত তুলসী দাসৰ ৰাম চৰিত্ৰ মানসৰ যি আদৰ, যি জনপ্ৰিয়তা, অসমত কীৰ্তনৰ তেনে আদৰ, তেনে জনপ্ৰিয়তা কোনো গুণে কম নহয়। কম পৰিসৰতে একোটা আখ্যান বা ঘটনা পৰ্যাপ্ত ভাৱে পাঠক বা শ্ৰোতাৰ হৃদয় সংবাদী কৰি তোলাত শংকৰদেৱৰ প্ৰধান কৃতিত্ব। যিমানদিনলৈ কীৰ্তন পুথি থাকিব সিমানদিনলৈ অসমীয়া ভাষা থাকিব। সম্পূৰ্ণ ভাগৱত পুৰাণ এই কীৰ্তন পুথিৰ মাজত সোমাই আছে। গোটেইখন কীৰ্তন পুথিতে কৃষ্ণৰ লীলা বৰ্ণনা কৰি তেওঁৰ মহিমা প্ৰচাৰ কৰিছে। ই তেখেতৰ অসামান্য কাব্য প্ৰতিভাৰ চিনাকি। ছন্দৰ সাৱলীলতা, অনুপ্ৰাস, উপযুক্ত উপমা, ভাষাৰ সকলো অলংকাৰ শ্ৰুতিমধুৰ ব্যৱহাৰ আদিয়ে কীৰ্তনৰ পদবিলাক অমৃতময় কৰি তুলিছে। এবাৰ ইয়াক পালে, ইয়াৰ মধুপান কৰিলে সহজে এৰিব নোৱাৰি। কীৰ্তনত তেখেতে আৰম্ভ কৰিছে।

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন
সৰ্ব্ব অৱতাৰ কাৰণ নাৰায়ণ"।

এইফাঁকি পদ পঢ়া মাত্ৰকে ভাগৱতৰ ৰূপৰ ধাৰণা হয়। এইদৰে কীৰ্ত্তনৰ প্ৰত্যেক ঘোষাই মানুহৰ মন ভগৱানৰ ফালে ঢাল খুৱাইছে। ই এখন ওখ শ্ৰেণীৰ সাহিত্যৰ চানেকী। ইয়াত সাহিত্যৰ নৱৰস বৰ্তমান। ইয়াৰ ভাষা অতি প্ৰাঞ্জল আৰু সৰল। একেখন গ্ৰন্থতে ইমান উচ্চখাপৰ সাহিত্য আৰু ইমানবিলাক ধৰ্মমূলক উপদেশ থকা কিতাপ ভাৰতীয় অন্য ভাষাত পোৱাটো অতি বিৰল। ইয়াৰ অসাধাৰণ ভাষা আৰু সাহিত্যিক সৌন্দৰ্য থকা কেইটামান শাৰী তলত তুলি দিয়া হ'ল —



"সত্যযুগে প্ৰথমত ব্ৰহ্মা আদি দেৱ যত
হৰি নাম কৰিলা গুপুত।
কিনো দয়াময় হৰি নামত বেকত কৰি
কলি পাপ কৰিলা লুপুত॥"

আকৌ—

তন্ত্ৰ মন্ত্ৰ যজ্ঞ যত তপ তীৰ্থ কোটি শত
হৰিনাম অধিক সবাতে
কিনো ভাগ্য কিনো ভাগ্য হেন হৰি নাম লগে
পাৰিলা লোক মুকুতি সাক্ষাতে"॥

ইত্যাদি বৰ্ণনা বিলাকত তেখেতে নাম ধৰ্মকে প্ৰচাৰ কৰিছে। আজি অসমত এনে এজন কবি সাহিত্যিক নাই যি কীৰ্তনৰ ওচৰত ধৰুৱা নহয়। আজি পাঁচশ বছৰৰ আগতে মহাপুৰুষ শংকৰদেৱে কীৰ্তনৰ দৰে মহৎ গ্ৰন্থ প্ৰণয়ন কৰি থৈ নোযোৱা হলে অসমীয়া সাহিত্যই আজি এনে এটা অৱস্থাত উপনীত হব নোৱাৰিলেহেতেন।

মহাপুৰুষ শংকৰদেৱ সংস্কৃত সাহিত্যত অগাধ পণ্ডিত আছিল। মূল সংস্কৃত ভাগৱতৰ পৰা অনুবাদ কৰি ভাগৱত কাব্য তেখেতে ৰচনা কৰে। অনুবাদ হলেও ইয়াক মূল পুথি যেন লাগে। কাৰণ অনুবাদ অতি শুৱলা আৰু মূলৰ লগত সঙ্গতি ৰাখি ৰচনা কৰা। ইয়াৰ দশম স্কন্ধই তেখেতৰ সাহিত্য সৌন্দৰ্যৰ পৰিচয় দিয়া পুথি। ভাগৱত অনুবাদ কৰাত শ্ৰীশংকৰদেৱৰ পাণ্ডিত্য প্ৰকাশ পাইছে। ইয়াৰ উপৰিও সংস্কৃতৰ পৰা অন্য বহুতো গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি অসমীয়া কাব্য সাহিত্যৰ ভড়াল চহকী কৰি থৈ গ'ল।

সংস্কৃতৰ পৰা অনুবাদ কৰা পুথিৰ ভিতৰত ভাগৱতৰ ওপৰত উল্লেখ কৰা স্কন্ধকেইটা অনাদি পাতন, অজামিলৰ উপাখ্যান আদিয়েই প্ৰধান, ৰুক্মিনী হৰণ কাব্য, বলিছলন, অনাদি পাতন, হৰিশ্চন্দ্ৰ উপাখ্যান, উত্তৰাকাণ্ড ৰামায়ণ, গুণমালা, ভটিমা আদি ৰচিত অন্য-বিলাক কাব্য পুথিও সাহিত্যৰ নৱৰসেৰে টুপটুপীয়া হৈ আছে।

## এটি ক্ষণ

কুন্তলা বৰুৱা
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

অশ্ৰু বন্যাৰ ঢৌৱে জীৱন উপকূলটোত মোৰ
তুলিলেহি বান।
স্বপ্নাতুৰ মনে মাথো উকা জুই খেদি
বিচাৰি ফুৰিছে
তাহানিৰ সবুজ চঞ্চল মনৰ বননিডৰাত
শ্ৰাৱণী বাৰ্থা নোহোৱা এটি সোণালী ক্ষণ
অনেক মৰম, অনেক জোনালী নিশাত
উজাগৰে থাকি মন ফাগুনত ৰঙীণ কৰা ইচ্ছা
আজি মোৰ ভৱিষ্যতৰ উজ্বল পথটোত
কি যে নিৰাশাৰ বেদনাৰ অশ্ৰুবন্যাত
কোবাল জাঁজি।
খিল খিল হাঁহিৰ চিঞ্চনীয়ে
কঢ়িয়াই লৈ আহিছে মনলৈ
এযুগৰ মিছা ইতিহাসৰ ক্ৰন্দন ধ্বনি।
মই বন্দী মাথো মোৰ মনৰ পিঞ্জৰাত
চিন্তাৰ।

---



## দিবা স্বপ্ন

অধ্যাপক ৰেৱকান্ত বড়া

চাইকেলখনৰ চকা কেইটাৰ তুলনাত মোৰ মনটো কেইবা গুণো বেছিকৈ ঘূৰিছে। বহুত সময় চাইকেল কোবেৰে কৰাত ভাগৰ লগাতহে মামাৰ লগত প্ৰথমে কৰা প্ৰতিশ্ৰুতিৰ কথা মনত পৰিল। মামাৰ কথা মতেই প্ৰথমতে লাহে লাহেই আহিছিলো। কিন্তু কেতিয়া চাইকেলৰ কোব চৰিল কব নোৱাৰিলো। মামাই সাৱধান কৰি কোৱা কথাষাৰ "সোন্তি লাহে লাহে চলাবা। মই বুঢ়া মানুহ, তোমালোকৰ নিচিনাকৈ চলাব নোৱাৰো" অলপ দূৰলৈকেহে মানি আহিলো হবলা পাচলৈ এবাৰ ঘূৰি চাম নেকি ········। ডাঙৰ মামা বোধ হয় ফোঁপাইছে। ধেৎতেৰি কি ৰকম কমজোৰি মানুহটোৰ লগত আহিলো ······ নাভাবো বুলি থাকিলেও মোৰ মনটোক মই দমাই ৰাখিব পৰা নাই। চাইকেলখনতকৈ বহুতদূৰ আগবাঢ়ি মনটোৱে কেনোবা এটা পহুলি সোনকালে পোৱাগৈৰ কথা মূহুৰ্তে মূহুৰ্ত্তে আওঁৰাইছে। সেই পহুলিটো পাবলৈ আৰু বাৰু কিমান দূৰ আছে? ঘৰত কৈছিল যাওঁতে বাটত ডুখন দলং আৰু তাৰ সিপাৰে এটা পকা পুল। পুলটোৰ পৰা প্ৰায় তিনি ফাৰ্লং গৈয়ে বাওঁহাতে এটা সৰু বাটেৰে সোমাই যাব লাগিব। আলিৰ পৰা পাঁচোটা নে কিমান পহুলি পাৰ হৈয়ে পৰিকল্পিত পহুলিটো —দীঘলীয়া দুয়োফালে ডুশাৰী তামোল গছ, পুলি পুলি।

ইয়াৰ পৰা বাৰু পুলটোলৈ কিমান দূৰ হব? ঘৰৰ পৰা টাউনলৈ পাঁচ মাইল। প্ৰথম ডুমাইল মামাৰ লগত একেলগে আহিলো, ভাল নালাগিল। কিবা এটা লাজ লাজ ভাব মনলৈ আহিছিল। কেতিয়া মামাক এৰি থৈ আহি টাউনখন পালোহি কবই নোৱাৰিলো। মনিহাৰি মালৰ দোকানখনৰ মুখত নামিহে গম পালো যে মামাক বহু দূৰতে এৰি আহিছো। হওঁতে ভালেই লাগিল। মামাৰ অনুপস্থিতিতে ডুই এটা কাম কৰি লব লাগিব। দোকানীক খুজি এটা কস্তুৰি চেণ্টৰ বটল কিনিলো। অলপ এদতীয়া হৈ কাৰো চকুত নপৰাকৈ ইস্ত্ৰী কৰা চোলাটোত ডুটোপাল মান চতিয়াই ললো। গোন্ধত চাৰিওফালে মলমলাই গ'ল। ভাল লাগিল মনটো। ওচৰৰ চেলুনখনলৈ গৈ আয়নাখন ভাললৈ চাই ললো— চুলিকোচা অলপ খেলি মেলি — জেপৰ পৰা

ফনীখন উলিয়াই ভালদৰে ফনীয়াই ললো। ভাবিলো কপালৰ আগলৈ তুডালমান চুলি পেলাই দি কৰ্মব্যস্ততাৰ চিনাকিটো দিম নেকি ? নাই নালাগে তাক কৰি ফিল্ম অভিনেতা হবলৈ মন নগল। ঘাম মোচোতে ঘামৰ লগত পাউদাৰ সকলো গ'ল। হওঁতে জেপতে অকনমান টোপোলা পাতি আনিছো। অলপ উলিয়াই ঘহি ললো, মুখ খন উজ্জল লাগিল। আজি কেইবাদিনৰ পৰা উঠাই দিবলৈ চেষ্টা কৰা সালমইনাৰ দাগ কেইটা সম্পূৰ্ণ মোচ নগৈ জিলিকি থকাতহে মনটো ভাল নালাগিল।

অ' সৌখন দলং পালোহিয়েই। তেনেহলে টাউনৰ পৰা চাৰিমাইল বাট আহিলোৱেই নেকি ? ইখন দলঙলৈ ইয়াৰ পৰা প্ৰায় তিনিমাইল ; মুঠতে আৰু চাৰিমাইল বাট চাইকেল কৰিব লাগিব তাৰ পাছত ·· ···। তাৰ পাচত···· ··। সিডোখৰ ভাবিবলৈকে ভয় লাগে। পাচলৈ এবাৰ ঘূৰি চালো। মামাই মোৰ পৰা প্ৰায় আঢ়ৈ ফাল'ং মান পাচত হেলো-হৈছো কৰি চাইকেলৰ পেদেল ঘূৰাইছে হে ঘূৰাইছে। কি মানুহটোৰ লগত আজি মোৰ সঙ্গ হ'ল ছেঃ। পদুমটোকে লৈ অহা হলে······। বেচেৰাই বৰ আশা কৰি আছিল মোৰ লগত আহিবলৈ। তাক লৈ অহা হলেই ভাল আছিল অন্ততঃ এতিয়াই আকাঙ্খিত জনৰ লগতনো কেনেকুৱা কথা, কেনেকৈ পাতিম তাৰে এটা আখৰা বাটে বাটে কৰি যাব পাৰিলো হেঁতেন। সি থকা হলে আলহীৰ ঘৰত নিশ্চয় কিছু কথা পাতিব পাৰিলোহেঁতেন। মামালৈ অলপ ৰোৱাৰ কথা ভাবিলো, নাই নৰওঁ। মামাৰ লগে লগে চাইকেল চলাবলৈ লাজহে লাগিব। আৰু বিশেষ কথা একেলগে গৈ থাকিলে কিবা এষাৰটো পাতিবই লাগিব। কি পাতিম ? নিশ্চয় আলহী ঘৰৰ কথাকে উলিয়াব। ভালেই লাগিব হওঁতে। কিন্তু লাজ লাগিব। ধেৎ মোমাই ভাগীনৰ সম্বন্ধ ·· ··। এইদৰে গৈ থকাই ভাল। তথাপিতো মানুহ ঘৰৰ ওচৰত মামাক মই অনুসৰণ কৰিব লাগিব। নহলে অচিনাকী আলহীৰ ঘৰ বিচাৰি উলিওৱা মোৰ পক্ষে কষ্টসাধ্য। আৰু তাৰ লগে লগে মান-সন্মানৰ কথাও চিন্তা কৰিব লাগিব। ৰদ প্ৰখৰ, গৰম উঠিছে—ঘামিছো। কমালখন উলিয়াই মোচো মোচো বোলাতেই ঘপ কৰে মনত পৰিল, কমালেৰে টুকি আনিব লাগিব আনিলো। পুনৰ ঘপ কৰে মনত পৰিল কমালখনত চেণ্ট অকনমান দিবলৈ নহল — দিব লাগিব।

আলহীৰ ঘৰত মামাৰ সাক্ষাতেই মই বাৰু কেনেকৈ কথা পাতিম। বিশেষকৈ মই যেতিয়া এগৰাকী তৰুণীৰ লগত·········। কথাবোৰ ভাবিবলৈকে টান লাগে। আলহীৰ ঘৰ পোৱাৰ লগে লগে মোক এটা অজ্ঞান লাজ ভয় সংকোচ মিহলি ভাবে বৰ জুলুম দিবহি। কোৱা শুনিছো মানুহ ঘৰত হেনো মানুহৰ সংখ্যা বহুত। কেইবাটাও পৰিয়াল একে লগে লগ লাগি আছে। ল'ৰা-ছোৱালীও বোলে এবাহ। সিহঁতলৈ··· সিহঁতৰ মন ভুলাবলৈ বিস্কুটৰ পেকেট আনিবলৈ পাহৰি নগলো — আনিছো। এইয়া চাইকেলৰ হেণ্ডেলডালতে অনা মোনাটো। তাতে ভৰাই অনা তেলৰ বটল, স্নো, পাউদাৰ আদিবোৰ আছে নে নাই ? সেপিয়াই চালো। ঠিকেই আছে।

আমি গৈ পোৱাৰ লগে লগেই কোনোবা এজনে আমাক আগবঢ়াই নিবহি। কোনোবা এটা কমত আমাক আথেবেথে বহিবলৈ দিব। বহিম। বহাৰ আগতে চকিখন লৰাই লম,— নিয়ম। অলপ বেলি বহাৰ পাচতে আমি বহুত মানুহক চিনাকি দিবলগীয়া হব। প্ৰত্যেকৰে লগত চিনাকি হোৱাৰ পাচতে চকিৰ পৰা উঠি নমস্কাৰ দিব লাগিব। তেখেতসকলেও বোধহয় প্ৰতি নমস্কাৰ দিব। তাৰ পাচত আহিব কথাৰ ফেকেলা। মই বৰ বেছিকৈ কথা কলে ভাল নহব। গতিকে আৱশ্যকীয় কথাৰ বাদে মই বেছি কথাৰ অৱতাৰণা নকৰো। অগত্যা পাতিবলগীয়া হলে মামাই পাতিব। মামাক কথাষাৰ কব লাগিব। তামোলৰ বঁটা এটা লৈ আথেবেথে কোনোবা এগৰাকী ওলাই আহিব। এখেতে যে কিবা এটা সুধিব মানে নাই। উত্তৰটো ভালদৰে জুখিমাখি দিব লাগিব। মোক বাৰু তেখেতসকলে কি বুলি সম্বোধন কৰিব ? নিশ্চয় 'বোপা' বুলিব, অন্যনো কি আছে। আৰু মই কি বুলিম—বুঢ়ী হলে আইতা আৰু বুঢ়ী নহলে ··· ··· ? তাৰ পাচত আহিব চাহৰ পৰ্ব। মানুহে মানুহক খোৱা-বোৱাতো চায়। সাৱধান হম।

তাৰ পাচত কথাৰ ধাৰাটো অন্যগতিত আগবাঢ়িব। মোৰ সেই সময়ত প্ৰথমতে বৰ লাজ লাগিব। ছিঃ কিমান লাজৰ কথা অচিনাকি এঘৰত কোনোবা কেইজনমান বয়সস্থ লোকৰ আগত মোৰ সাক্ষাতে মোৰ প্ৰশংসা। প্ৰত্যক্ষভাবে তেখেতসকলৰ কথাত মোৰ জীৱিকা, মোৰ প্ৰতিষ্ঠাৰ কথা নোলাই যদিও পৰোক্ষভাবে তাৰ ইঙ্গিত পাম। উত্তৰবোৰ দিম খু উ-ব নৰম সুৰত। আলহীৰ ঘৰত সোমোৱাৰ প্ৰথমৰে পৰা মোৰ এটা ধাৰণা হব যেন মোক কোনোবাই লুকাই লুকাই আঁৰচকুৰে বেৰ তুৱাৰৰ সুৰুঙাই জুমি জুমি চাইছে। চাওক দিয়া ;ময়ো চাম। মোকো চাওক, খোজ কাটল দিয়াত গাম্ভীৰ্যতা ফুটাই তুলিবলৈ চেষ্টা কৰিম। বহি থাকোতে মাজে মাজে জেপত লৈ অহা লং ডালচেনিৰ টুকুৰা দুই এটা মুখত ভৰাই চোবাই থাকিব লাগিব ( আগৰ এনে অভ্যাস নাই যদিও )। কোনোবা এটা ক্ষণত আমাক ভিতৰলৈ মাতি নিব। যাম। বোধকৰো ঘৰৰ গিৰিহঁত এজনে আমাক বাট দেখুৱাই লৈ যাব। ভিতৰলৈ যাওঁতে কোনোবাই মোক আৰ চকুৰে চোৱাৰ অনুভব কৰিম। ভালেই লাগিব। সাৱধান হম। কোনোবা এটা কমত আমাক বহিবলৈ চৰা পাৰি দিব। —বহিম। বহাৰ আগতে চৰাখন অলপ লৰাই বহিম—নিয়ম। সময় আগবঢ়াৰ লগে লগে আমাৰ খোৱা বোৱা শেষ হৈ যাব। ভিতৰৰ পৰা কোনোবা এগৰাকী ওলাই আহি কব—'বোপা বহা, তামোল খোৱা।' কথাষাৰৰ অৰ্থ বুজি মামা সহ গিৰিহত জন ওলাই যাব। মই হম অকল-

শৰীয়া। অজান আনন্দ, ভয় আৰু লাজ, সঙ্কোচ মিহলি ভাব এটাই বৰ বেছিকৈ জুমুৰি দিবহি। এটা ক্ষণ— জীৱনটোকেই জুখি চোৱাৰ এটা ক্ষণ। পাচফালে কোনোবা থিয় হৈ থকাৰ উমান পাম। "তামোল খাওক।" "বাৰু" বৰ জোৰ দিয়াতহে যেন মাতষাৰ ওলাই আহিব। অলপ সহজ আৰু গহীন হব লাগিব। কেইবাটাও মূহুৰ্ত এনেয়ে যাব। মাত বোল নাই কাৰোৱেই। বৰ নিজান আৰু অস্বস্তিকৰ পৰিৱেশ এটাৰ সৃষ্টি হব—ভাল নালাগিব। কম—"পাচফালৰ পৰা মানুহে কথা নাপাতে নহয়—তোমাৰ নামটো কি?" নামটো জানো যদিও তাকে নুসুধি আৰুনো কি সুধিম। মোকো বোধ হয় দুই এটা প্ৰশ্ন কৰিব। উত্তৰ দি যাম কথা কম লেখি লেখি। মোক এবাৰকে নুসুধিলে কম—"মোক সুধিব লগা তোমাৰ একো নাই নেকি?"—লাজত ৰঙা পৰি যাব। কথাৰ মাজতে মইনো ইয়ালৈ কিয় আহিব লগা হ'ল জানে নে—সুধিম। কথাষাৰৰ উত্তৰ দিবলৈ গৈ তেওঁৰ মুখৰ মাত হেৰাব—উত্তৰ দিব নতু নিদিব। কোনোবাই যেন দুৱাৰৰ সিপাৰৰ পৰা আমাৰ কথাবোৰ শুনি আছে অনুমান হব। মাজতে ঘৰটো দোঁখাই যাব। কথা এটা মনলৈ—আহিব ইমান পৰে কোনোবা এটা অশৰীৰিৰ লগতহে কথা পাতিছো। মানুহজনীনো কোন চোৱা হোৱাই নাই। মনলৈ এটা আৰু মনোবল আনি তেওঁক আগলৈ আহিবলৈ কম; আহিব। পোন চাতেই তেওঁৰ মুখখনলৈ চোৱাৰ সাহস মোৰ নাই। মেখেলাৰ পাতলিৰে ঢাক খাও নাখাওকৈ থকা পোহাল পোহাল ভৰিৰ আঙুলি কেইটা দেখিম। মোৰ এই দুৰ্বলতা পায়েই তেওঁ গোটেই মানুহটো চাই লব হেঁপাহ পলুৱাই। মোৰ চকু লাহে লাহে উদ্ধগতিত আগ বাঢ়িব— ককাল, বুকু, শেষত মুখমণ্ডল। চকুৰে চকুৰে পৰাত বোধ হয় লাজতে যেন তেওঁ নিলাজি বনৰ দৰে জয় পৰি যাব। লাজতে যেন ওলাই লৰ মাৰিব। ভৰিৰ আঙুলিৰে ঠাই-ডোখৰতে লিৰিকি বিদাৰি থাকিব। কোনো কথা নোকোৱাকৈ বহুত কথা যেন পাতি পেলালো। ভিতৰৰ পৰা আৰু দুগৰাকীমান মানুহ আহি মোক ব্যতিব্যস্ত কৰি তুলিব। অজানিতে মোৰ হাতে জেপৰ পৰা আঙঠিটো উলিয়াই আনিব। তেওঁক বহিবলৈ কম। হাতখন আগবঢ়াই নি তেওঁৰ আঙুলি এটা ধৰিম। বোধহয় এইবোৰ কাম কৰোতে মোৰ কৰ্তব্য জ্ঞানৰ বান্ধোনত নিজকে ৰাখিব নোৱাৰিম। ওচৰত থকা কেইগৰাকীয়ে এজোৰ লোকা উৰুলি দি ভিতৰখন মুখৰিত কৰি দিব। বাহিৰত মামাই বাৰু কি ভাবিব?

"সোন্ত হেৰ - অ' সোন্তি আৰুনো কিমান গ থাকগৈ। ঘৰ বহুততে থাকি আহিল। ঘূৰি আহ।" ঘপকৰে পাচ ফালে মুখ কৰি চালো, মামাই কথাকেইষাৰ মোকে কৈছে। বৰ লাজ লাগিল। মই ভাবি অহা কথাবোৰ মামাই বাৰু শুনিলে নেকি....উঃ কি হল—। ঘূৰি আহিলো; মামাৰ পাচ ধৰিলো। আমলখি গছ জোপাৰ তলেদি মামা সোমাই গ'ল— মইয়ো গলো। অলপ দূৰ গৈহে মামা নামি পৰিল— তদৰূপ কৰিলো। নঙলা-



ডাল পাৰ হওঁতে ঘটক কৰে এটা শব্দ হল। লক্ষ্য কৰিলো সৰু সৰু ছোৱালী দুজনী আগৰ ঘৰটোৰ পৰা ভিতৰলৈ লৰ মাৰিলে। চাইকেলখন চোতালতে থিয় কৰাই সোমাই গলো। নিৰ্দেশ দিয়া মতেই বহিলো। বিচনী দুখন কোনোবাই আনি দিলে। গাটো শাঁত লগাই ললো। লাহে লাহে চৰবট, তামোল, চাহৰ শৰাধ কৰিলো। মাজে মাজে কথা পাতিছো। উত্তৰবোৰ দিছো যিমান প্যাৰো দুই এটা কথাৰেই; প্ৰশ্নবোৰৰ মোখনি মাৰি গৈছো।

এটা সময়ত ভিতৰলৈ উঠি গলো। বাটত যাওঁতে দুৱাৰ চুকৰ পৰা, বেৰৰ সিপাৰৰ পৰা কোনোবাই উচপিচ কৰাৰ ভাব এটা মনলৈ আহিল। গিৰিহঁতৰ নিৰ্দেশ মতেই বহিলো। খাই থাকোতে ভাৱিলো আৰু অলপ সময়ৰ পাছতে ভিতৰৰ পৰা কোনোবা এগৰাকী আহি মোক ইয়াতে বহিবলৈ কব— কথা হোৱাৰ মতলব। মামাই কথাটো জানি উঠি যাব—বাহিৰত বহিবগৈ। মোৰ অনুপস্থিতিত মামাৰ লগত গিৰিহঁতে মোৰ কথাতেই বাহিৰৰ ঘৰত কথা পাতিবগৈ। মোক অকলে পাই ঘৰৰ জিয়ৰী কেইগৰাকী মোৰ কাষলৈ চাপি আহি মোক ব্যতিব্যস্ত কৰি তুলিব বাক্‌ বিতণ্ডাৰে।

"আজিয়েই যে আপোনালোক আহিব আমাৰ মনে ঘৰেই নাছিল। আমি ভাবিছিলো অহা দেওবাৰেহে আপোনালোক আহিব বুলি আৰু সেইদৰে খবৰো দিছিলো। খবৰ দিওঁতাজনেই এনে কৰিলে নে কিয়েই। আমি এতিয়া চিন্তাতহে পৰিছো। আজৰিৰ দিন— বোৱাৰী এগৰাকীৰ বাদে আন সকলো ঘৰত মিতিৰ খাবলৈ গৈছে। হওঁতে ছোৱালী আছে— কিন্তু কি হব। তেওঁ বৰ্ত্তমান আপোনালোকৰ আগলৈ ওলাব নোৱাৰে। আমি পৰম দুঃখীত যে আপোনালোকক এতিয়া আমি ছোৱলী দেখুৱাব নোৱাৰিলো। ছোৱালী গা ধোৱাৰ দিন। মাকো গল ঘৰলৈ! আপোনালোক অহা গম পাই ওচৰৰ ছোৱালী এজনী নিজে আহি কিবা কিবি কৰি দিছে।" কথাবোৰ কওঁতে যেন বহুত বেলি কৰিছে তেওঁ, এনে লাগিল মোৰ। ছোৱালীয়ে নোৱাৰে বুলি কোৱাৰ লগে লগে যেন দুৱাৰৰ আঁৰৰ পৰা কোনোবা আঁতৰি গৈছে। কথাবোৰ শুনাৰ ধৈৰ্য মোৰ নাছিল। কোনোমতে নিজকে সংযত কৰি বহি আছিলো কিছু বেলি।

উঠি আহি পুনৰ আগৰ ৰুমটোতে বহিলো কিছু বেলি। নিজকে বৰ সৰু সৰু যেন লাগিল। তামোলৰ বটাৰ পৰা তামোল এখন মুখত ভৰালো। বেছি বেলি বহি থাকিব লগীয়া আমাৰ নহল।

"আপোনালোকে মনত একো এটা অসন্তোষৰ ভাব লৈ নাযাব। আপোনালোক আহিব নালাগে। ৰবক দেখিলোৱেই, ঘৰহে চাব লাগে। অহা দেওবাৰে আমাৰে কোনোবা যাম। তেতিয়া আপোনালোক কোন দিনা আহিব লাগে কৈ আহিম।"

মোৰ নিজকে এটা আচামীৰ দৰে লাগিল। আজি সোধৰ দিন আছিল— সোধ নহ'ল দিন হ'ল। পাচত চমন্ পঠাব। চমনৰ মতে পুনৰ আহি হাজিৰ হ'বহি লাগিব। আৰু এক মুহূৰ্ত্তও মোৰ বহি থকাৰ ধৈৰ্য নাছিল! মামাক কলো— "উঠা যাও" গিৰিহঁতজনলৈ ইঙ্গিত কৰি কলো— "আমি এতিয়া যাওঁহে; আপোনা-লোক যাব বা নাযাব আমি সোনকালে খবৰ পঠাম।" নমস্কাৰ দিবৰ মন নগৈছিল— ভদ্ৰতাৰ খাটিৰত দিলো। কিন্তু ক'তা গিৰি-হতে নাজানেই নে গৰ্বতে প্ৰতিনমস্কাৰ নজনালে। মামাৰ বোধহয় আৰু অলপ বহি কথা পতাৰ মতলব আছিল। গিৰিস্ কৰে মই চকিৰ পৰা উঠি সোনকালে বাহিৰ পালোহি। চোতালত থিয় হৈ থকা চাইকেলখন লবলৈ যাওঁতে মন কৰিলো দুৱাৰৰ আঁৰৰ পৰা দুজনীমান মাইকী মানুহে মোক লক্ষ্য কৰিছে। খোজৰ গম্ভীৰতা ফুটাই তোলাৰ প্ৰয়োজনীয়তা বোধ নকৰিলো। মামাই কি কৰিছে মন নকৰি চোতালৰ মাজতে চাইকেলত জাপ মাৰিলো। কাকো মাত মাতিবলৈ নাপালো, ইচ্ছাও নগ'ল।

বাটত মামাই সুধিছিল— "মানুহঘৰ এনেয়ে বৰ বেয়া নালাগিল— সকলোবিলাক কৰ্মী মানুহ যেনেই লাগিল। ঘৰ-বাৰীবোৰ চাই তোমাৰ কেনে লাগিল সোন্ত?" — "মামা, বিয়া পতাৰ যদি একান্ত ইচ্ছা আছে তেন্তে অন্যফালে তুমিয়েই বিচাৰ কৰা। তোমাৰ পচন্দই মোৰ পচন্দ। কিন্তু মনত ৰাখিবা ভুলতো যাতে এই ফালে মূৰ নকৰা। ধন সম্পত্তি থাকিলেই মানুহ নহয়। বিয়া পাতিব লগীয়া হলে মানুহৰ লগত পাতিম— ধনৰ লগত নহয়।" মোখনি মাৰি পেলালো একেষাৰেই মামাৰ কথাবোৰৰ। চাইকেলৰ হেণ্ডেলত ওলমি থকা মোনাটোত সকলোবোৰ বস্তু আছেনে নাই সেপিয়াই চালো— আছে। ক'তো একো হানি বিঘিনি নাই। সজোৰে ৰে পেদেল ঘূৰালো— সূৰ্যটোৱে দিগবলয় চুবলৈ আৰু চাৰি নলমানহে বাকী।



কবিতা

# প্ৰত্যাৱৰ্তন

শ্ৰীসৰ্বানন্দ বড়া
স্নাত মহলা ১ম বাৰ্ষিক

মোৰ সমুদ্ৰৰ ওপৰেদি
পাৰ হৈ গ'ল—
এচাটি প্ৰচণ্ড, গধুৰ ধুমুহা
স্বাচ্ছত শ্ৰান্ত হৈ থকা
মোৰ গভীৰ সমুদ্ৰখন
হঠাতে —
গুজৰি গুমৰি উঠিল
এক অজান উত্তেজনাত।
মোৰ জীৱন সমুদ্ৰত উদাত্ত হৈ
নাচি বাগি উঠা
( ঘাট প্ৰতিঘাটৰ ) তৰঙ্গবোৰে
মোৰ জীৱনত
এটা নতুন সুৰ পেলালে
যত বিচাৰি পালো
এটা উজ্বল মাণিক
যাৰ কোমল স্নিগ্ধ পোহৰত
চিকি মিকিকৈ দেখা পালো
মোৰ জীৱনৰ পাথেয়।

# প্ৰতিশ্ৰুতি

অনিমা গোহাঁই
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক।

সময়ৰ প্ৰহেলিকা ভেদি
ঘূৰি চাই দেখো
বহু অপযশৰে পূৰ্ণ মোৰ সত্বা
শিয়ঁৰি উঠো গভীৰ আতংকত।
মোৰ অস্তিত্বৰ মাজত খেপিয়াই চাওঁ
তোমাৰ প্ৰতিশ্ৰুতিৰ উত্তৰ—
অতীত আৰু বৰ্তমানৰ স্বাক্ষৰ।
যেয়ে ভাল পাওঁ মই
সৃষ্টিৰ আদিম
সৃষ্টিৰ যত আজি প্ৰতিশ্ৰুতি আছে
তাত আছে যুক্তিৰ অৱকাশ।

## ( আলোচনা )

# শিক্ষানুষ্ঠানত খেল ধেমালিৰ আৱশ্যকতা

ডিম্বেশ্বৰী গগৈ
স্নাতক মহলা ২য় বাৰ্ষিক কলা।

খেল-ধেমালী শিক্ষাৰ এটা অপৰিহাৰ্য অঙ্গ। গতিকে খেলা-ধূলাক বাদ দি এখন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ গলে নাইবা শিক্ষাৰ ব্যৱস্থা কৰিবলৈ গলে সেই শিক্ষা হব বিকলাঙ্গ। বিদ্যালয়ৰ চাৰিবেৰৰ মাজত আৱদ্ধ থাকি আয়ত্ব কৰা শিক্ষাই প্ৰকৃত শিক্ষা নহয়। আজিৰ যুগত অকল বিদ্যালয়ৰ চাৰিবেৰৰ মাজত ছাত্ৰ-ছাত্ৰীক আৱদ্ধ কৰি শিক্ষাদান দিবলৈ গলে শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ পৰা আতৰি অহা হব। কিয়নো আজি শিক্ষা হৈছে বহুমূখী। প্ৰত্যেক ব্যক্তিৰ ভিতৰত কিছুমান অন্তৰ্নিহিত গুণ সুপ্ত অৱস্থাত আছে। শিক্ষাৰ প্ৰধান উদ্দেশ্য আৰু লক্ষ্য হল ব্যক্তিৰ ভিতৰত সুপ্ত হৈ থকা গুণবিলাক জাগ্ৰত কৰি দি উন্নত জীৱন যাপন কৰিবৰ বাবে সুবিধা কৰি দিয়া।

কেৱল পাঠ্যপুথি অধ্যয়ন কৰিলেই আমাৰ মানসিক আৰু শাৰীৰিক গুণবোৰৰ কেতিয়াও বিকাশ সাধন কৰিব নোৱাৰি। খেল-ধেমালীয়ে প্ৰত্যক্ষ ভাবে নহলেও পৰোক্ষ ভাবে এই গুণৰাশিৰ বিকাশ আৰু প্ৰসাৰ লাভত বহু পৰিমানে সহায় কৰে। কিয়নো খেল ধেমালীৰ যোগেদি শিশুৰ অভিব্যক্তি স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পায়। খেলে মনত আনন্দ যোগায়। এই আনন্দ অকৃত্ৰিম। ই মনলৈ আত্ম-তুষ্টিৰ ভাৱ আনে। এই তুষ্টি লাভেই খেলৰ উদ্দেশ্য। তদুপৰি খেলে শৰীৰৰ পূৰ্ণ বিকাশ সাধন কাৰ্যত বহু পৰিমানে সহায় কৰে।

শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত আৱদ্ধ থাকি গোটেই দিনটো পঢ়াতেই ব্যস্ত থাকিলে মনলৈ আহি পৰে অৱসাদ আৰু শৰীৰ তথা মন হৈ পৰে দুৰ্বল আৰু ৰোগগ্ৰস্ত। ৰোগ-গ্ৰস্ত দুৰ্বল এটা মন লৈ অধ্যয়নত মনোনিবেশ কৰিলে কোনো ফল নধৰে, বৰঞ্চ ইয়াৰ দ্বাৰা যথেষ্ট ক্ষতি হোৱাৰহে সম্ভাৱনা। কিয়নো ৰোগগ্ৰস্ত এটা শৰীৰ লৈ শিক্ষা আয়ত্ব কৰিবলৈ যোৱা মানেই নিজৰ শৰীৰটোক বেছিকৈ কষ্ট দিয়া। এনে দুৰ্বল মনেৰে কোনো শিক্ষাই ভালদৰে আয়ত্ব কৰাটো সম্ভৱপৰ নহয়।

শিক্ষা আয়ত্ব কৰিবলৈ হলে প্ৰথমে শৰীৰটোক সুস্থ আৰু সবল কৰি তুলিব লাগিব। অসমীয়াত এটা কথা আছে—'দেহা থাকিলেহে বেহা'। গতিকে শৰীৰটো যদি সুস্থ-সবল তথা ৰোগমুক্ত নহয় তেন্তে জীৱনৰ প্ৰতিখোজতেই পৰাজয় অনিবাৰ্য। সেয়ে আমি প্ৰথমে শৰীৰৰ উৎকৰ্ষ সাধন কৰি লব লাগিব। শৰীৰৰ উৎকৰ্ষ হলেহে মানসিক উৎকৰ্ষ সাধন হব। কিয়নো শৰীৰ আৰু মনৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে। সুস্থ মনৰ অধিকাৰী নহলে কোনো ব্যক্তিয়েই সুস্থ মৌলিক চিন্তাধাৰাত মনোনিবেশ কৰিব নোৱাৰে। গতিকে শৰীৰৰ উৎকৰ্ষ সাধন আৰু সুস্থ মনৰ গৰাকী হবলৈ হলে শৰীৰৰ বিভিন্ন অঙ্গ প্ৰত্যঙ্গবিলাকৰ পৰিচালনা কৰিব লাগিব। শৰীৰৰ এই অঙ্গ প্ৰত্যঙ্গবিলাকৰ পৰিচালনা হয় বিভিন্ন ধৰণৰ খেলা ধূলাৰ যোগেদিহে।

মানসিক পৰিশ্ৰমৰ পিচত শিক্ষাৰ্থীৰ মনলৈ আহি পৰে অৱসাদ আৰু শৰীৰটো হৈ পৰে দুৰ্বল। দুৰ্বল শৰীৰ আৰু অৱসাদগ্ৰস্ত মন লৈ পঢ়া টেবুলৰ কাষ চাপি গলেও পাঠ ভালদৰে আয়ত্ত কৰিব নোৱাৰি। ফলত টোপনিয়ে হেঁচি ধৰে। গতিকে শৰীৰটোক সবল কৰি ৰাখিবলৈ প্ৰয়োজন খেলা-ধূলাৰ। অধ্যয়নৰ মাজে মাজে যদি খেল ধেমালীৰ ব্যৱস্থা কৰা হয় তেতিয়াহলে মানসিক পৰিশ্ৰম কমি যাব পাৰে। কাৰণ খেল-ধেমালীয়ে মনত আনন্দ দিয়াৰ লগে লগে অঙ্গ প্ৰত্যঙ্গ বিলাককো সবল কৰি ৰাখে। ফলত শিক্ষাৰ্থীয়ে অধিক সময় অধ্যয়নত মনোনিবেশ কৰিব পাৰে। খেলা-ধূলাৰ অন্তত ৰাতি ভালদৰে টোপনি হয় আৰু পিচদিনাখনৰ কাৰণে মনলৈ এক নতুন বল আৰু উদ্যম আহে। অন্যহাতেদি যিবিলাক লৰা-ছোৱালীয়ে সময় আৰু সুবিধা অনুযায়ী খেলা-ধূলা নকৰে তেওঁলোকৰ মনৰ পৰা দুৰ্বলতা আৰু অৱসাদৰ ভাৱ কেতিয়াও আঁতৰি নাযায়। ফলত অধ্যয়নত ভালদৰে মনোযোগ দিব নোৱাৰে।

খেলা-ধূলাই যে কেৱল আমাৰ শৰীৰৰ অঙ্গ প্ৰত্যঙ্গৰ সবল পৰিচালনা কৰাতহে সহায় কৰে এনে নহয়। ইয়াৰ বাহিৰেও খেল-ধেমালীয়ে আমাৰ শৰীৰ সুশ্ৰী কৰি তোলে, ই আমাৰ শৰীৰক ৰোগৰ পৰা মুক্ত ৰাখি সৌষ্ঠৱ বৃদ্ধি কৰে, আমাক কৰি তোলে সুস্থ স্বাস্থ্যৰ গৰাকী। অন্যহাতেদি নিৰোগী মানুহ সদায় দৃঢ়মনা হয় আৰু সকলোবোৰ বাধা বিঘিনি অতিক্ৰম কৰি জীৱন যুদ্ধত জয়লাভ কৰি উন্নতিৰ পথত আগুৱাই যাব পাৰে।

মানুহ সমাজ প্ৰিয়। সমাজক বাদ দি কোনো মানুহেই একক জীৱন যাপন কৰিব নোৱাৰে। বিখ্যাত দাৰ্শনিক পণ্ডিত এৰিষ্টটলৰ ভাষাত কবলৈ গলে—'যদি কোনো এজন মানুহে সমাজ ভাল নাপায় তেন্তে তেওঁ হব লাগিব এজন ঈশ্বৰ নাইবা এক পশু।" গাই গুটীয়া প্ৰচেষ্টাৰে কোনেও সমাজৰ কল্যাণ সাধন কৰিব নোৱাৰে। সমাজৰ উন্নতিৰ কাৰণে সমূহীয়া চেষ্টাৰ প্ৰয়ো-

জন। কিয়নো কোনো এটা দলৰ জয়-পৰাজয় নিৰ্ভৰ কৰে দলগত প্ৰচেষ্টাৰ ওপৰত। একক প্ৰচেষ্টাৰ দ্বাৰা কোনেও নিজৰ দলক বিজয়ৰ বৰমাল্য পিন্ধাব নোৱাৰে। গোটেই দলটোৱেই এটা গোট হৈ বুজা পৰাৰ মনোভাৱেৰে খেলিব লাগে। খেলাৰ সময়ত মই বৰ ভাৱ আদি বিভিন্ন কু-মনোভাবক মনৰ পৰা পৰিত্যাগ কৰিব লগীয়া হয়। প্ৰত্যেকজন খেলুৱৈয়ে দলৰ মুখিয়ালজনৰ নিৰ্দেশ মানি চলিব লগীয়া হয়। সেয়েহে সৰুৰে পৰা খেলা-ধূলা কৰিবলৈ শিকা লৰা-ছোৱালীয়ে গাই গুটীয়া মনোভাব পৰিত্যাগ কৰি সমূহীয়া ভাবে কাম কৰিবলৈ শিকে, স্বাৰ্থ ত্যাগ কৰিবলৈ শিকে আৰু মান্যজনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকে। ইয়াৰ উপৰিও খেল-ধেমালীয়ে বুদ্ধি প্ৰসাৰণত সহায় কৰে। দুখ কষ্টক হাঁহিমুখে গ্ৰহণ কৰিবলৈ শিক্ষা দিয়ে। সেয়ে শিক্ষানুষ্ঠানবিলাকত, উদাহৰণ স্বৰূপে, মুকলি পথাৰত ফুটবল, ক্ৰিকেট, বেদমিন্টন, হকী, ভলিবল আৰু আৰু ঘৰৰ ভিতৰত কেৰম, লুডু, বিলিয়াৰ্ড, টেবুল টেনিচ, ডবা প্ৰভৃতি খেলাৰ ব্যৱস্থা থাকিব লাগে। এইবোৰ খেলা-ধূলাৰ মাধ্যমেদি ছাত্ৰই শাৰীৰিক উৎকৰ্ষ সাধন কৰাৰ মনোবৃত্তি, পৰস্পৰৰ প্ৰতি সহযোগৰ মনোভাব, নেতাৰ প্ৰতি আনুগত্য, নিয়মানুবৰ্তিতা আৰু সময়নিষ্ঠা ইত্যাদি নানা ভাব বিকাশ কৰিব পাৰে। এই কথা স্বীকাৰ্য যে জীৱনৰ উন্নতিৰ প্ৰতি খোজে খোজে এই গুণবোৰৰ আৱশ্যক। অকল শিক্ষাই এটা জাতি তথা এখন দেশৰ উন্নতিৰ পথ প্ৰদৰ্শক হব নোৱাৰে। আমি যদি অলপ বহল দৃষ্টি নিক্ষেপ কৰো তেতিয়া হলে দেখিবলৈ পাম যে জাপান, অষ্ট্ৰেলিয়া আদি দেশে খেল-ধেমালীৰ যোগেদিয়ে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে।

খেল-ধেমালী কেৱল মানৱ শিশুৰ ক্ষেত্ৰতে নহয়; জীৱজন্তু আৰু চৰাই-চিৰিকতিৰ ক্ষেত্ৰটো এটা স্বাভাৱিক প্ৰবৃত্তি। জি, এইচ, বেটছৰ কথাৰে কবলৈ গলে — "গুনগুনাই জাকপাতি ফুৰা মৌমাখি, খেলত ব্যস্ত হৈ থকা ভেড়া পোৱালি, দৌৰিফুৰা ঘোৰাপোৱালি, উৰি ফুৰা চাতক চৰাই, পগলাৰ দৰে জাকপাতি ফুৰা কুলি চৰাই— এই আতাইবোৰ ক্ৰীড়াৰ প্ৰতি থকা প্ৰাণী জগতৰ প্ৰবৃত্তিৰ উদাহৰণ।" সেয়েহে খেল-ধেমালী হল আভ্যন্তৰীণ সৃজন সত্তাৰ বাহ্যিক প্ৰকাশ।

বৰ্ত্তমান যুগটোৱেই হৈছে প্ৰতিযোগিতাৰ যুগ। জীৱনৰ বাটত আগবাঢ়ি যাওঁতে আমি প্ৰতি খোজে খোজে, প্ৰতি স্তৰে স্তৰে প্ৰতিযোগিতাৰ সন্মুখীন হব লগাত পৰিছো। প্ৰতিযোগিতাত যোগ্য ব্যক্তিৰহে স্থান। জীৱনৰ এই সংগ্ৰামত যি পূৰ্ণ প্ৰতিযোগিতা আগবঢ়াব নোৱাৰে তেওঁৰ বাবে জীৱনটো হৈ পৰে এক কঢ়িয়াব নোৱাৰা বোজা।

খেলা-ধূলাৰ সম্পৰ্কে মানুহৰ মনত এতিয়াও এক ভুল ধাৰণাই থিতাপি লৈ আছে। তেওঁলোকে ধাৰণা কৰে যে খেল-



ধেমালী আৰু শাৰীৰিক পৰিশ্ৰম দুয়োটাই একে বস্তু। এই শ্ৰেণীৰ মতে ছাত্ৰ-ছাত্ৰী সকলে খেল-ধেমালী কৰি অবাবতে সময় নষ্ট নকৰি যদি সেইখিনি সময় ঘৰুৱা কাম বনত সহায় কৰি দিয়ে, অভিভাৱক সকল কম বেছি পৰিমানে লাভবান হব পাৰিব। কিন্তু তেওঁলোকৰ এইটো ভুল ধাৰণা। কিয়নো খেল-ধেমালী আৰু শাৰীৰিক পৰিশ্ৰমৰ মাজত সূক্ষ্মভাবে হলেও পাৰ্থক্য আছে। খেলা-ধূলা হৈছে এনে ধৰণৰ কাৰ্য যাৰ আনন্দ লাভৰ বাহিৰে অন্য কোনো উদ্দেশ্য নাই। খেলি লাভ কৰা তৃপ্তিৰ বাবেই খেলা হয়। ই স্বত:স্ফুৰ্ত, আনন্দদায়ক আৰু মুকলিমুৰীয়া কাৰ্য, ইয়াত কোনো বাধা বাধকতা নাই। আনহাতে, কৰ্ম সদায় উদ্দেশ্যমূলক। বিনা উদ্দেশ্যে কোনো কাম কৰা নহয়। কাম বাধ্যতামূলক। কোনো কোনো সময়ত প্ৰয়োজনৰ তাগিদাত ইচ্ছাৰ বিৰুদ্ধেও কাম কৰিব লগীয়া হয়। এনে বাধ্যত পৰি কাম কৰিব লগীয়া হলে কামে মনত আনন্দ যোগাব নোৱাৰে। গতিকে শাৰীৰিক পৰিশ্ৰমে খেলাৰ নিচিনা স্বাধীন, স্বতঃস্ফুৰ্ত, আনন্দদায়ক কাৰ্য সম্পাদন কৰিব নোৱাৰে। শাৰীৰিক পৰিশ্ৰমে ছাত্ৰ-ছাত্ৰীক কৰ্মঠ কৰি তুলিলেও খেল-ধেমালীয়েহে ছাত্ৰ-ছাত্ৰীৰ শৰীৰৰ ভিতৰত থকা সুপ্ত গুণৰাজিৰ বিকাশ সাধন কৰিব পাৰে। খেলা-ধূলাৰ বাহিৰে অন্য একোৱেই এই ক্ষেত্ৰত শিশুৰ বিকাশত সহায়ক হব নোৱাৰে।

ছাত্ৰ ছাত্ৰী সকলৰ জীৱনত খেল ধেমালিৰ আৱশ্যকতা আৰু প্ৰয়োজনীয়তা গভীৰ ভাবে উপলব্ধি কৰিয়েই বৰ্তমান শিক্ষানুষ্ঠান বিলাকত খেলাৰ যোগেদি শিক্ষা দিয়া ব্যৱস্থা কৰা হৈছে। কিয়নো খেলাৰ মাজত নিহিত হৈ থকা স্বাধীনতা আৰু আনন্দই শিক্ষাৰ ক্ষেত্ৰত অৱদান যোগাব পাৰে। এই খেলৰ মাধ্যমেৰে শিক্ষাবিদ সকলে বিভিন্ন আধুনিক মনস্তাত্ত্বিক শিক্ষা পদ্ধতি গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে আমি মণ্টেছৰী প্ৰণালীৰ কথা উল্লেখ কৰিব পাৰো। মণ্টেছৰীয়ে শিশুৰ স্ব অভিৰুচি অনুযায়ী শিক্ষাদানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই শিক্ষা ব্যৱস্থাত খেলৰ সামগ্ৰীৰযোগেদি ল'ৰাছোৱালীয়ে ইন্দ্ৰিয়ৰ জ্ঞান আৰু অভিজ্ঞতা লাভ আৰু খেলৰ যোগেদিয়েই নিজক বৰ্ণ আৰু সংখ্যাৰ লগত পৰিচিত কৰে। শিক্ষকে ইয়াত শিক্ষকতা কৰাৰ পৰিবৰ্ত্তে ল'ৰা-ছোৱালীৰ কাৰ্যকলাপ লক্ষ্য কৰি তেওঁলোকক প্ৰয়োজন মতে পৰিচালিত কৰে। এনে স্বপ্ৰনোদিত কাৰ্যই শিক্ষালাভত অধিক আগ্ৰহ আৰু আনন্দ যোগায় আৰু তেওঁলোকৰ মনত আত্মবিশ্বাস, আত্মসন্মান আৰু দায়িত্ববোধ জগাই তোলাত সহায় কৰে।

মণ্টেছৰী প্ৰণালীৰ বাহিৰেও ফ্ৰয়বেলৰ কিণ্ডাৰ গাৰ্টেন পদ্ধতি (Kinder Garten method), হিউৰিষ্টিক পদ্ধতি (Heuristic method), ডেল্টন পদ্ধতি (Dalton plan,) প্ৰজেক্ট পদ্ধতি (Project method) আদি বেছিভাগ আধুনিক শিক্ষাপদ্ধতিৰ মূল নীতি হৈছে খেলৰ মাধ্যমেৰে শিক্ষা দিয়া।

ৰ্তমান শিক্ষানুষ্ঠানবিলাকত খেল-ধেমালি অতি আৱশ্যক হৈ পৰিছে। শিক্ষামূলক কাৰ্য ক্ৰীয়াৰ মনোবৃত্তিৰে কৰিবলৈ সুযোগ পালে ল'ৰা-ছোৱালীয়ে স্বইচ্ছাৰে আৰু আন্তৰিকতাৰে শিক্ষা লাভৰ প্ৰতি যত্নপৰ হ'ব। খেলৰ মাজত নিহিত হৈ থকা শক্তি কাৰ্যত প্ৰয়োগ কৰিব পাৰিলেহে শিক্ষা জগতৰ অনেক সমস্যা সমাধান কৰিব পৰা যাব। খেল-ধেমালীৰ যোগেদিয়েই বন্ধুত্ব আৰু ভ্ৰাতৃত্ব ভাৱ জগাই তোলা হয়। আজিৰ পৃথিৱীত দেশসমূহৰ মাজত যি অৰিয়াঅৰি আৰু যুদ্ধ বিগ্ৰহ আদিয়ে অশান্তিৰ সৃষ্টি কৰিছে, আন্তৰ্জাতিক খেল-ধেমালিবিলাকৰ দ্বাৰা তাক বহু পৰিমানে উপশম কৰিব পৰা যায়। মুঠৰ ওপৰত আজিৰ শিক্ষা অনুষ্ঠানত খেল-ধেমালিৰ আৱশ্যকতা অপৰিসীম।

( গল্প )

# “কলঙ্কিনী”

ৰুণু বড়া
স্নাতক ১ম বাৰ্ষিক

ঘৰটোৰ আঁৰ হ'ল ইতিমধ্যে। দুপৰবেলা। দুই চাৰিজন অচিনাকী মানুহৰ বাদে ৰাস্তাটো একেবাৰেই নিৰ্জন। গতিকে নিৰ্দিষ্ট ঠিকনাত উপনীত হ'বলৈ নিৰ্ভয়ে আগুৱাই যাব পাৰিব দীপশিখা— তাইৰ চিনাকী ৰাস্তাটোৰেদি।

ঘৰত চাগে আইতা এতিয়া দুৰ্ঘোৰ টোপনিত। মামীও বোধহয় শুইছে, নতু ওচৰৰ ঘৰত ফুৰিবলৈ গৈছে। মামাতো গধূলি পাঁচ বজাৰ আগতে ঘৰলৈ নাহে। মীনামাহী এই সময়ত উপন্যাস পঢ়াত ব্যস্ত। ইমান তন্ময় হৈ মীনামাহীয়ে উপন্যাস পঢে যে, ঘৰত চোৰ-ডকাইত হলেও মীনামাহীৰ হুচ নাথাকে। এনে এটা সোণালী সুযোগ নোলোৱাকৈ বাৰু তাই কেনেকৈ থাকিব? পলাই অহাৰ এইটোৱেই যে উপযুক্ত সময়।

তাই ৰাস্তাৰ ওপৰত খৰকৈ খোজ পেলালে। কেতিয়াবা পাছলৈ ঘূৰি চায়, কিজানিবা কোনোবাই তাইক বিচাৰি আহেই। নাই এই সময়ত তাইক বিচাৰি আহিবলৈ ঘৰত অৱকাষ নাই। আপোনমনে দীপশিখা গৈ থাকিল; কিন্তু পিছমূহুৰ্ত্ততেই তাই ধৰিব পাৰিলে যে, তাই ভুল ৰাস্তাইদি আহিছে। কাৰণ, সৰুতেই মাকে শিকোৱা কথাষাৰ— 'ৰাস্তাত যাওঁতে সদায় নিজৰ বাওঁফালে যাব লাগে'— তাইৰ ভালকৈয়ে মনত আছে। আৰু যে কত কি শিকাইছিল। তাইৰ চেনেহী মাকজনী। মাকলৈ মনত পৰাৰ লগে লগে তাইৰ দুচকু পানীৰে ভৰি পৰিল। আজি তাইৰ মাক থকাহ'লে এই ভৰদুপৰীয়াৰ দত পলাই আহিবলগীয়া জানো হলহেঁতেন? মাক থকাহলে তাইৰ দেউতাকৰ বিষয়ে মানুহবোৰে ইমানবোৰ কথা উলিয়াব জানো পাৰিলেহেঁতেন?

সৌ সিদিনা তাই মনে মনে শুনি আছিল মণিৰ মাক আৰু আইতাকৰ কথোপকথন। আইতাকে কৈছিল— 'মোৰেই পোৰা কপাল; নহলে কিয় মোৰ ছোৱালীজনী এই সংসাৰ এৰি হঠাতে সিপুৰী পাব লগা হল? ইফালে জোঁৱায়েও মোৰ নাক উলিয়াব নোৱাৰা কৰিছে। কৰবাৰ কলঙ্কিনী এজনীৰ লগত সি বলীয়া। মাউৰী ছোৱালীজনীৰ ইয়াত যি হয় হওক আৰু।”

তাৰ পাছত মণিৰ মাকে কৈছিল— “এৰা, ময়ো শুনিছোঁ কেইবাটালৈও যে'ৱা সুচিত্ৰা নামৰ ছোৱালী এজনীৰ লগত হেনো ই বৰ লেন-দেন কৰিছে। সুচিত্ৰা বৰ সাংঘাটিক ছোৱালী, সুৰেণক নচুৱাব।”

সেই দিনা দীপশিখা বজ্ৰপাত পৰা মানুহৰ দৰেই সেই ঠাইতে থৰ হৈ ৰৈছিল। তাইৰ অতি মৰমৰ সুচিত্ৰা বাইদেউজনীৰ



কথাকেই কৈছেনেকি বাৰু আইতাহঁতে? কিন্তু সুচিত্ৰা বাইদেউ কেতিয়াও কলঙ্কিনী হ'ব নোৱাৰে— সুচিত্ৰা বাইদেৱে তাইলৈ হৰেক ৰকমৰ মিঠাই দি পঠাইছিল আৰু তাইক এটা গৰম চুৱেটাৰ দিছিল। দীপশিখাৰ মন পাৰ হৈ যোৱা এটা দিনলৈ উৰা মাৰিলে, যিটো দিনত তাইৰ দেউতাকে, সুচিত্ৰা বাইদেউৱে দিয়া গৰম চুৱেটাৰটো আনিছিল আৰু তেতিয়া তাই আনন্দত নাচি নাচি সুধিছিল—

“দেউতা, সুচিত্ৰা বাইদেউ খুব ভাল নেকি? এদিন আনিবাচোন, খুব চাবলৈ মন গৈছে।” তেতিয়া দেউতাকে কৈছিল—

“ওহোঁ আহিব নোৱাৰে। সুচিত্ৰা বাইদেউৰাৰ অলপো আজৰি নাই। তোমাকহে চাবলৈ মাতিছে বাগানলৈ।”

“সচাঁ? মোক নিবানে?”

“নেলাগে দীপ ডাঙৰ হলে যাবা।”

“সুচিত্ৰা বাইদেউৰ ঠিকনাটো দিবা তেতিয়াহলে, মই ডাঙৰ হলে যাম।”

“ঠিকনা? আচ্ছা তোমাৰ বাৰু আমাৰ বাগানৰ দুমহলীয়া ঘৰটোৰ কথা মনত আছেনে নাই?

“ওঁ আছে।”

“তাতেই আছে তোমাৰ সুচিত্ৰা বাইদেউ।”

দীপশিখাৰ সেইদিনা এই দিনটোৰ কথা মনত পৰি খুব দুখ লাগিছিল। কিয়নো তাই পুৰা জানিছিল যে, আইতাহঁতে সুচিত্ৰা বাইদেউৰ কথা এনেকৈ কৈছে যেতিয়া তাইক আৰু বাগানৰ সেই দুমহলীয়া ঘৰটোলৈ

কেতিয়াও যাবলৈ নিদিয়ে। কিন্তু মানুহবোৰে তাইৰ দেউতাক আৰু সুচিত্ৰা বাইদেউৰ বিষয়ে উলিওৱা কথাবোৰে তাইক ইমান অতিষ্ঠ কৰি তুলিছিল যে সুচিত্ৰা বাইদেউৰ ওপৰত তাইৰ বিৰাট খং উঠিছিল আৰু আইতাকহঁতৰ ভাষাৰ "কলঙ্কিনী"জনীক এশিকনি দিবলৈ কেনেকৈনো তাই পলাই আহিব পাৰে তাৰেই সুযোগ বিচাৰি ফুৰিছিল। অৱশেষত তাই আজি সেই সুযোগ পাই পলাই আহিছে। তাই সুচিত্ৰা বাইদেউক কবলগীয়া কথাখিনি মনতে ভালকৈ জুকিয়াই ললে।

কিন্তু দীপশিখা এতিয়াহে বিপাঙত পৰিল। প্ৰকৃততে কোনটো পথেদি গলে তাইৰ জন্মভূমি শান্তিপুৰ পাবগৈ তাই পাহৰি গ'ল। তাই অলপ ইফালে সিফালে চালে—কিজানিবা কোনোবা চিনাকী মানুহ দেখেই। বাঃ কিযে ভাগ্য তাইৰ। সৌটো দেখোন শান্তিপুৰৰ বাগানৰে চানাৱলা। হাতকে স্বৰ্গচুকি পোৱাৰ দৰে লাগিল দীপশিখাৰ। আগপাচ নাভাবি তাই চানাৱলাটোক মাতি পেলালে। —

"হেৰা চানাৱালা, ক'ত যাবা ?"

"ঘৰলৈ যাম ;"

"জানিছো তাৰ মানে মই সুধিছো ঘৰ ক'ত? ঠিক আছে, মোক সেই বাগানৰে তুমহলীয়া ঘৰটোলৈ লৈ যাব পাৰিবা ?"

"তাৰ মানে মেনেজাৰৰ তাত ? কিয় ?

"তোমাক কেলেই ? মুঠতে পাৰিবানে নোৱাৰা নিব ?"

"পাৰিম বলা।"

দীপশিখাই চানাৱালাটোৰ লগতে শান্তিপুৰ বাগান পাই আনন্দত জপিয়াই উঠিছিল। সেইঠাই যে তাইৰ জন্মভূমি। কিন্তু পিচ মুহূৰ্ততে তাইৰ সেই আনন্দ নাইকিয়া হৈ গৈছিল – যেতিয়া চানাৱালাটোৱে তুমহলীয়া ঘৰটোৰ গেটখন খুলি তাইক যাবলৈ কৈ সি তাইৰ পৰা বিদায় লৈছিল। কলঙ্কিনীজনীৰ কথা মনত পৰাত তাইৰ গাটো খঙতে গৰম হৈ পৰিল তেজবোৰ যেন খুব খৰকৈ চলাচল কৰিছে।

চাৰিওফালে এবাৰ চকু ঘূৰাই ললে দীপশিখাই। নাই, কোনেও দেখা নাই তাইক খুব সন্তৰ্পনে তাই আৰু আগ বাঢ়িল। কোনোৱা ছোৱালী এজনীয়ে বাচন ধোৱা দেখি তাই তাইৰ ওচৰলৈ গ'ল। অপলক দৃষ্টিৰে অলপ সময় নিৰীক্ষণ কৰিলে মানুহজনীক দীপশিখাই। মানুহজনীয়েও সেই অচিনাকী ছোৱালীজনী দেখি সুধিলে—

"তুমি কোন ?"

"মই দীপশিখা। কিন্তু, তুমি কোন ?"

"দীপশিখা ?" সঠিক উত্তৰ দিয়াৰ ক্ষমতাকনহে হেৰুৱাই বাচন ধুবলৈ এৰি মানুহজনী যেন এটা শিলৰ মূৰ্তিলৈ ৰূপান্তৰিত হ'ল। পুনৰ দীপশিখাই সুধিলে —

"নোকোৱা কিয় তুমি কোন ?"

"মই এই ঘৰৰ চাকৰণী, কিন্তু……"



কথা শেষ হবলৈ নাপালে, এনেতে ওপৰমহলাৰ পৰা এটা কৰ্কশ মাত আহি সিহঁতৰ কাণত পৰিল—

"এই সুচিত্ৰা আৰু কিমান দেৰি বাচন ধুবি ? তঁাৰ কাপোৰ শুকায়ো এতিয়া নিয়ৰত তিতিব। আনিবলৈ খবৰ নাই ?"

"বাচন ধোৱা হ'ল বাইদেউ, এতিয়াই কাপোৰ কুমুৱাম।" তাইৰ মৰমৰ সুচিত্ৰা বাইদেউ তেন্তে এইজনীয়েই ? আইতাহঁতৰ ভাষাৰ 'কলঙ্কিনী' তেন্তে এইজনীয়েই ? তাই আচৰিত হ'ল। ইমানদিনে আইতাক আৰু মানুহবোৰৰ কথা শুনি শুনি দীপশিখাই কলঙ্কিনাৰ যিখন ছবি মনেৰে আঁকি লৈছিল, মুহূৰ্ততে সেই ছবি ভাঙি থান বান হল। তাইৰ কল্পনাৰ সেই ছবিৰ লগত এই সুচিত্ৰা সম্পূৰ্ণ বিপৰীত। এবুকু বেদনাৰে ভাৰাক্ৰান্ত যেন এই সুচিত্ৰা। প্ৰথম দৃষ্টিতেই দীপশিখাৰ তাইৰ প্ৰতি অনুকম্পা জাগিল।

খট্‌খটীত চেণ্ডেলৰ শব্দ শুনা গ'ল, সুচিত্ৰা বাইদেউক কোৱা সেই চেকুচেকীজনীয়েই আহিছে। দীপশিখাৰ ওপৰত দৃষ্টি পৰাৰ লগে লগে থমকি ৰল আৰু চেলাউৰিযোৰ থুপ খুৱাই ডাঙৰ ডাঙৰ মাতেৰে সুধিলে—

"এইজনী আৰু কোন ? হে ভগৱান ! ভাল মোৰ টেটুত হাড়মাল লগাই দিলেহি। দিনটো কামবন নাই, ক'ৰ ক'ৰ মনুহবোৰৰ লগত যে তাই ফুচফুচীয়া মেল মাৰে। সন্ধ্যাৰ লগে লগে তোৰ সেই সুৰেনদাৰ লগত গল্প মাৰিব লাগিবই নহয়। সেই কাৰণে এতিয়াই কামবোৰ কৰি নলবি, পাছত মই এই বয়সত দৌৰি ফুৰিব লাগিব। কুলক্ষণী ক'ৰবাৰ ! এই, শুনিছনে নাই ? মই ফুৰি আহোঁ, গেটখন মাৰি কামবোৰ চিজিল কৰ।" কথাখিনি কৈয়েই তাই খৰ খোজেৰে দীপশিখাহঁতৰ চকুৰ পৰা আঁতৰ হ'ল।

ইতিমধ্যে সুচিত্ৰা বাইদেৱে গেটখন মাৰি আহিলে। দীপশিখাই তাইৰ সন্দেহ ভাৱটো আঁতৰাবৰ বাবেই সুধিলে—

"সেইগৰাকী কোন ?"

"মোৰ বাইদেউ।" সুচিত্ৰা বাইদেৱে গহীন মাতেৰে কলে।

'পিছে তোমাক ইমান বকিছে কিয় ?"

"মই যে বেয়া ছোৱালী শিখা, ৰাক্ষসী কলঙ্কিনী। বাৰু, তুমি ভিতৰত বহাঁহি, মই কাম কেইটা কৰি লওঁ।"

দীপশিখাক ভিতৰৰ কোঠা এটাতে বহিবলৈ দি সুচিত্ৰা বাহিৰলৈ ওলাই আহিল। দীপশিখাই কোঠাটোৰ বয়বস্তুবোৰ দেখি তবধ মানিলে। ইমান ধুনীয়াকৈ সজোৱা ঘৰ তাই আজিয়েই প্ৰথম দেখিছে। কোঠাটোত বহি দীপশিখাই তাইৰ সুচিত্ৰা বাইদেউজনীৰ কথাকে ভাবিবলৈ ধৰিলে। কিয় বাৰু সুচিত্ৰা বাইদেউৰ নিচিনা ইমান মৰমীয়াল ছোৱালী এজনীক ইমান অত্যাচাৰ কৰিছে ইয়াত ? হাতে মুখে ক'তো ঘূণ নথকা সুচিত্ৰা বাই-

দেউক কিয় বাৰু কলঙ্কিনী বুলিছে ?

"দীপ" সুচিত্ৰাৰ মাতত তাই উচপ খাই গ'ল। তাইৰ নিচেই কাষতেই বহি সুচিত্ৰাই ক'লে—

"তুমি অকলেই আহিলা দীপ ?"

"মই আজি পলাই আহিছোঁ, মামাৰ ঘৰত তেতিয়া সব শুই আছিলে। নহলে যে তোমাৰ ওচৰলৈ আহিবলৈ নিদিয়ে, কাৰণ তুমি বেয়া কুলক্ষনী, কলঙ্কিনী। সবেই কয় জানা। মোৰ দেউতাও হেনো তোমাৰ ওচৰলৈ আহি আহি বেয়া হৈ গৈছে, তুমি হেনো দেউতাৰ গাত কলঙ্ক সানিব খুজিছা।"

লাহে লাহে সুচিত্ৰা দীপাশখাৰ ওচৰৰ পৰা আতৰি গ'ল। কোঠাটোৰ খিৰিকীখনেদি বাহিৰলৈ চাই চাই খুব সৰু মাতেৰে সুচিত্ৰাই ক'লে—

"সঁচা দীপ মই কলঙ্কিনী ; কিন্তু তোমাৰ দেউতা কেতিয়াও বেয়া হোৱা নাই, তেওঁ খুব ভাল, খুউব ভাল।"

"ময়ো জানো দেউতা ভাল। কিন্তু তেনেকৈ যে সবেই কয়। তেন্তে তুমি দেউতাক ইয়ালৈ আহিবলৈ মানা কৰি দিবা। আৰু এই কথা ক'বলৈকে মই তোমাৰ ওচৰলৈ পলাই আহিছোঁ।"

"নিশ্চয় কম দীপ, তোমাৰ দেউতা আৰু ইয়ালৈ কেতিয়াও নাহে। তেওঁক কোনেও তেন্তিয়া বেয়া বুলি নকয়।" সুচিত্ৰা বাইদেউৰ মাতটো থোকা থুকি হৈছিল আৰু চকুৰ পৰা ওলাব খোজা চকুপানীখিনিক বাধা দিবৰ বাবে চাদৰৰ আচলটো টানি লৈছিল। কিয়জানো দীপশিখাৰ মনটোও সুচিত্ৰা বাইদেউৰ প্ৰতি কুমলি গৈছিল। দীপশিখাৰ নিচিনা এজনী সৰু ছোৱালীৰ কথাতেই সুচিত্ৰা বাইদেৱে কন্দাৰ বাবে তাই ভীষণ অনুতপ্ত হৈছিল। কলঙ্কিনী হলেও সুচিত্ৰা বাইদেউ কিন্তু খুউব ভাল। বহাৰ পৰা উঠি তাই সুচিত্ৰা বাইদেউৰ গাত ভেজা দি সুধিলে—

'তুমি তোমাৰ বাইদেউৰ ঘৰত কিয় চাকৰণী হৈ আছা ?'

"মই চাকৰণীতকৈও অধম দীপ, মোৰ বাবে ক'তো ঠাই নাই।"

"নহয়, নহয় তুমি ইমান ধুনীয়া, ইমান ভাল। তোমাৰ নিজৰ ঘৰ নাই নেকি ?"

"তুমি কি বুজিবা দীপ ? মোৰ জীৱন বৰ দুৰ্ভগীয়া। মা-দেউতাৰ মই একমাত্ৰ ছোৱালী আমাৰ আৰ্থিক অৱস্থা ভাল নাছিল। মোৰ প্ৰায় ১৮ বছৰ বয়সতেই অগাপিছাকৈ মা-দেউতা দুয়োকে হেৰুৱালো। তেতিয়া মই একেবাৰে অকলশৰীয়া হৈ পৰিলো। এই সুবিধাতে আমাৰ গাঁৱৰ এজন মানুহে মোক জোৰ কৰিয়েই তেওঁৰ নিজৰ কৰি লৈছিল। দিনবোৰ পাৰ কৰিছিলো দুখ-কষ্টৰ মাজেদি। এটা সময়ত আমাৰ মাজলৈ এটি শিশু আহিছিল— আনন্দত আত্মহাৰা হৈছিলো। কিন্তু পাঁচ দিনৰ পাচতেই শিশুটিৰ মৃত্যু হল। দুখ আহিলে একেৰাহে আহিয়েই থাকে।



কেইমাহমানৰ পাছত মোৰ স্বামীও 'বৰ আইৰ' আক্ৰান্তত সিপুৰী পালেগৈ। অৱশেষত উপায়ন্তৰ হৈ মই ভিক্ষা মাগিবলৈ ধৰিলো। কিন্তু মোৰ ভাগ্য ভাল আছিল। এদিন তোমাৰ দেউতাৰাই পাই মোক ইয়ালৈ লৈ আহিছিল। ভিক্ষাৰিণীৰ পৰা মই ৰক্ষা পাই ভগৱানক তোমাৰ দেউতাৰাৰ মঙ্গলাৰ্থে প্ৰাৰ্থনা কৰিলো।" সুচিত্ৰা বাইদেৱে যেন কথাখিনি এজনী ডাঙৰ মানুহৰ আগতহে কৈ গল। চকুপানীখিনি চাদৰৰ আচলেৰে টুকি পুনৰ ক'লে—

"মোৰ গাত অলপো দোষ নাই দীপ, কিয় যে মানুহে মিছাকথা উলিয়ায়। বাৰু, মই বেয়া হৈয়ে থাকিম।"

সুচিত্ৰাৰ কথাখিনি শুনি দীপশিখাৰ আইতাকহঁতলৈ বৰ খং উঠিল। সুচিত্ৰা বাইদেউৰ নিচিনা ইমান ধুনীয়া, নম্ৰ ছোৱালী এজনীৰ কিয় তেনে বদনাম উলিয়াব ? নাই নাই, তাই আৰু মামাকহঁতৰ ঘৰত কেতিয়াও নাথাকে। তাই দেউতাকৰ লগতে থাকিব।

ইতিমধ্যে সুৰেণ আহি দীপশিখাক দেখি আচৰিত হ'ল। দেউতাকক তেনেকৈ আচৰিত হোৱা দেখি তাইক খং কৰে বুলিয়েই দৌৰি দেউতাকৰ ওচৰলৈ গৈ ক'লে—

"মই অকলে অহা নাই দেউতা, চানাবলা এটাই মোক থৈ গলহি।"

"ছিঃ ছিঃ দীপ ; এনেকুৱা কাম কৰিব নাপায় নহয়, আজিৰ পৰা নকৰিবা দেই।"

সুচিত্ৰাই চকুপানীখিনি মুচি সহজ হৈ ক'লে—

"সুৰেণদা, বহক। আপোনাৰ লগত মোৰ জৰুৰী কথা আছে।" সুৰেণেও দীপশিখাক কোলাত লৈ চকীএখনত বহি ক'লে—"কোৱা, কি কথা আছে।"

"আপুনি মোৰ বাবে বহুত কৰিলে। এতিয়া মাত্ৰ আৰু এটা উপকাৰ কৰক। মোক নাৰী কল্যাণ আশ্ৰমত থৈ আহকগৈ। মোৰ নিচিনা এজনী কলঙ্কিনীৰ বাবে নিশ্চয় এখন আশ্ৰম পাম।"

"কোনে ক'লে সুচিত্ৰা, তুমি কলঙ্কিনী বুলি ?"

"হয় দেউতা, সবেই কয় তেনেকৈ" এইবাৰ দীপশিখাই কথা ক'বলৈ আৰম্ভ কৰিলে। 'মামাহঁতৰ ঘৰত যে সবেই কয়। আৰু তুমিও হেনো সুচিত্ৰা বাইদেউৰ ওচৰলৈ আহি আহি বেয়া হৈ গৈছা।"

জীৱনৰ ঘাত-প্ৰতিঘাতে সুচিত্ৰাক থকা সৰকা কৰিছে। কেতিয়াবা বৰ কঠোৰ হৈ পৰে সুচিত্ৰা। দীপশিখাৰ কথাত সুচিত্ৰা ক্ষুব্ধ হৈ উঠিল—

"শুনিলেনে সেই সৰু ছোৱালীজনীৰ কথা ? আপুনি আৰু ইয়ালৈ নাহিব। আহিলেও মোৰ লগত দেখা নকৰিব। আপুনি এতিয়াই ইয়াৰ পৰা গুচি যাওঁক।"

সুচিত্ৰাৰ কথাই সুৰেনৰ বুকুত তীব্ৰশেল হানিলে। সুচিত্ৰাৰ এই ৰূপ সুৰেনৰ অপৰিচিত; এইজনী সুচিত্ৰাক সুৰেনে চিনি

নেপায় । সুৰেনৰ কণ্ঠ ৰোধ হৈ গল, চকু-হাল বাষ্পাকুল হ'ল । সুৰেনৰ বুকু ভেদ কৰি এটি দীঘল হমুনিয়াহ ওলাই আহিল । সম্বিৎ ঘূৰাই পোৱা মানুহৰ দৰে কিছু পৰৰ পিছত সুৰেনে দীপশিখাৰ হাতত ধৰি কলে 'বল দীপ, আমি যাওঁ ।"

"সুচিত্ৰা, তুমি বেয়া পোৱা যদি মই আৰু তোমাৰ ওচৰলৈ নাহো ।"

ইমান পৰে সুচিত্ৰা পাথৰৰ মূৰ্ত্তি এটাৰ দৰে ঠিয় হৈ আছিল । হঠাৎ তাইৰ কি হৈ গ'ল তাই নিজেই কব নোৱাৰে । ইমান কঠোৰ তাই কেনেকৈ হব পাৰিলে ? তাইৰ ভীষণ অনুতাপ হবলৈ ধৰিলে আৰু সেয়ে তাইৰ চকুলৈ নমাই আনিলে শাওনৰ বাৰিষা । সুৰেনৰ কথা শেষ নহল । সুচিত্ৰাই সুৰেনৰ ভৰি দুটাত ধৰি থোকা থুকি মাতেৰে কৈ উঠিল— "মোক ক্ষমা কৰা সুৰেনদা, ক্ষমা কৰা, মই বৰ ভুল কৰিলো । মই সচাঁকৈয়ে বৰ নিষ্ঠুৰ, মই মৰি যোৱাই ভাল ।" সুচিত্ৰাৰ আৰু মাত নোলোৱা হল । গোটেই মানুহজনী সুৰেনৰ ভৰিৰ ওপৰত যেন কান্দোনত ভাগি পৰিছে । সুৰেন হতভম্ভ। সুৰেনে লাহে লাহে সুচিত্ৰাক তুলি ধৰিলে— "ছিঃ কান্দিব নেপায় ।" সুচিত্ৰাই সংযত কৰিবৰ যত্ন কৰিলে । দীপশিখাই গোটেই ঘটনাটো মনে মনে চাই আছিল । এইবাৰ মাত মাতিলে— "দেউতা তুমি আৰু ইয়ালৈ আহিব নালাগে । সুচিত্ৰা বাইদেউকে আমাৰ ঘৰলৈ লৈ যাওঁ । ময়ো আজিৰ পৰা ঘৰতে থাকিম ।"

"মামাহঁতৰ ঘৰত সবেই তোমাৰ আৰু সুচিত্ৰা বাইদেউৰ বদনামকে গাই থাকে । মোৰ যে শুনি বৰ বেয়া লাগে জানা ।" "সুচিত্ৰা বাইদেই তুমি আজিৰ পৰা আৰু কেতিয়াও নাকান্দিবা" সুৰেন আৰু সুচিত্ৰা দুয়ো দুয়োৰে চকুলৈ চালে । বহু দিনৰ পৰা চলি থকা কেচ এটা যেন দুয়োপক্ষই আশা নকৰাকৈয়ে শেষ ৰায় শুনিলে । সুৰেনে দীপশিখাক বুকুত সাৱটি ধৰিলে ।







# কনফ্লিক্ট

অনুপা খাখলাৰী
স্নাতক মহলা ২য় বাৰ্ষিক

ৰাতিপুৱা শুই উঠাৰ পৰা নিশা শোৱাৰ পৰলৈকে মণিকাই অনন্তৰ মনত সন্তুষ্টি দিবৰ বাবে বহুত কামেই কৰি কৰি ভাগৰি পৰে । শুই উঠি অনন্তৰ শোৱা কোঠাটোলৈ গৈ অনন্তক এবাৰ চাই আহি কাঞ্চা উঠাৰ আগেয়ে বাহি গাটো তিয়াই আহি পূবাকাশত উদিত হোৱা ৰক্তিম সূৰ্যটোৰ দৰেই নিজৰ শিৰত, কপালত হিন্দুৰ বৈবাহিক জীৱনৰ স্বাক্ষৰ আঁকি তাইৰ আৰাধ্য ভগৱানক স্মৰণ কৰে ; ধূপ-ধূনা দি প্ৰণাম কৰে তাইৰ স্বামী অনন্তৰ মতি যেন পৰিবৰ্তন হয় । তাইৰ প্ৰতি কৰা অত্যাচাৰৰ, অবিচাৰৰ অৱসান ঘটাবলৈ, অপূৰ্ণ জীৱনটো পূৰ্ণ কৰি তাইৰ কোলাত এটি সন্তান দিবলৈ ভগৱানক যে কিমান কাকুতি কৰে —নহলে বৈবাহিক জীৱনৰ সাৰ্থকতা ক'ত ? নাৰীৰ পূৰ্ণতা ক'ত ?

তাৰ পিছত তাই লৰালৰিকৈ নিজহাতে কৰি আনে অনন্তৰ বাবে একাপ চাহ । সেই সময়কণতে তাইৰ বুকুখন দুৰু দুৰুকৈ আশঙ্কাত কঁপি কঁপি উঠে - ধুনীয়া পুৱাটো নষ্ট হৈ গলে গোটেই দিনটো তাই আৰু শান্তি নাপায় ; জানোচা পুৱাৰ টোপনীটো ভাঙি দিয়াৰ বাবে অনন্তই বা কি কৰে ! কি ঠিক মন ভাল নাথাকিলে উঠি আহি হয়তো তাইক চৰ মাৰি দিবহিও পাৰে । নামাৰিলেতো ভালেই । কি যে এই মানুহটো । আজি অত বছৰেও তাই তাৰ অন্তৰখন বুজি নাপালে, আপোনকৈ মৰম অকণ নাপালে । ভালকৈ কথা এষাৰ পাতি নাপালে । তাইৰ অন্তৰখন জনাৰো কোনো যত্ন নকৰিলে । কোনোদিন তাইক মানুহৰ দৰে ভাবিবলৈ নিশিকিলে । কি যে ভয়ঙ্কৰ এই মানুহটো । দেউতাকহঁতে বাৰু কেনেকৈ পালেগৈ তাইৰ বাবে এই মানুহটো—আচৰিত, সঁচাই আচৰিত ।

অনন্ত শুই উঠাৰ লগে লগে সকলো বস্তু ঠিকঠাককৈ দিবলৈ ভীমক সঁকিয়াই দি ল'ৰা-লৰিকৈ চাহৰ যোগাৰ কৰে গৈ কাঞ্চাৰ

সৈতে। গেৰেজৰ চাবিটো ভীমক দি জীপখন চাফা কৰি থবলৈ কৈ তাই অনন্তই কোন-যোৰ পোছাক পিন্ধিব আলমাৰিৰ পৰা উলিয়াই থব। সাত বজাত অনন্ত ওলাই যাব কোন নম্বৰ খাদত কি কাম কৰিব চাবলৈ। দুপৰীয়া অনন্ত ঘূৰি নহালৈকে এইখিনি সময়ত তাইৰ কৰিবলগীয়া আৰু বহুত কামেই থাকে। শহুৰ শাহুলৈ ভাল-বেয়াৰ খবৰ জনাই চিঠি লিখা, অৱশ্যে প্ৰত্যেক-খন চিঠিতে কোনোদিন বেয়া বুলি লিখাৰ পৰা তাই সদায় সচেতন হয়। অনন্তৰ কথা তেওঁৰ চৰিত্ৰৰ ক'তো চেকা নলগোৱাকৈ লিখে। কলেজত পঢ়ি থকা দেওৰেকলৈ কোন তাৰিখে কিমান টকা পঠাইছিল হিচাব ৰখা, লেডীকিনত পঢ়ি থকা ননদেক দুজনীলৈ কিমান টকা M. O. কৰিব লাগিব ইত্যাদি-বিলাক কাম সমাধা কৰি ভীমক ডাকঘৰলৈ পঠোৱা কামো তাইৰে। এইবোৰকে যদি সময়মতে কৰা নহয়—অনন্তৰ নানা কদৰ্থনা সহ্য কৰিব লাগিব। তদুপৰি আজৰিপৰত ৰান্ধনিঘৰত কাঞ্চাই কি আঞ্জা ৰান্ধিব কেনেকৈ ৰান্ধিব, ক'ৰবাত অনন্তৰ চাৰ্টৰ বুটাম সৰি পৰাবোৰ লগাই থোৱা, চিলাই কাম আদি কৰা—ইত্যাদিবোৰ তাইৰ দৈনন্দিন কৰ্তব্য।

তাই নাৰীৰ কৰিবলগীয়া সকলোবোৰ কৰ্তব্য পালন কৰি যোৱাৰ পিছতো তাইৰ প্ৰতি ভগৱান কিয় তুষ্ট হোৱা নাই তাই ভাবি নেপায়। সেয়েহে তাইৰ কেতিয়াবা ভগৱানৰ প্ৰতি বিশ্বাস হেৰাই যায়, জীৱনটোৰ প্ৰতি মোহ নাইকিয়া হৈ যায়। অনন্তৰ কোনো কথাতে তাই কাহানিও প্ৰতিবাদ কৰা নাই; প্ৰতিবাদ কৰাৰো যেতিয়া কোনো সাৰ্থকতা নাই, কৰিয়েই বা লাভ কি? সকলোবোৰ ভগবানৰ আশীষ বুলিয়ে তাই শিৰ পাতি লৈ বাট চাই আছে এদিন অনন্তৰ মনলৈ সুমতি আহিব, তাইক সি পত্নীৰ স্বাভাৱিক ব্যৱহাৰ কৰিব, তাইৰ জীৱনত এদিন সুখৰ নিজৰা ব'ব। কিন্তু .. সেয়ে জানো আজিও হৈ উঠিছে? বিয়াৰ কেইমাহমানৰ পিছৰ পৰাই তাই যে এনে ভয়ঙ্কৰ এটা জীৱনক আকোৱালী লব লগা হ'ব তাই ভাবিবই পৰা নাছিল। তাই ভাবে, তাইৰ লগৰ বন্দনা, মিনতি, ৰেখাহঁতৰ কথা। সিহঁতযে কিমান সুখী। চৰিত্ৰবান স্বামী, সতি-সন্ততিৰে সুখী পৰিয়াল....। যেতিয়া বহু নিশালৈকে অনন্ত অহালৈ বাট চাই চাই বহি থাকে —তেতিয়া তাই ভাবে, তাই আশা কৰে অনপেক্ষিতে অনন্ত আহিব, নাখাই-নৈব উজাগৰে এইদৰে বহি থকা দেখিলে কৃত্ৰিম খং কৰি তাইক শুই থাকিবলৈ ক'ব, বুকুৰ মৰম যাচিব। হঠাৎ মণিমাৰ দুগালে কেতিয়া অশ্ৰু বৈ পৰে তাই কবই নোৱাৰে। যেতিয়া অনন্ত নিশা ঘৰলৈ আহিব তেতিয়া তেওঁৰ দেহত থাকিব বিলাতী মদৰ নিচা। ক্লাবৰ আনন্দাখিনি পাহৰি যাবৰ বাবেই অনন্তই হয়তো মদ খাই আহে। একো নেখোৱাকৈ, তাইকো একো নোকোৱাকৈ টলং-পলংকৈ গৈ নিজৰ কোঠাৰ দুৱাৰ জপাই শুই থাকিব। যদি মণিকাই কিবা এষাৰ সোধে—তাৰ পৰিণাম কি হ'ব সেইয়া মণিকাৰ অজ্ঞাত নহয়।



সেয়ে সকলো তাই ভাগ্যৰ দোষ বুলি যি পাইছে তাকেই লৈ জীয়াই থকাৰ মানসেৰে যন্ত্ৰবৎ হৈ পৰিছে। তাইৰ এই দুখৰ কাহিনী কাৰোবাক কৈ দিবৰ মন যায়, জানোচা তাইৰ মনোবেদনা কিছু পাতলে। কেতিয়াবা তাইৰ মন যায় এই বিৰাট বঙলাটোৰ পৰা কৰবালৈ বলীয়াৰ দৰে দৌৰি দৌৰি পলাই যাবলৈ, চিঞৰি চিঞৰি তাই কৈ যাব অনন্তৰ লম্পটালিৰ তথা অভদ্ৰামিৰ কথা। কিন্তু এইখন সমাজত অনন্তৰ লগতে তাইৰ জীৱনটোৰ কাৰণে অনাহকত আৰু বহুতো লাঞ্চনা ভূগিব। সমাজত অনন্তক হীন চকুৰে চাব, আৰু তাই যাবই বা কলৈ? তাই ভাবে, তাই আত্মহত্যা কৰিব নেকি? কিন্তু আত্মহত্যা ?!— নীহাৰে এদিন কৈছিল —"দেহৰ শেষ বিন্দু তেজ টুপী থাকে মানে যুজিম, কিন্তু পৰাজয়ৰ গ্লানিৰে কেতিয়াও আত্ম সমৰ্পন নকৰো।" সেয়ে মণিকাৰ মন গ'ল জীৱনৰ শেষ অধ্যায়কনো চাই যাবলৈ।

হঠাৎ তাই যে আজি অপ্ৰত্যাশিত ভাৱে নীহাৰৰ চিঠিখন পাব কোনোদিন সপোনতো ভবা নাছিল। মাক-দেউতাকৰ কিমান মৰমত তাই ডাঙৰ হৈছিল। জীৱনৰ বিশটা বসন্ত তাই আনন্দেৰে পাৰ কৰি আহিছিল। আৰু এদিন কলেজীয়া জীৱনৰ আৰম্ভনিতে চিনাকি হৈছিল নীহাৰ ৰঞ্জন ফুকনৰ লগত। সেই চিনাকিয়ে এদিন ৰূপ ললে দুয়ো দুয়োকে আপোনকৈ পোৱাৰ, নীহাৰৰ হাঁহি কান্দোনেই হৈ পৰিছিল মণিকাৰ হাঁহি-কান্দোন, নীহাৰৰ গৌৰৱেই তাইৰ গৌৰৱ, নীহাৰৰ সন্তুষ্টিয়েই তাইৰ সন্তুষ্টি। কিন্তু, পৰম্পৰৰ উলট-পালাট কৰি দিলে। তিক্ত সংগীবিহীন জীৱন আৰম্ভ হ'ল, সংগী হ'ল বুকুৰ বিষাদ গধূৰ হুমুনিয়াহ। প্ৰাণৰ নীহাৰক ত্যাগ কৰিব লগীয়া হ'ল মাক-দেউতাকৰ ভয়ত। আৰু সেইয়ে আজি তাইৰ সমগ্ৰ দেহ-মন সকলো ছপ্-ছপ্কৈ জ্বলি থকা জুইৰ তাপত ক্ৰমে দেই-পুৰি নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছে।

হাতত লৈ থকা চিঠিখন জোৰকৈ বুকুত সাৱটি তাই ভাবে, নীহাৰৰ কথা, এবাৰ দেখা পোৱাৰ দুৰ্বাৰ হেঁপাহ জাগে, তাই যেন তাক ক্ষমা খুজিব, গৈ যেন তাই নীহাৰক বিচাৰি আনিব। তাই যদি এই মদাহীটোৰ সতে বিয়া নহৈ নীহাৰৰ সতে ক'ৰবালৈ পলাই গ'লহেতেন তাই মাক-দেউতাক সকলোকে পাহৰি নীহাৰক লৈয়ে সুখী হ'লহেতেন। এইদৰে বৰ মানুহৰ বঙলাৰ চাৰিবেৰৰ মাজত কিবা এটা পোৱাৰ আশাত, চকুৰ পানী টুকি টুকি, সুখী হ'বলৈ যত্ন কৰাতকৈ মৃত্যুক বৰণ নকৰে কিয়? সৰ্বশৰীৰৰ অসহ্য যন্ত্ৰণাত আজি তাই এইদৰে জ্বৰীয়া গাৰে বিচনাত পৰি জীয়াই থকাৰ মানে কি? যোৱানিশাৰ ঘটনাটো তাইৰ মনত পৰিলে গাৰ নোমবোৰ শিয়ঁৰি উঠে। অনন্তৰ গোৰ, চৰ কিয় তাই খাব লগা হ'ল? নীহাৰৰ বাবে? নীহাৰৰ তাইৰ কলেজীয়া জীৱনৰ প্ৰেমিক আছিল বাবেই তেওঁ বৈবাহিক জীৱনৰ এই চাৰিটা বছৰ

কোনো বিচাৰ নোহোৱাকৈ কি তাইৰ ওপৰত গৈ অত্যাচাৰ চলাই যাব ? লম্পট-মদাহীটোৰ আগত নীহাৰৰ এই চিঠিখন তাই লুকুৱাব লাগিছিল ? তাতেই ইমান অভিযোগ ? এটা লম্পট-মদাহীৰ পৰা পোৱা স্বামী-স্ত্ৰীৰ ব্যৱহাৰতকৈ নীহাৰ আৰু তাইৰ ভালপোৱা বহুগুণে পবিত্ৰ, বহুগুণে শ্ৰেষ্ঠ আছিল।

আকৌ এবাৰ তাই লাইটৰ ৰঙীন পোহৰত নীহাৰৰ চিঠিখন পঢ়ি গ'ল—

১৮

## কবিতা

### পৰিবৰ্তন

জগত বৰুৱা
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক।

ধূলিৰে ধূসৰ হোৱা
এখন পৃথিৱী
দেখিছিলো মই কালি
ভৰ দুপৰীয়া।
দুপৰৰ ৰূপ বগা অমিতাভটোৱে
চোতালত ধান দেখা
ৰাজহংস খোজে
গৈছিল তেতিয়া।

টুকুৰা টুকুৰ হৈ
এই আকাশৰ মেঘ
আহিছিল ধীৰে ধীৰে
ৰক্ত ভানু সাৰটি লবলৈ।

তেতিয়া— মেঘালীৰ আঁৰে আঁৰে
বহু দূৰ গৈ
ৰূপ বগা অমিতাভ
মোৰ চকুৰ আগত
কৃষ্ণ ক'লা হল।

— × —



## গল্প

### — মৌন বেদনা —

অঞ্জলীমা দত্ত
স্নাতক মহলা ১ম বাৰ্ষিক

কোনোবাই যদি মোক কয় যে, জীৱন মানে কিছুমান বেদনাৰ সমষ্টি তেন্তে তেওঁৰ সৈতে মই একমত। জীৱনৰ পচিশটা বসন্ত পাৰ কৰি দি, অতীতলৈ যদি উভতি চাওঁ, তেন্তে দেখিম যে পোৱাৰ ঘৰত কেৱল শূন্যই বাকী ৰব। কিন্তু মই জানো এইয়া বিচাৰিছিলো? মইতো এইয়া বিচৰা নাছিলো। অন্য দহ জনী ছোৱালীৰ দৰে মইয়ো কল্পনা কৰিছিলো স্বামীৰ অপৰ্যাপ্ত ভালপোৱা আৰু থুনুক্ থানাক মাতেৰে দুটি দেৱ-শিশুৰে এখন সুখী সংসাৰ। কিন্তু ভগৱান, তুমি অতি নিষ্ঠুৰ। সেয়ে মোৰ এবাৰ সুধি চাবৰ মন যায়— কিয় ভগৱান তুমি পাহি মেল খাবলৈ লোৱা জীৱনটোক ইমান ফুল কুমলীয়াতে ৰিক্ত কৰি দিলা বুলি। মানুহৰ সীমাৰ বাহিৰৰ যিকোনো কাম ভাল হলে তেওঁৰ কৃপাৰ গুণানুকীৰ্ত্তন কৰো আৰু বেয়া হলে দোষাৰোপ কৰো। সেয়ে ভগৱান অতীত ৰোমন্থন কৰি আজি মোৰ তোমাকেই দোষাৰূপ কৰিবৰ মন গৈছে। কিয়নো ৰিক্ত হৈ যোৱা জীৱনৰ প্ৰতিটো কথাই আজি মোৰ অন্তৰাত্মাক বিদ্ৰোহী কৰি তুলিছে।

কলেজৰ শেষ পৰীক্ষা দি কেইদিনমান ঘৰতে আছো। ইচ্ছা আছিল Result যদি ভাল হয়, তেন্তে M. A. পঢ়িম। কিন্তু মা-দেউতাৰ ইচ্ছা মোক বিয়া দিয়াৰ। মাৰ মত যে দূৰলৈ পঢ়িবলৈ গলে ছোৱালীৰ চৰিত্ৰ নষ্ট হয়। তদুপৰি ছোৱালী কুৰিতে বুঢ়ী। অন্য হাতে ঘৰত গাভৰু ছোৱালী ৰখা মানে একোডাল জীয়া সাপ পুহি ৰখা। গতিকে বিভিন্ন যুক্তি দেখুৱাই তেওঁলোকে মোৰ বিয়াৰ বাবে খদমদম লগালে। অৱশেষত মোৰ বিয়াৰ উপযুক্ত পাত্ৰ হিচাবে মা দেউতাই মনোনীত কৰিলে তেল কোম্পানীৰ উচ্চ পদস্থ বিষয়া জয়ন্ত বৰুৱাক। মইও তেওঁলোকৰ আশাত চেঁচা পানী নাঢালি বিয়াত সন্মতি দিলো।

কি হল বুজি উঠাৰ আগতে এসোপামান গহনা আৰু কাপোৰেৰে ডুলিয়াজান

অভিমুখে গাড়ীত উঠি যেতিয়া আহি মই দৰাৰ ঘৰত নামিলোহি তেতিয়া পুৱাৰ নিমজ কিৰণ ধৰাত বিয়পি পৰিছে। ন-কন্যা চোৱা এসোপা মানুহৰ মাজত যেতিয়া মই সোমাই পৰিছিলো তেতিয়া লাজ আৰু ভয়ত মোৰ সৰ্বশৰীৰ ঘামেৰে তিতি গৈছিল।

তাৰ পাচত ডুলীয়াজানতে আৰম্ভ হৈছিল মোৰ জীৱনৰ দ্বিতীয় অধ্যায়। এইয়া ডুলীয়াজান। কৰ্মব্যস্ত নগৰী। প্ৰকৃতিৰ দান এই খনিজ বস্তুসমূহ উদ্ধাৰ কৰিবলৈ অনেক দেশী-বিদেশী কৰ্মীৰ সংমিশ্ৰন হৈছে। ইয়াত যেন মানুহৰ মুকলি মূৰীয়া ভাৱে উশাহ-নিশাহ লবলৈও সময় নাই। চাৰিওফালে যেন এক উৎসৱ মুখৰ পৰিবেশ পাশ্চাত্যক অনুকৰণ কৰি এই ডুলীয়াজানৰ তেলকোম্পানী বিষয়া সকলে সজাই তুলিছে। পাশ্চাত্যক অনুকৰণ কৰি এই কলা চাহাব সকলে নিজকে পশ্চিমীয়া সংস্কৃতিৰে সজাই তুলিবলৈ অহোপুৰুষাৰ্থ কৰে। এয়াই সেই বিচিত্ৰ নগৰী ডুলীয়াজান।

জগতলৈ পৰিবৰ্তন আহে। পৰিবৰ্তন আহে মানুহৰ জীৱনলৈও। সেয়েহে বিয়াৰ এমাহ মানৰ পিচলৈকে বন্ধু-বান্ধৱৰ ঘৰলৈ যোৱা, চিনেমা চোৱা আদিৰ পিচত যেতিয়া মই এক সুস্থ পৰিবেশলৈ আহিলো, তেতিয়া দেখিলো, ক'ৰবাত যেন ভুল হৈ গ'ল। আৰু এদিন এই ভুলৰ শুদ্ধ উত্তৰ বিচাৰি যেতিয়া মই উদ্বাউল হৈ পৰিলো, তেতিয়া ক্ৰমে এক ধুবুজা সাঁথৰৰ মাজলৈ সোমাই গলো।

বিয়াৰ মাহহালধিৰ ৰং আঁতৰিবলৈ নৌ-পাওঁতেই মই মোৰ স্বামী দেৱতাৰ স্বভাৱৰ পৰিবৰ্তন হোৱা দেখা পালো। প্ৰতিদিনে পুৱা ৯টা বজাৰ পৰা আবেলি চাৰিটা বজালৈকে তেওঁ অফিচত ব্যস্ত থাকে। ঘৰত থকা সময়খিনিতো অফিচৰ ফাইল লৈয়ে জয়ন্তই মূৰ ঘমাই থাকে। পৃথিৱীত অফিচৰ কামৰ বাহিৰে অন্য একো আশা-আকাঙ্খাই থাকিব নোৱাৰে, এয়ে যেন তেওঁৰ ধাৰণা। তথাপি তেওঁৰ প্ৰতি মোৰ কোনো আক্ষেপ নাই। কিয়নো অফিচৰ কৰ্তব্যৰ প্ৰতি কিজানি এয়া তেওঁৰ দায়িত্ত বোধ। কিন্তু তথাপি মই ভাবো এয়া যেন মোক এৰাই চলাৰ জয়ন্তৰ অজুহাত। দিনে দিনে যেন তেওঁ মোক সহ্য কৰিব নোৱাৰা হৈ আহিছে। তথাপি জয়ন্তক মই শ্ৰদ্ধা কৰো। পত্নী হিচাবে তেওৰ কামত মই সদায় সহযোগ কৰি আহিছো। কিয়নো তেওঁ যে মোৰ অগ্নিক সাক্ষী কৰি লাভ কৰা স্বামী।

আজি কালি জয়ন্ত ক্লাবলৈও যায়। এয়া তেওঁৰ নতুন চখনে পুৰণি অভ্যাসৰ পুনৰাবৃত্তি সেয়া মই নাজানো। সদায় ক্লাবলৈ গৈ পৰিচিত-অপৰিচিত সকলো মানুহৰ লগতে বলডেন্স দি আৰু সুৰাৰ শৰাধ কৰি নিশা এক বজাত টলং-পলং কৰি কোঠালৈ সোমাই আহে, তেতিয়া প্ৰায় তেওঁ হিতাহিত জ্ঞান হেৰুৱাই বিচনাত ঢলি পৰে। আৰু মই তেওঁৰ জোতামোজা খুলি বিচনাত ভালকৈ উঠাই দি বিচনাৰ



এটা কোণত যেতিয়া শুই পৰো, তেতিয়া গাৰুত মই মুখ গুজি কন্দাৰ বাহিৰে মোৰ একো উপায় নাথাকে। এইয়া ডুলীয়াজানত জয়ন্ত বৰুৱাৰ অন্য এক ৰূপ। এইজন পুৰুষৰ লগততো মোৰ পৰিচয় নাই। এতিয়া মই নিঃসঙ্গ। বিচনাত মুখ গুজি কান্দি থাকি শেষ নিশা কেতিয়া চিলমিলকৈ টোপনি আহিছিল কবই নোৱাৰো। হঠাৎ ৱালক্লকটোৰ চাৰিটা বজাৰ শব্দ শুনি হে ধহমহকৈ সাৰ পাই উঠিলো। সমুখৰ খিৰিকিখন খুলি দিনত এচাতি বতাহ সোমাই আহিল আৰু মোৰ মনটো কিছু ফৰকাল লাগিল। খিৰিকিৰ মুখৰ পৰা উভতি আহি বাথৰুমত সোমাই মই বহুতো সময় গা-ধুলো। তাৰ পিচত এথোপা খৰিকাজাঁই ফুল লৈ পুনৰ যেতিয়া কোঠালৈ সোমাই আহিলো তেতিয়া দেখিলো জয়ন্ত তেতিয়াও বিচনাৰ পৰা উঠা নাই। হয়তো অত্যন্ত মদৰ ৰাগীত তেওঁ স্নায়ু মণ্ডলী দুৰ্বল হৈ পৰিছে আৰু মুখেৰে এক শব্দ কৰি বিচনাত পৰি আছে। মইও উঠাই দিয়াৰ প্ৰয়োজন বোধ নকৰিলো।

এতিয়া জয়ন্তক খুব কম সময় হে ঘৰত লগ পাওঁ। ক'ত থাকে, কি কৰে তাৰ কৈ'ফয়ৎ তেওঁৰ পৰা কোনোদিন বিচৰা নাই। তথাপি জয়ন্তক মই ভাল পাওঁ, তেওঁক ঘৃণা কৰিবলৈ মই দেখোন চেষ্টা কৰিও পৰা নাই। এতিয়াও ভাতৰ পাতত বহি ইটো নেখাও সিটো নেখাওঁ কৰিলে মই জোৰ কৰি হলেও খুৱাওঁ। অফিচলৈ ওলায় যাওঁতে কলমত চিয়াহী আছেনে নাই সেয়া মই সদায় লক্ষ্য কৰো। ৰুমালখন লেতেৰা হলে এসোপা চেণ্ট সানিবা অন্য এখন জোৰ কৰি হলেও আনি দিওঁ। কিন্তু তথাপি, তথাপিও ·······।

অন্য এদিন দেওবাৰে, সিদিনা জয়ন্ত ঘৰতে আছিল। সিদিনা তেওঁৰ জন্মদিন। লগৰ বন্ধু-বান্ধৱ সকলৰ সৈতে জন্ম উৎসৱটি উলহ মালহেৰে পালন কৰিছিলো। আবেলি সময়ত সুযোগ বুজি মই কলো, তোমাৰতো আজি একো কাম নাই, বলা চিনেমা এখনকে চাই আহো। কথাষাৰ কৈ কেনেকুৱানো প্ৰতিক্ৰিয়া হয় তাক চাবৰ বাবে মই সাজু হৈ আছো। সাউতকৈ জয়ন্তই উত্তৰ দিলে, জানা নীতা, আজি আমাৰ জেনেৰেল মেনেজাৰৰ ঘৰত এটা ডাঙৰ পাৰ্টি আছে। কাৰণ তেওঁৰ ডাঙৰ ছোৱালী বৰ্ণালীয়ে এইবাৰ বিহু কুঁৱৰী খিতাপ লাভ কৰিছে। ইয়াৰ পিচত জয়ন্তই অনৰ্গল বক্তৃতা দি গল। ববকটা চুলিৰে, লাহী দেহেৰে আৰু তিলফুল নাকেৰে বৰ্ণালী ওৰফে ববী কিমান ধুনীয়া। ববীয়ে কিদৰে নাচে, কিদৰে কেৰম খেলাত পাৰ্গত, কেনেকৈ ধৈৰ্য ধৰি চেচ খেলত হৰুৱাব পাৰে আৰু, আৰু দীঘল দীঘল নখেৰে ববীৰ আঙুলী কেইটা কিমান ধুনীয়া ইত্যাদি ইত্যাদি। মোৰ তেতিয়া ধৈৰ্যৰ বান্ধ সুলকি পৰিছিল। আৰু চিঞৰি চিঞৰি কবৰ মন গৈছিল, জানা জয়ন্ত, কোনো বিবাহিতা স্ত্ৰীয়ে নিজৰ স্বামীৰ মুখত পৰৰ গাভৰু ছোৱালীৰ ৰূপ সৌন্দৰ্যৰ কথা শুনিব নোখোজে। তুমি

সেইয়া পুৰুষ হৈ কেনেকৈ বুজিবা? কিন্তু মই একো কব নোৱাৰিলো। কিবা এক বোবা বেদনাই মোক মৌন কৰি দিলে।

জীৱনটোক সহজ ভাৱে লবলৈ বিচাৰি দেখিলো যে আমি ভবাৰ দৰে জীৱনটো সহজ সৰল নহয়। বিচনাত পৰি এনেবোৰ চিন্তা আহি মোৰ মনত খলকনি লগালেহি। টোপনি আনিবলৈ ব্যৰ্থ চেষ্টা। নকৰি বিচনাৰ পৰা উঠি আহি, ড্ৰয়াৰৰ পৰা উলিয়াই ললো ৰমচন্দ্ৰ দাসৰ 'মল্লিকা দাস' নামৰ উপন্যাস খন। কিতাপখন পঢ়ি মল্লিকা দাস নামৰ নায়িকাজনীৰ করুণ মৃত্যুৰ কথা চিন্তা কৰি মোৰ দুগালেদি দুধাৰী চকুলো বৈ আহিল। চকুলো দুধাৰী মচি পেলোৱাৰ প্ৰয়োজন বোধ নকৰিলো। নিশা একবাজি গ'ল। জয়ন্ত তেতিয়াও ঘৰলৈ অহা নাই। হঠাৎ পুৰুষ জাতিটোৰ প্ৰতি মোৰ এক প্ৰচণ্ড ঘৃণাৰ ভাৱ উপজি পৰিল। স্থিৰ সিদ্ধান্তত উপনীত হৈ ভাবিলো মই পুনৰ পিতৃ গৃহলৈকে ঘূৰি যাম। মইতো সেই তাহানি যুগৰ সীতা বা সাবিত্ৰীৰ দৰে নহয়, স্বামীৰ অবিহনে অন্য পথ নাই বুলি শেষহৈ যাম! মই জানো কুৰি শতিকাৰ মুক্ত বতাহ পোৱা গাভৰু নহয়। কিয় নিৰ্বিবাদে সকলো দুখ মূৰ পাতি লম। আমাৰ জানো কিবা এটা সত্বা নাই। যিটো যুগত পুৰুষ আৰু নাৰীক সমান অধিকাৰ দিয়া হৈছে, সেইটো যুগত তোমালোক পুৰুষবোৰে, কিয় আমাক শোষণ নীতিৰে দমন কৰিব বিচাৰিছা? কিয়? কিয়?

অন্তৰত এক বিদ্ৰোহৰ অগনি জ্বলাই সিদিনা এক সামান্য অজুহাত দেখুৱাই মই পতি গৃহৰ পৰা গুচি আহিলো। নাজানো মোক সমাজে কি দৰে গ্ৰহণ কৰে। সেয়ে মই পুনৰ M. A. কোৰ্চৰ কিতাপখিনি বুকুত বান্ধি গুচি আহিলো বিশ্ববিদ্যালয়লৈ।

আজি জয়ন্তৰ একো খবৰেই মই ৰখা নাই। তথাপি কামনা কৰো জয়ন্তৰ মঙ্গল হওক, ভাল হওক আৰু প্ৰকৃত মানুহ হৈ যিদিনাই তেওঁ মোৰ প্ৰয়োজন অনুভৱ কৰিব সিদিনা মই পুনৰ উভতি যাম।



# শেৱালিৰ সুবাস

অধ্যাপিকা ভদ্ৰাৱতী গগৈ

ৰাতি পুৱাইছিল। মৃণালে সাৰ পাই খিৰিকীৰ ফাঁকেদি অহা পোহৰবোৰ দেখিছিল। বাহিৰত চৰাইৰ কিচিৰ মিচিৰ শব্দও শুনিছিল। বিচনাৰ পৰা উঠি সি দুৱাৰখন মেলিলে। দুৱাৰখন মেলাৰ লগে লগে শীতল বতাহ এজাকে তাক সম্ভাষণ জনালে। সেইজাক বতাহৰ বোকোচাতে উটি আহি তাৰ নাকত লাগিলহি — এটা মিঠা সুবাস। সেই সুবাস চোতালৰ সিমূৰত ফুলি থকা শেৱালি ফুলৰ। তাৰ মনটো ভাল লাগি হঠাতে আকৌ বেয়া লাগিল। তাৰ মনত পৰিল —

"আহিন মহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন,
জোনাকত ওপজিলে কিহবাৰ ৰাগী
কেনেবা কৰিলে মন।"

শেৱালি ফুলৰ গোন্ধ পালে তাৰ মনো কেনেবা কৰে। ভালো লাগে, বেয়াও লাগে। শেৱালি ফুল — ৰাতি ফুলি পুৱা বননিত সৰি পৰি থাকে। কিন্তু তাৰ সৌৰভ ? ?

শেৱালি ফুলিছে। এইটো আহিন মাহ। আহিনৰ পঁচিশ দিন যোৱাত তাৰ বিয়া। বিয়া মানে — একো ধুমধাম নাই। দুজনমান বন্ধুৰ সৈতে গৈ যোৰহাটৰ মণিমালা বৰুৱাক লৈ আহিব গৈ তাৰ জীৱনৰ বাকীছোৱাৰ লগৰী হিচাবে। বাহিৰত একো উলহ-মালহ নাই। বিয়া বুলি ঘৰখনৰ সিহে মাত্ৰ অলপ ঘূৰাপকা কৰিব লগীয়াত পৰিছে। আন নহলেও কইনাজনীক অন্ততঃ ভাল কাপোৰ এসাজ, দুই এপদ অলঙ্কাৰ দিব লাগিব। এতিয়াই নিদিলে পিচত হয়তো দিয়াটোৱেই টান হৈ পৰিব। তাৰ দৰমহা টকা আজিৰ এই চৰা দামৰ দিনত ঘৰখন চলোৱাত দেউতাকক সহায় কৰোতে, ভায়েক ভনীয়েক-হঁতৰ স্কুল কলেজৰ ফিজ আদি দিওঁতেই শেষ হৈ যায়। এতিয়াও মণিমালাই ঘৰৰ ওচৰত প্ৰাইমেৰী স্কুল এখনত কাম কৰি আছে। প্ৰাইভেটকৈ বি, এ দিব।

ভনীয়েক অপৰাৰ মাতত মৃণালৰ চিন্তাৰ আঁতডাল হেৰাই গ'ল — "ককাইদেউ কি কৰিছ, চাহ বাকিলো নহয়; সোনকালে আহ।" এৰা সি পাহৰিলেই। তাৰ আজি বহুত কাম আছে, কেইবা ঠাইলৈও যাব লগা আছে। শুই উঠা বহুত সময় হ'ল অথচ মুখেই ধোৱা নাই। সি লৰালৰিকৈ মুখখন ধুই ললে। চাহটোপা খাই মাকক ভাত দুটামান

বনাবলৈ কৈ সি চাইকেলখন চাকা কৰিলে। আঠ বাজি গলেই। সি লৰালৰিকৈ বাৰীৰ চুকৰ পুখুৰীটোলৈ গা-ধুবলৈ গ'ল। ন বজাত হেমন্তক আহিবলৈ কালিয়েই কৈ পঠাইছে। হেমন্ত হয়তো ন-বজাৰ আগতেই পাবহি। হেমন্তই তাৰ ভনীয়েক অপৰাক ভাল পায়; অপৰা এইবাৰ দশম শ্ৰেণীত। হেমন্তই এম, এছ, চি প'ঢ়িছিল, মেথমেটিকচ্‌ত। কিন্তু প্ৰথম বছৰ দুখন পেপাৰ দি পৰীক্ষা বেয়া হৈছে বুলি বাকীকেইখন নিদিলে। পিছৰ বছৰ কৰ্ছ শেষ কৰি প্ৰিভিয়াচ দি এতিয়া হাইয়াৰ চেকেণ্ডাৰী স্কুল এখনত সোমাইছে। মৃণাল হেমন্ততকৈ চাৰি বছৰৰ চিনিয়ৰ। গতিকেই ককাইদেউ বুলি মাতে। আগেয়েও মৃণালৰ ওচৰত কিবা-কিবি বুজি-বলৈ, আলোচনা কৰিবলৈ আহে। মৃণালেও তাতকৈ সৰু যদিও বন্ধুৰ দৰেই ব্যৱহাৰ কৰে। সেয়েহে মৃণালে তাক তাৰ বিয়াৰ অলঙ্কাৰখিনি আনিবলৈ লগ লৈছে। তাতে আজি দুৰ্গা পূজাৰ জিৰণি। গতিকে পূজা চোৱা হব। মৃণালৰ আৰু এটা উদেশ্য আছিল কিন্তু সেই বিষয়ে হেমন্তক জনোৱা নাছিল।

মৃণালে গা ধুই বজাৰ কৰিব লগীয়া বস্তুৰ লিষ্ট, অলঙ্কাৰৰ ৰাচিদ আদি অপৰাৰ হাতৰ পৰা লৈ দেখিলে তাৰ অনুমানেই সচাঁ। পদুলিত হেমন্তৰ চাইকেলৰ বেল। হেমন্ত সোমোৱাৰ লগে লগে কলে, "বহা-চোন দেই, মই ভাত দুটামান গিলি লওঁ।" "এই অপৰা চাহ তামোল দেচোন!" মৃণালে ভাত খাই থাকোতে হেমন্তই অপৰাক কোৱা শুনিলে– "অপৰা তোমাৰ বৰ ফুটনি হৈছে; মাতিবলৈকে টান পোৱা হৈছো। এৰা হবইতো— দুদিনমানৰ পিচতে লোকৰ নবৌয়েক আহিব" অপৰাই লৰালৰিকৈ কলে "ইস্ কিনো ফুটনি হৈছে। ককাই-দেউৰ বস্তুকেইটা যতনাই দিছো আৰু। নহলে ককাইদেউ যিহে ঘৰতে এৰি থৈ গৈ টাউনত বিচাৰিবগৈ।" মৃণালে মনতে এবাৰ হাঁহিলে।

মৃণাল আৰু হেমন্ত দুয়ো চাইকেলত সমান্তৰাল ভাৱেই আগ বাঢ়িল। গাৱঁৰ ৰাস্তা, মানুহ দুনুহ বৰকৈ নাই। এইটো ৰাস্তাৰে দুমাইল গৈ পিচ ৰাস্তাত উঠিবগৈ। পিচ দিয়া ৰাস্তাইদি তিনি মাইল গৈয়ে টাউন পাবগৈ। টাউন পোৱাৰ আগেয়ে নিৰ্মল বৰাৰ ঘৰত সোমাব। নিৰ্মল মৃণালৰ বন্ধু। বিয়াৰ বাবে টকা তিনিশ উপযাচিয়েই দিবলৈ লৈছে। তাৰ পিচত টাউনৰ মধু আগৰৱালাৰ দোকানত সোমাব। মধু মৃণালৰ লগত কলেজত একেলগে পঢ়িছিল। তেতিয়াৰ পৰাই বন্ধুত্ব। মধুৱে কলেজ এৰি ব্যৱসায় কৰি বহুত টকা কৰিছে। মৃণালে তাৰ পৰা টকা পাঁচশ খুজি থৈছে। আজিয়েই দিয়াৰ কথা।

নিৰ্মল বৰাৰ ঘৰৰ পদুলি পাই দুয়ো চাইকেল ৰখালে। নিৰ্মল বৰাৰ ঘৰৰ পৰা সোনকালেই বিদায় ললে। তাৰ পিচত মধু আগৰৱালাৰ দোকান। তাতো বেছি সময় নহ'ল। দুয়ো টাউনখন ঘূৰি পূজা চোৱা



মানুহবোৰকে চালে। অপৰাৰ লিষ্টখনৰ মতে সৰু সুৰা বস্তুৰ বজাৰ অলপ কৰিলে। তেতিয়াও মৃণালৰ অলঙ্কাৰ দোকানলৈ যোৱাই হোৱা নাই। অথচ মৃণালে হেমন্তৰ লগ লৈছিল— অলঙ্কাৰখিনি আনিবলৈ বুলিহে। সেয়েহে হেমন্তই সুধিলে—"সোণৰ বস্তুখিনি ক'ত কৰি-বলৈ দিছিল?" "দামোদৰ জুৱেলাৰী"ত— নিৰ্বিকাৰভাৱে মৃণালে উত্তৰ দিলে। "বলক তালৈ যাওঁ?" "যাম তাৰ আগেয়ে আন এঠাইৰ পৰা আহোঁগৈ বলা। ঘূৰি আহি দামোদৰ জুৱেলাৰীত সোমাম।"

মৃণালৰ লগে লগে হেমন্ত গৈ থাকিল। মৃণাল ক'লৈ গৈছে সি নাজানে। সুধিবলৈও মন যোৱা নাই। হেমন্তই লক্ষ্য কৰিছিল মৃণালে কামবোৰ যেন যন্ত্ৰবৎহে ক'ৰি গৈছিল। মৃণালৰ মন যেন ক'ৰবাত বন্ধা। মৃণাল যেন কিবা ভাৱত বিভোৰ। হেমন্তৰ কথা যেন মৃণালে পাহৰিয়েই গৈছে। মৃণালে এটাও কথা কোৱা নাই। মৃণাল যেন মনে মনে কিবা এটাৰ বাবে সাজু হৈছে। টাউন এৰি দুমাইলমান অহাৰ পিচত হেমন্তই সুধিবলৈ বাধ্য হ'ল—"ককাইদেউ, আৰু কিমান দূৰ আছে?" মৃণালে খকমককৈ কলে— "সোৱা পালোহিয়েই। সেই যে নাৰিকল গছ দুজোপা দেখিছা সেইটোৱেই পদুলি।" এইবাৰহে হেমন্তই বুজিলে যে মৃণাল কাৰোবাৰ ঘৰলৈ আহিছে। তাৰ হাঁহি উঠিল। দুয়ো ঘৰটোৰ পদূলিয়েদি সোমাই গ'ল। পদূলি সোমায়েই দেখিলে চোতালৰ আগতে এখন ৰাজদূত ৰৈ আছে। মৃণালে ভাবিলে তাৰমানে কুসুমৰ ঘৰত আলহী আছে। যি নহওক ভিতৰলৈ সোমাই গ'ল। বহা কমতে ৰাজদূতৰ গৰাকী বহি আছে। কুসুমৰ ভনীয়েক কৰবীয়ে দেখিয়েই কৈ উঠিল "ইয়ে ককাইদেউ, বহক। কি মনত পৰিল আজি?" "নহয় বুজিছা, পূজাত বোলে ফুল লাগে, দুপাহমান লৈ যাওঁ বুলিয়েই সোমালো।" কৰবীয়ে মৃণালৰ কথা নুবুজিলে—"আমি পূজাত নালাগো নহয়।" কৰবীয়ে আলহীৰ লগত চিনাকী কৰি দিলে 'ৰাজীৱ লোচন বৰুৱা'। মৃণালৰ অনুমানেই সঁচা. কুসুমৰ ভাবী জোৱাই। 'বাৰু কথা পাতকচোন' বুলি কৰবী সোমাই গ'ল।

কিছুসময়ৰ পিছত হাতত তামোলৰ বটাটো লৈ কুসুম ওলাই আহিল। কুসুমক অলপ শেঁতা যেন দেখিলে মৃণালে। 'তামোল খাওক' বুলি কৈ তাই মাজৰ টেবুলখনতে বটাটো থলে। মৃণালে হেমন্তৰ লগত চিনাকী কৰি দিলে। নমস্কাৰ প্ৰতিনমস্কাৰৰ বিনিময়ৰ পিচত তাই অদূৰৰ চকী এখনত বহিল। কি সুধিব কি নুসুধিব মৃণালে ভাবি পোৱা নাই। হয়তো কুসুমেও কি বুলি আৰম্ভ কৰিব ঠিক কৰিব পৰা নাই। কুসুমেই আৰম্ভ কৰিলে — "আপোনাৰ ভালেই নহয় জানো? ক'ৰবাত ফুলিবলৈ গৈছিল নেকি"? "অলপ পূজা চালো। তাৰ পিচত এইখিনিতে যে ল'ৰা এজন আছে — কবিতা লিখে, তেওঁৰ ওচৰলৈ আহিছিলো।" মৃণালে মিছাৰ আশ্ৰয় ললে। 'অ' তুমি পঢ়িছানে নাই জানো? আমি মাহেকীয়া কবিতা আলোচনী এখন উলিয়াইছো নহয়। পূজাৰ আগতে প্ৰথম

সংখ্যা ওলাই গৈছে।" হেমন্তলৈ দেখুৱাই কলে — "এৱেঁই সম্পাদক। পাৰিলে তুমিও কবিতা এটা দিবা। লিখা আছে যদি দিয়া লৈয়েই যাওঁ। দ্বিতায় সংখ্যা প্ৰেছত দিবৰ হলেই।" নহলে মৃণালৰ উপায় নাছিল। সি এনে পৰিস্থিতিত পৰিব বুলি ভৱাই নাছিল। কুসুমে লাহে লাহে কলে — 'মই বহুদিন কবিতা লিখাই নাই। আগৰ দৰে লিখিব নোৱাৰো দেখোন। ভাব ভাষা নোলোৱাই হ'ল।" অলপ পিছত কুসুম ভিতৰলৈ সোমাই গ'ল। কুসুমৰ ভাবী স্বামীৰ লগত মৃণাল-হেমন্তই কথা পাতিবলৈ ধৰিলে। তেওঁ Statistical Officer, শ্বিলঙত থাকে। কথাই কথাই ইংৰাজী শব্দ লগায়। কথাৰ মাজত নিজকে ওপৰত ৰখাৰ চেষ্টা। মৃণাল হেমন্ত শিক্ষক বুলি গম পাইছে ইতিমধ্যে ৰাজীৱ লোচনে। ৰাজীৱ লোচনে কবিতা ভাল নেপায়; বুজিও নেপায় বোলে। কবিতা আলোচনী উলিয়াই কিবা লাভ আছে জানো তাকো সুধিলে। মৃণালে ৰাজীৱ লোচনৰ লগত কথা পাতি হতাশ হ'ল। কুসুমক এসময়ত সি ভাল পাইছিল। তাইৰ মনটোৰ কথা সি বুজি পাইছিল। তাইৰ কোমল অন্তৰখনক, কবিতা লিখিব পৰা অনুভূতিখিনিক সি বৰ ভালকৈ চিনি পাইছিল। মৃণাল-কুসুম কলেজত পঢ়ি থাকোতে কুসুমক লগৰ লৰাবোৰে জোকাইছিল, পদুমবহে মৃণাল থাকে; তাই হাঁহি কৈছিল — "পদুম হোৱাৰ ভাগ্য মোৰ নাই।" কুসুমে ধেমালি কৰিছিল যদিও পিচত সেয়ে সঁচা হৈছিল। মৃণাল-কুসুমৰ অকৃত্ৰিম ভালপোৱাৰ মাজতো ঘূণে ধৰিছিল। মৃণালে বি, এ দিয়াৰ সময়ত কুসুমে প্ৰি-ইউ দিছিল। সৰু কথা এটাতে সিহঁতৰ ভুল বুজা বুজি হৈছিল। লাহে লাহে সিহঁত আঁতৰি পৰিছিল। দুটা গ্ৰহে সিহঁতক দুফালৰ পৰা আকৰ্ষণ কৰি আৰু দূৰলৈ আঁতৰাই লৈ গৈছিল। এতিয়া সিহঁতৰ কক্ষপথ সম্পূৰ্ণ সুকীয়া।

কৰবীয়ে মৃণাল-হেমন্তক ভিতৰলৈ মাতিলে। ৰাজীৱ নগ'ল। কুসুমে দুয়োকো চাহ জলপান দিলে বৰ আন্তৰিকতাৰে। মৃণালে পাহৰি গল সকলো কথা। কুসুমক সি অকলশৰীয়াকৈ লগ পাবলৈ বিচাৰিছিল। কুসুমক টুকুৰিয়াই চালে - "কুসুম, বিয়ালৈ মাতিবা দেই।" "বিয়া — মই বিয়ালৈকে জীয়াই থাকিলে নিশ্চয় মাতিম।" "সেইটো আক' কেনেকুৱা কথা। ইমান আশা-ভৰসা লৈ জীয়াই নাথাকিবা কিয়? ৰাজপুত্ৰৰ দৰে দৰা পাইছা, ৰাজদূততো আছেই, একেবাৰে ৰাজসুখত থাকিবা" কুসুমে মনটো সেমেকাই পেলালে। মৃণালৰ বেয়া লাগিল। নতুন চিনাকী হেমন্তৰ আগত কুসুম অপ্ৰস্তুতো হৈছে। ইতিমধ্যে চাহ জলপান খোৱা হৈছিল। হেমন্তই কলে - "ককাইদেউ, মই বাহিৰতে বহোগৈ।" মৃণালে ভালেই পালে। তাই এইবাৰ বহুদিনৰ আগলৈ ঘূৰি গ'ল। সিহঁতৰ সুকীয়া কক্ষপথৰ কথা পাহৰি গ'ল — মৃণালেও কুসুমেও। কুসুমে কলে — "আপুনি মোৰ মনটোক ইমান ভালকৈ চিনি পায়ো এইদৰে কব পাৰিলে? মই জানো এইবোৰ বিচাৰো? মোৰ মাজে



মাজে ভাব হয় মই কিবা এটা বস্তু হেৰুৱালো যিটো বস্তু কোনোদিনেই আৰু বিচাৰি নেপাম।" মৃণালৰ মনটো এইবাৰ গলি গ'ল - "কুসুম, তুমি মোক পাহৰি গলা বুলি ধৰি লৈছিলো আৰু সেইবাবে ময়ো পাহৰি যাবলৈ যত্ন কৰিছিলো।" কিন্তু পাৰিছে জানো পাহৰিব মৃণালে?? মৃণালৰ ভাব হল — সি বৰ ভুল কৰিলে। মৃণালৰ দুখন জৰুৰী চিঠিৰ উত্তৰ নিদিয়াৰ বাবেই সি কুসুমৰ ওপৰত অভিমান কৰি আঁতৰি গৈছিল। কিন্তু তেতিয়া তাৰ কক্ষপথ সলনি হৈ গৈছে। যোৰহাটত বি টি পঢ়িবলৈ গৈ মণিমালাৰ মাজত কুসুমক বিচাৰি পাইছিল। কুসুমৰ বিয়াৰ বন্দোবস্ত হোৱাৰ কথাও সি শুনিছিল। তাৰ কুসুমক এবাৰ চাবৰ মন গৈছিল। সি ভাবিলে — ৰাজীৱৰ লগত কুসুম সুখী হব পাৰিবনে? তাইৰ অনুভূতিবোৰ সি জানো উপলব্ধি কৰিব পাৰিব? তথাপি উপায় নাই। কুসুম সুখী হোৱাটোকে সি কামনা কৰে। "কুসুম, সুখী হবলৈ চেষ্টা কৰিবা। মোৰ অন্তৰ ভৰা শুভেচ্ছা থাকিল।" "চেষ্টা কৰিছো, কিন্তু পৰা নাই দেখোন। মই বিচৰা বস্তু যদি নেপাওঁ তেন্তে"... কুসুমে আৰু কব নোৱাৰিলে। দুটোপাল চকুপানী বৈ আহিল। 'আপুনি দিয়া কলমটো বৰ মৰমেৰে থৈ দিছো। কবিতা আৰু কেতিয়াও নোলাব।" অলপ সংযত হৈ কুসুমে কলে — আজিয়েই সিহঁতে শেষবাৰৰ বাবে লগ পাইছে। তাৰ পিছত সিহঁতে সুকীয়া কক্ষপথে গতি কৰিব। মৃণালৰ মনত পৰিল বাহিৰত হেমন্ত আছে, ৰাজীৱ আছে। সি চাহ খাবলৈ আহি ভিতৰতে আছে ইমান পৰে। হেমন্তই হয়তো বৰ অস্বস্তি অনুভৱ কৰিছে। ৰাজীৱে বাৰু কি ভাবিছে? "কুসুম যাওঁ —। মোৰো বিয়া আহিনৰ ২৫ তাৰিখে, শুভেচ্ছা নজনোৱা জানো?" কুসুমে একো নকলে। কবপৰা অৱস্থাই হয়তো নাছিল। সি বাহিৰলৈ আহিল। হেমন্তক কলে — "যাওঁ বলা।" ৰাজীৱ আৰু হেমন্তই কৰবীৰ পৰা বিদায় লৈ পিচলৈ নোচোৱাকৈ আগ বাঢ়িল। তাৰ ভাব হ'ল — কুসুম তাৰ জীৱনৰ এপাহ শেৱালি ফুল, যি পাহ ফুলি থকাৰ সময়ত মিঠা সুবাসেৰে তাৰ জীৱনৰ প্ৰতিটো ক্ষণ ভৰাই তুলিছিল আৰু সৰি যোৱাৰ পিচতো ফুল পাহৰ সৌৰভ তাৰ সমগ্ৰ জীৱনতে বিয়পি ৰ'ল।



# শংকৰ দেৱৰ কীৰ্ত্তনৰ অমৃততত্ত্ব

প্ৰহ্লাদ কুমাৰ বৰুৱা

অস্তিত্ব, বিকাশ আৰু বিনাশ এয়ে জড়-জগতৰ জীৱ সমূহৰ চলমান পথ। শংকৰদেৱৰ কীৰ্ত্তনৰ বহুঠাইতে জীৱৰ অস্তিত্ব, এই অস্তিত্ব-স্বৰূপে আত্মাৰ স্বীকাৰ আৰু আত্মাৰ আধাৰ স্বৰূপ ভৌতিকদেহৰ বিনাশশীলতাৰ কথা পোৱা যায়। কিন্তু শংকৰদেৱৰ কীৰ্ত্তন-প্ৰতিপাদ্য দৰ্শনত আত্মাৰ অমৰত্বৰ কথা স্বীকাৰ কৰা হলেও এই অমৰত্ব যে কলাত্মক চিন্তা-চৰ্চা আৰু কলাৰ মাধ্যমতহে নিৰ্ভৰশীল সেই কথা মানি লবলৈ টান নালাগে। সেই বাবেই কীৰ্ত্তনৰ বহু ঠাইত নামক অমৃতৰূপে আখ্যা-দিয়াৰ এটা কলাসন্মত তাৎপৰ্যস্বীকাৰ কৰি লবলগীয়া হয়।

শংকৰী দৰ্শনত অমৃত লাভৰ উপায় কলা-ত্মক সাধনা। কলাৰ মাধ্যমেদি কৰা এই ধৰ্মীয় সাধনাই মানুহক অমৰত্ব প্ৰদান কৰিব পাৰে। প্ৰত্যেক ব্যক্তিয়েই নিজৰ মৃত্যু বা বিনাশ অৱশ্যম্ভাৱী বুলি জানিও দীৰ্ঘ দিন নিয়—অনন্তকাল জীয়াই থাকিবলৈ বিচাৰে। মানুহ মাত্ৰেৰেই এইটো সহজাত আকাংখ্যা। কিন্তু ই যে অসম্ভৱ সিও অজ্ঞাত নহয়। তথাপি ব্যক্তিৰ অমৰত্ব সম্পূৰ্ণ অসম্ভৱ বুলি কৈ দিব নোৱাৰি। এই প্ৰসঙ্গত এগৰাকী দাৰ্শনিকৰ মতৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে—অমৰত্ব লাভৰ অধিকাৰ সকলো ব্যক্তিৰে আছে মাত্ৰ এই অমৰত্ব অৰ্জনৰ বাবে লাগে কলাৰ মাধ্যমেৰে সত্যান্বেষণৰ গভীৰ সাধনা।[1] যিসকলে জীৱনকালত গভীৰ সাধনাৰে আত্ম-বিচাৰ আৰু আত্মদৰ্শনেৰে কলাসন্মত আত্ম-প্ৰসাদ লাভ কৰিব নোৱাৰে অথবা কৰাৰ যত্নও নকৰে তেনেলোকৰ বাবে অমৰত্ব দুৰ্লভ।

শংকৰদেৱৰ কীৰ্ত্তন একে আষাৰে ধৰ্মগ্ৰন্থ বুলি কৈ দিলে অন্যান্য ধৰ্ম গ্ৰন্থৰ তুলনাত এই গ্ৰন্থৰ সামাজিক, বৈজ্ঞানিক আৰু কলাত্মক প্ৰমূল্য হ্ৰাস কৰা হয়। গতিকে মানুহক অমৰত্ব প্ৰদান কৰিব পৰা অমৃততত্ত্বৰ সন্ধান কীৰ্ত্তনত কেনেদৰে দেখুওৱা হৈছে তাৰ বিচাৰ কৰাৰ প্ৰয়োজন।

শংকৰদেৱ বাস্তৱবিমুখী আৰু বৈৰাগ্য-প্ৰধান ভক্তিবাদী নহয়। তেওঁৰ দৰ্শন দৈনন্দিন প্ৰণালীবদ্ধ জীৱনযাপন পদ্ধতি আৰু শান্তিপূৰ্ণ উচ্চাঙ্গ আদৰ্শৰে পৰিপুষ্ট। শংকৰদেৱৰ ব্যক্তিগত জীৱনেই তাৰ প্ৰমাণ। আত্মজ্ঞান লাভ নহলে

১ Prof, Pringal Patichan — "The Idea of Immortality" P. 195.



সৰ্বত্ৰ ব্ৰহ্মদৰ্শন লাভ নহয় আৰু সৰ্বত্ৰ ব্ৰহ্মজ্ঞান লাভ নহলে মানুহৰ মনত ভূত দয়াও নুপজে। গতিকে শংকৰদেৱে আত্মদৰ্শনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আত্মজ্ঞান লাভৰ ফল হল অনাবিল আনন্দ লাভ। এনে আনন্দই মানুহৰ মনত প্ৰকাশক্ষম শক্তিৰ উদ্ৰেক কৰে। বহুতৰ মতে সংসাৰ দুখ যন্ত্ৰণাৰে ভৰা। শংকৰ-দেৱেও এই মত পোষণ কৰিছে। অথচ দুখ যন্ত্ৰণাৰে ভৰা সংসাৰখন সুখ-শান্তিৰে পৰিপূৰ্ণ কৰি জীৱনক সুখময় ৰূপত উপভোগ কৰাৰ উপায় শংকৰদেৱৰ দৰ্শনৰ আন এটা মূখ্য প্ৰতিপাদ্য বিষয়। "ভোগ্য ভোগা বসুন্ধৰা" বুলি এষাৰ কথা আছে। এই পুৰাতন কথা-ষাৰৰ সত্যতা প্ৰতিপন্ন হয় শংকৰদেৱৰ ধৰ্মৰ সাধন প্ৰণালীত। গভীৰ আৰু অবিৰাম মনন-শীলতাৰে অনুভূতিক সূক্ষ্ম কৰি কলাৰ সাধনা কৰিব পাৰিলে মানসিক শান্তি লাভ হ'বপাৰে। যিহেতু প্ৰকৃত সুখানুভৱ সূক্ষ্মানুভূতিৰ দ্বাৰাহে লাভ হ'ব পাৰে। গতিকে অনুভূতিক সূক্ষ্ম কৰিবৰ বাবেই শংকৰদেৱে শ্ৰৱণ কীৰ্তনৰ ভেটীত যিদৰে জ্ঞান অৰ্জনৰ উপায় দিলে সেইদৰে নৃত্যগীত আদি চৰ্চাৰ যোগেদি অনুভূতি সূক্ষ্ম কৰাৰ উদ্দেশ্যে ব্যক্তিক কলা-নুৰাগী কৰি তোলাৰ পন্থা অৱলম্বন কৰিলে। কীৰ্ত্তন ইয়াৰ উদাহৰণ। কীৰ্ত্তন এনে এখন গ্ৰন্থ য'ত গভীৰ তত্ত্ব কথা আছে আৰু তাতেই গীতৰদৰে উচ্চাঙ্গ কলাৰো স্থান আছে। সেইবাবেই বিভিন্ন ৰাগ-তালত নিবন্ধিত কীৰ্ত্তনৰ বিষয় বস্তুবোৰ একালে তত্ত্বকথাৰে পৰিপূৰ্ণ আৰু আনফালে গীতি-মাধুৰ্যৰে মহিমান্বিত।

জীৱনৰ প্ৰকৃত সুখৰ বাবে ঊৰ্ধমুখী সাধনাৰ প্ৰয়োজন। সুকুমাৰ কলাৰ মহৎ অনুশীলনে ব্যক্তিক মহত্ব প্ৰদান কৰিব পাৰে। কীৰ্ত্তনত জীৱন ধাৰণৰ বাবে কৰণীয় ব্যৱহাৰিক কৰ্মৰ প্ৰতি উদাসীন্য নাই বৰং দৈনন্দিন জীৱনধাৰণাৰ বাবে কৰণীয় কৰ্ম কৰাৰ উপৰিও ব্ৰহ্ম সাধনক মূখ্য লক্ষ্য ৰূপে লৈ নৃত্য-গীত আদি চৰ্চাৰ ব্যৱস্থাহে আছে।

শংকৰদেৱৰ কীৰ্ত্তন প্ৰতিপাদ্য দৰ্শনত যি অমৃত তত্ত্বৰ সন্ধান পোৱা যায় সেইয়া উচ্চাঙ্গ কলা সৌন্দাৰ্য সাধনাৰ ফলশ্ৰুতি মাথোন। গীতি সাহিত্য হিচাবে কীৰ্ত্তন অসমীয়া সাহিত্যতেই কিয় সৰ্বভাৰতীয় সাহিত্যতো ইয়াৰ স্থান বহু ওপৰত। শংকৰদেৱৰ সামগ্ৰীক ৰচনা (Complete works) ৰ ভিতৰত কীৰ্ত্তনৰ এটা বৈশিষ্ট্য লক্ষ্য কৰা যায় যে আনবোৰ কাব্যৰ ছন্দৰ তুলনাত কীৰ্ত্তন গ্ৰন্থৰ ছন্দৰ এটি স্বকীয় বৈশিষ্ট্য আছে। ইয়াৰ প্ৰতিটো অধ্যায় নাতিদীৰ্ঘ আৰু প্ৰতিটো অধ্যায়ৰ আৰম্ভনিত ঈশস্তুতিমূলক একোটা ঘোষা আছে। ইয়েই প্ৰমাণ কৰে যে কীৰ্ত্তন ৰচনাৰ উদ্দেশ্য তত্ত্ব-জ্ঞান প্ৰকাশ, গীতৰ প্ৰচাৰ আৰু এই গীতৰ দ্বাৰা লোক সাধাৰণৰ মনত কলাত্মক মনোৰঞ্জন প্ৰদান। দৈনন্দিন শ্ৰৱণ কীৰ্ত্তনৰ ওপৰত প্ৰতিটো অধ্যায়ত গুৰুত্ব দিয়া কীৰ্ত্তন গ্ৰন্থই লোক সাধাৰণৰ দৈনন্দিন কৰ্মব্যস্ত জীৱনৰ জড়তা ভাঙি বিমল আনন্দ দিব পাৰে। সংগীতৰ এনে গুণৰ বিষয়ে এগৰাকী পণ্ডিতে কৈছে—

"সংগীতে দৈনন্দিন জীৱনত আত্মাৰ কলুষতা ৰা জড়তাক আঁতৰ কৰে।"[২] "dust of every day life"ৰ ব্যাখ্যা যদি দৈনন্দিন কৰ্ম-ব্যস্ত জীৱনৰ গতানুগতিকতাৰ জড়তা বুলি দিয়া হয় তেনেহলে বোধহয় ভুল কৰা নহ'ব। সংগীত জীৱন মৰুৰ মৰোদ্যান এইষাৰ কথাৰ লগতে "Bovel"যে কোৱা এষাৰ কথা উল্লেখ কৰিব পাৰি। তেওঁৰ মতে — "আমাৰ প্ৰবৃত্তিয়ে বিচৰা মৌলিক প্ৰয়োজনীয়তাৰ ভিতৰত সঙ্গীত চতুৰ্থ; প্ৰথম আহাৰ, দ্বিতায় বস্ত্ৰ, তৃতীয় সংস্থান আৰু তাৰ পিচত সঙ্গীত।[৩] গীতৰ এনে প্ৰভাৱ মানৱজীৱনৰ ওপৰত যে পৰে আৰু এই প্ৰভাৱে যে মানুহৰ মন উৰ্দ্ধ-মুখী কৰে তাত সন্দেহ নাই। শংকৰদেৱৰ ধৰ্মৰ সাধন প্ৰণালী কলা-সন্মত আৰু ইয়াৰ উদ্দেশ্য হৈছে কলাৰ মাধ্যমেদি তত্বজ্ঞান প্ৰচাৰ কৰি মানুহৰ মন আৰু চিত্তবৃত্তিক উৰ্দ্ধমুখী কৰা। স্বামী বিবেকানন্দই এষাৰ কথা কৈছিল — "মানুহৰ আদিম অৱস্থালৈ প্ৰত্যাগমনেই ধ্বংস আৰু উৰ্দ্ধমুখী ক্ৰমাবিবৰ্ত্তনেই প্ৰগতি।"[৪] শংকৰদেৱেও মন, বুদ্ধি আৰু চিত্তৰ উৰ্দ্ধগামী গতিৰ বাবেই তেওঁৰ ধৰ্মীয় আদৰ্শৰ সাধন ব্যৱস্থাক কলাৰ ৰূপত সজাই তুলিলে। ডঃ ৰাধাকৃষ্ণণে কৈছে — 'উপাসনা সঙ্গীত আৰু কলাই আনুভূতিক-ক্ষমতা বৃদ্ধি কৰে।"[৫] এনে কাৰণতেই শংকৰদেৱে তেওঁৰ কীৰ্ত্তনৰ মাজেদি এক অন্তৰ্মুখী আন্দোলনৰ বাণী প্ৰচাৰ কৰিছিল। "কলা গভীৰ আৰু মধুৰ আৰু ইয়াৰ চৰ্চাই মানুহৰ মনো গভীৰ আৰু মধুৰ কৰি তোলে।"[৬] শংকৰদেৱৰ কীৰ্ত্তনত সংগীত-কলা সাধনাৰ যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে তাৰ যোগেদি মানুহৰ মন জ্ঞান গভীৰ আৰু কলাৰ আনন্দৰে পৰিপূৰ্ণ হৈ উঠিব পাৰে। দৰাচলতে শংকৰদেৱৰ কীৰ্ত্তনত একালে গভীৰ তত্ত্বকথা আৰু আনফালে মধুময় গীতিধৰ্মীতা এই দুই তত্ত্বৰ অপূৰ্ব মিলনত ভাৰতীয় দৰ্শনৰ অমৃততত্ত্ব নিহিত হৈ আছে। ভাৰতীয় দৰ্শনৰ মুক্তি আৰু অমৃততত্ত্বৰ মাজত বিশেষ পাৰ্থক্য নাই। মুক্তিৰ সম্পৰ্কত আৰ্য ঋষিয়ে কৈছে —

মনএৱ মনুষ্যানাং কাৰণং বন্ধমোক্ষায়োঃ।
বন্ধায়বিষয়াসক্তে মুক্তৈঃ নিৰ্বিৰ্ষয়ম্ মণঃ॥
(সিদ্ধান্ত প্ৰদীপ ২,১০,৩২)

গতিকে দৈনন্দিন কৰ্মব্যস্ততাৰ জড়তাৰ পৰা মানুহক সাময়িক মুক্তি দিয়াৰ ক্ষেত্ৰতো কীৰ্ত্তনৰ প্ৰমূল্য মনকৰিবলগীয়া।

তদুপৰি কীৰ্ত্তনৰ অধ্যাত্মজ্ঞান প্ৰধান গ্ৰন্থ। কীৰ্ত্তনৰ জ্ঞানেৰে স্থূলজগত আৰু সূক্ষ্মজগতৰ

২. Music washes away from the soul the dust of every day life"
৩. "Music is the fourth great mıterial want of our nature; first food, then raiment, then shelter, then music" — Bovee —
৪. "If atavism gains, you go down if evolution gains you go on. — Swami Vivekanda —
৫. "Worship, music and art develope the religion of feelling." — Dr. S. P. Radhakrishnan —
৬. "Art is subtle and delicate, and it makes the mind also in its movements subtle and delicate." — Aravinda —



পাৰ্থক্য দৃষ্টিগোচৰ কৰোৱা হৈছে। জীৱনৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে আত্মাৰ অস্তিত্বতহে আৰু এই আত্মা পৰমাত্মাৰ পৰা উদ্ভূত। এনে তাত্বিক বিচাৰেই কীৰ্ত্তনৰ দাৰ্শনিক ভেটি। কীৰ্ত্তনৰ দৰ্শন ঔপনিষদিক দৰ্শন। এই খিনিতে উপনিষদৰ এষাৰ বাণী প্ৰনিধানযোগ্য —

অন্ধং তমঃ প্ৰৱিশন্তি যেহবিদ্যামুপাস্যতে।
ততোঃ ভূয় ইব তে তমো য উ বিদ্যায়াংৰতাঃ॥

× × × × ×

বিদ্যাং চাবিদ্যাং চ যস্তদ্বেদোভয় সহ।
অবিদ্যায়া মৃত্যুং তীৰ্ত্বা বিদ্যায়ামৃতমশ্নুতে॥

উপনিষদৰ এই মৰ্মবাণী যেন শংকৰদেৱৰ কীৰ্ত্তনৰো বাণী স্বৰূপ। কাৰণ অজ্ঞানতাক দূৰ কৰি জ্ঞানৰ সাধনা কৰিবলৈও শংকৰদেৱে কোনো প্ৰকাৰ উপদেশ দিয়া নাই বৰং জ্ঞান আৰু অজ্ঞানতাৰ মাজৰ ৰহস্যঘন কুহেলিকা ভেদি পৰম তৃপ্তিৰবাবে কলাত্মক সাধনাৰ ব্যৱস্থাহে আগ বঢ়াইছে। এনে অন্তৰ্মুখী সন্ধানী সাধনাই স্তৰে স্তৰে ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্বৰ্গৰ সোপানত তুলি নি মানুহক অসীম আনন্দৰ অধিকাৰী কৰে আৰু এনে সূক্ষ্ম অনুভাবাত্মক তৃপ্তিবোধেই অমৃতস্বৰূপ। কীৰ্ত্তনৰ সাধন প্ৰণালী মানৱাত্মাৰ উৎকৰ্ষসাধনৰ সহায়ক। যিহেতু অন্তৰ্মুখী মনন বা চিন্তনযুক্ত মনৰ গতিশীলতাই মুক্তি। শংকৰদেৱৰ কীৰ্ত্তনত এনে শিক্ষা প্ৰচাৰৰ বাণীকেই ঘোষণা কৰা হৈছে। "চৰ্চাবিমুখী মন নিৰান্দময়"[৭] এইষাৰ কথায়ো প্ৰমাণ কৰে যে আত্মবিচাৰ আৰু আত্মদৰ্শনৰ বাবে মনক উচ্চাঙ্গ চিন্তাত জড়িত কৰি ৰাখিব লাগে। মননশীলতাই মনৰ শক্তি বৃদ্ধি কৰে আৰু শক্তিশালী মনৰ দ্বাৰাহে আত্মপ্ৰসাদ লাভ হ'ব পাৰে। মুক্তিলাভৰ বাবে জ্ঞানৰ প্ৰয়োজন আৰু সেইবাবে কীৰ্ত্তনত জ্ঞানৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। "কেৱল কৰ্মই মুক্তি বা স্বাধীনতা দিব নোৱাৰে; জ্ঞানেহে মানুহক মুক্তি দিব পাৰে। জ্ঞান দুৰ্নিবাৰ; জ্ঞানৰ ওপৰত মনৰ অধিকাৰ নাই, জ্ঞানক মনে গ্ৰহণ কৰিবলৈ বাধ্য; গতিকে জ্ঞান মনৰ কাৰ্য নহয়; মন জ্ঞান-প্ৰকাশৰ মাধ্যমহে।"[৮]

এইখিনি আলোচনাৰ পৰা দেখা গ'ল ৰহস্যাবৃত্ত গোপন সত্যৰ সন্ধানত মনক নিবিষ্ট কৰি চিন্তাবৃত্তিক গতিদান কৰাই শংকৰী

৭. "Mind unemployed is mind unenjoyed."
৮. "No action can give you freedom; only knowledge can make you free. Knowledge is irresistible; the mind cannot take it or reject it when it comes, the mind has to accept it; so it is not a work of the mind, only its expression comes in the mind" — Swami Vivekananda —

আদৰ্শৰ তাৎপৰ্য। উপনিষদৰ মতেও—

উদয়ং তমসস্পৰিস্বঃ পশ্যন্ত উত্তৰম্।
দেবং দেবত্ৰা সূৰ্য্যমগন্ম জ্যোতিৰোত্তম্॥

অজ্ঞানতাৰ তমসা ভেদি আলোকৰ পিনে গতিশীল হোৱাৰ এই প্ৰয়াস উপনিষদ কালীন ভাৰতীয় ঋষিৰো আছিল। উপনিষদৰ এই আদৰ্শত কলাৰ সংযোগ সাধন কৰি শংকৰদেৱে এক ব্যৱহাৰিক ৰূপ দিলে। এই ব্যৱহাৰিকতাত প্ৰাধান্য লাভ কৰিলে কলাই; কিন্তু শংকৰদেৱৰ আৰ্ট বা কলা বাস্তৱবিমুখী নহয়। দৈনন্দিন জীৱনত প্ৰয়োজনীয় নানান কৰ্মৰ মাজতো কলাৰ ৰসানন্দ উপভোগ কৰাৰ ব্যৱস্থা কীৰ্ত্তনৰ যোগেদি আগবঢ়োৱা হৈছে। অৱশ্যে আৰ্ট বা কলা বাস্তৱ বহিৰ্ভূত নহয় ই বাস্তৱৰে এক মন্ময় অৱস্থা। ডাঃ ত্ৰিলোচন সিং এ কৈছে— 'কলা বাস্তৱৰেই ৰূপান্তৰ আৰু ধৰ্ম বাস্তৱৰ স্থূল দৃষ্টি মাথোন"।[৯] শংকৰদেৱৰ আদৰ্শত এইষাৰ কথা অধিক প্ৰযোজ্য। কাৰণ কীৰ্ত্তন প্ৰতিপাদ্য য আদৰ্শ সেয়ে কলাৰ মাধ্যমদি প্ৰকাশমান আদৰ্শ। শংকৰদেৱ শিল্পী; সেয়ে তেওঁ প্ৰধানভাৱে সংগীত কলাৰ মাধ্যমেদি কীৰ্ত্তনত এনে আদৰ্শকে প্ৰচাৰ কৰিলে য আদৰ্শ বাস্তৱ বহিৰ্ভূত নহয়। শংকৰদেৱে দেখুৱালে যে দৈনন্দিন জীৱন ধাৰণৰ বাবে কৰ্তব্য কৰ্ম কৰিও ভক্তি ধৰ্ম কৰিব পাৰি। অবিৰাম কৰ্মই সৃষ্টি কৰা জড়তা ভাঙি মনৰ শান্তি আনিব পাৰি কীৰ্ত্তনৰ একাকি পদৰ ৰাগিনীৰে।

কলাৰ যোগেদি ব্যক্তিৰ হৃদয়ানুভূতিক অন্য ব্যক্তিৰ হৃদয়ত অনুভৱ কৰোৱা হয়। টলষ্টয়েও আৰ্টৰ সূক্ষ্মতত্ত্বৰ ব্যাখ্যা দি কৈছে— আৰ্টৰ উদ্দেশ্য ব্যক্তিৰ অনুভূতিক ব্যক্তিহৃদয়লৈ সংক্ৰমন কৰা। গতিকে কীৰ্ত্তনত অমৃততত্ত্ব আধ্যাত্মিকতাৰ পৰা ব্যৱহাৰিকতালৈ আৰু ব্যৱহাৰিকতাৰ পৰা আধ্যাত্মিকতালৈ উত্তৰণ। আৰ্টে অনুভূতিৰ মিলন ঘটাই বাবে স্থূল ৰূপত ব্যক্তি ভিন্ন হলেও সূক্ষ্মৰূপত ব্যক্তিৰ সৈতে ব্যক্তিৰ ভিন্নতা নিঃচিহ্ন কৰি আনে। গতিকে ব্যক্তিবোধক সামাজিক ঐক্যবোধলৈ ৰূপান্তৰ কৰাত আৰ্টেই একমাত্ৰ মাধ্যম। কলাৰ ৰসগ্ৰাহীলোক তেওঁ নিজেই নিজৰ নিয়ন্ত্ৰক হৈ পৰে। সকলোস্থানতেই তেওঁৰ প্ৰৱেশ হয় বাধাহীন।[১০] কীৰ্ত্তনত আত্মজ্ঞান আৰু কলাসাধনা এই দুয়োটাৰ যোগেদি ব্যক্তিগত মুক্তি আৰু প্ৰশান্তিৰ লগতে সামাজিক ঐক্যবোধজনিত শান্তিৰ বাণী প্ৰচাৰ কৰা হৈছে। প্ৰাচীন ভাৰতীয় ঋষিয়ে অমৃততত্ত্বৰ কথা কবলৈ গৈ যিদৰে—"প্ৰাণাৰামম মন আনন্দম্ শান্ত সমৃদ্ধম্ অমৃতম্" বুলি কৈছিল তাৰ মৰ্ম কথা উপলব্ধি কৰি শংকৰদেৱে কীৰ্ত্তনত অমৃততত্ত্ব প্ৰকাশ কৰিলে; যি অমৃতে ব্যক্তি আৰু সমাজ জীৱনক অমৃতময়তাত আপ্লুত কৰি ৰাখিব পাৰে। ডঃ ৰাধাকৃষ্ণণৰ মতেও— "যি সকলে নিয়ম সংযম আৰু সাধনাৰ জৰিয়তে নিজক বিশুদ্ধ কৰি তোলে তেওঁলোকেই নিজক আৰু সমাজক শান্তিৰে ৰক্ষা কৰে।"[১১] অমৃতৰ তাৎপৰ্যও ইয়েই।

৯ "Art is reality transfigured by the artist and religion is a concrete vision of this reality. — Dr. Trillochan Singh —
১০ ছান্দোগ্য উপনিষদ্ ৭, ২৫ ৩২
১১ ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন — "জীৱনৰ আদৰ্শবাদ।" পৃঃ ২৬৫

# কবিতা

## এইখন পৃথিৱীতে

খগেন্দ্ৰ কোঁৱৰ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

ৰঙা যোগ চিনেৰে চিহ্নিত
'এম্বুলেন্সে' কঢ়িয়াই নিয়া—
আমি এক অচিন ৰোগী,
চালকৰ হাতলৈ চাই চাই
আমি গৈ আছো
লক্ষ্য আমাৰ
ৰগা বিচনাখন।

ৰোগ শয্যাত পৰি
চিঞৰি আছো—
মাজে মাজে....
চেলাইন, ইন্জেক্চন—
কেপচুল আৰু বহু কিবা কিবি।

দুদিনৰ পাছতেই ৰিলিজ'ৰ অৰদাৰ।
আদেশ মানি অব্যাহতি ললো
অনুমান হ'ল বাহিৰত—
আন ৰোগী অপেক্ষাত।

## বাহীফুল

প্ৰীতিৰেখা দত্ত
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

নলয় কোঁচপাতি
বাহীফুল প্ৰেয়সীয়ে
গাঁথিবলই প্ৰেমৰ হাৰ —
নলয় বুটলি
বাহীফুল মালিনীয়ে
পূজিবলই চৰণ দেৱতাৰ।
× × ×
বাহীফুল গছকি
নেলাগে বেজাৰ
নাই সেই পাহিত প্ৰণয়
পতিতাৰ চকুলোৰে
নোৱাৰে ধুব
মানৱৰ পাষাণ হৃদয়।
× × ×
বাহীফুল অশুচি
সৰাফুলও অশুচি
দেৱতাই নকৰে গ্ৰহণ
ভোমোৰাই চুহি খোৱা
অশুচি পাহিটি কিন্তু
শুভ যজ্ঞৰ মিলন কাঞ্চন।

যজ্ঞস্থলী অশুচি
পতিতা আগমন
শুচি কিন্তু পতিতাই গছকা ডুবৰি
পূজাৰ বেদী অশুচি
বাহীফুল অৰ্পণ
শুচি কিন্তু ভোমোৰাই চুহি যোৱা কাঞ্চন কলিটি।



# চিনাকি

সূৰ্য্য গগৈ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

কিয় জানো আজি মণি স্কুলৰ পৰা উচুপি উচুপি কান্দি আহিছে। আনদিনা সদায় তাই স্কুলৰ পৰা আহি মুখ হাত ধুয়েই মাকক কয় "মা, মোক ভাত খাবলৈ দিয়া।" কিন্তু আজি দেখোন মণিয়ে মুখ-হাত ধুই ভাত খাওক ছাৰি বিচনাত পৰি কান্দিছেহে। বিচনাৰ ওচৰলৈ গৈ মাকে সুধিলে "মণি! ভাত নোখোৱা নেকি? তোমাৰ কিবা হৈছে নেকি?" মণিয়ে একো মাত দিয়া নাছিল। তাই কান্দিয়ে থাকিল। স্কুলৰ পৰা বাই-দেৱেক ৰূপা আহি মণিক এনেদৰে কান্দি থকা দেখি মাকক সুধিলে— 'মা! মণিৰ কিবা হৈছে নেকি"? "নহয়, কিয় জানো তাই আজি স্কুলৰ পৰা আহিয়েই ভাত নোখোৱাকৈ বিচনাত কান্দি কান্দি পৰি আছে।"

মণিৰ তিনিজনী বায়েকৰ ভিতৰত ৰূপা বায়েকেই তাইৰ আটাইতকৈ মৰমৰ। তাইক মণিয়ে মাক-দেউতাকতকৈও বেছি ভাল পায় আৰু ৰূপায়ো প্ৰাণভৰি মণিক মৰম কৰে। বিচনাৰ ওচৰলৈ গৈ ৰূপায়ে মণিক সুধিলে — "মণি! তোমাৰ কি হৈছে? ভাত নোখোৱা নেকি?" ৰূপাই মণিক দাঙি বিচনাত বহুৱাই 'দ চকুকেইটা পানীৰে ধুই দিলে। মাক আৰু বায়েকে মণিক তাইৰ কি হৈছে পেৰিয়াই পেৰিয়াই সোধাত মণিয়ে উচুপি উচুপি কলে— "মোক আজি স্কুলত লৰা-ছোৱালীবোৰে কাজিয়া লাগোতে ইস্ জহৰীজনী হওঁতেই ইমান বুলি কলে। মই তেতিয়া সিহঁতক কলো, মোৰ মা আছে, দেউতা আছে মই জহৰী হলো কেনেকৈ? তইঁতৰ যদি মা-দেউতা নাই তেন্তে গছৰ মুঢ়া এটাকে আনি লবি।" যদিও মণিয়ে ল'ৰা-ছোৱালীবোৰক চুঙা চাই সোপা দিলে তথাপিতো কিয় জানো তাইৰ মনলৈ প্ৰতি চেকেণ্ডে চেকেণ্ডে জহৰী শব্দটো আহিছে। "মোৰ মা-দেউতা সব আছে, তেনেমূলত মই জহৰী হলো কেনেকৈ" বুলি কৈ মণিয়ে আকৌ কান্দি দিলে। ৰূপা শিয়ৰি উঠিল। ক্ষন্তেকৰ ভিতৰতে ধৈৰ্য ধৰি ৰূপাই মণিক কৈছিল "ল'ৰা-ছোৱালীবিলাকে মিছাতে জোকাবিলে বুলিয়েই ইমানকৈ কান্দিব লাগে নে? লগৰ ল'ৰা-ছোৱালীৰ লগত কেতিয়াবা কাজিয়া লাগিবই। আঁহা আমি ভাত খাওঁগৈ।"

যি কথাই আজি মণিৰ কুমলীয়া মনত আঘাত দিছে সেই কথাই আৰু এগৰাকীক আঘাত কৰিছে। সেই গৰাকী হ'ল ৰূপা।



মণিক সহজ কৰি তুলিবলৈ ৰূপাই যিমানেই চেষ্টা কৰিছে ৰূপাৰ মনটো সিমানেই আকুল, সিমানেই বেদনাতুৰ হৈ উঠিছে। ৰূপাৰ একোতে মন বহা নাই। আধা গুঠা চুৰেটাৰ-টো লৈ বাৰান্দাত বহিছিল। এশলা নে দুশলা কৰি থৈ দিলে। সন্ধিয়া নামি আহিছে। ৰূপা বাৰান্দাৰ এচুকত মনে মনে বহি থাকিল। কোঠাৰ পৰা চেতাৰৰ মিঠা সুৰ ভাঁহি আহিছে। মণিয়ে হয়তো মনটো পাতলাবলৈ যত্ন কৰিছে। ৰূপাৰ মনটো উৰি গ'ল অতীতলৈ।

তেতিয়া ৰূপা হাইস্কুলৰ নৱমমান শ্ৰেণীত। ৰূপা ৰূপে-গুণে, পঢ়াই-শুনাই জাকত জিলিকা ছোৱালী আছিল। শ্ৰেণীত সদায় প্ৰথম স্থান অধিকাৰ কৰিছিল। ঘৰৰ পৰা স্কুল-লৈকে ৰূপা সকলোৰে মৰমৰ পাত্ৰী আছিল। ৰূপাক লৈ মাক-দেউতাকে বহুত সপোন দেখিছিল। লগৰ ছোৱালীবোৰৰ কিছুমানে ৰূপাক হিংসা কৰিছিল আৰু কিছুমানে তাইৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। লগৰ আৰু ওপৰ ক্লাছৰ ল'ৰাবোৰেও ৰূপাৰ লগত মিতিৰালি পাতিবৰ বাবে প্ৰতিদ্বন্দিতা কৰিছিল। ৰূপাৰ এষাৰ মাত পালেই সিহঁতৰ জীৱন যেন ধন্য হৈ যাব। কিন্তু এই সকলোকে চেৰাই একনে ৰূপাৰ মনৰ কাষ চাপিব পাৰিছিল। সেইজন হ'ল সিহঁতৰ স্কুলৰে দশম শ্ৰেণীৰ ছাত্ৰ মাধৱ শৰ্মা। মাধৱো মেধাবী ছাত্ৰ আছিল। তদুপৰি মাধৱ স্কুলৰ সাহিত্য শাখাৰ শ্ৰেষ্ঠ প্ৰতি-যোগী। স্কুলৰ আলোচনীৰ সম্পাদকো আছিল মাধৱ। এইদৰে একে লগে গান গাওঁতে, গল্প কবিতাৰ কথা আলোচনা কৰোতে সিহঁত দুয়ো দুয়োৰে মনৰ বেচি ওচৰ চাপি গৈছিল।

সেইখিনিতে ভুল হল। ৰূপা মাধৱে যৌৱনৰ উন্মাদনাত ভুল কৰি পেলালে। অভিভাৱক সকলেও ৰূপাৰ দৰে ছোৱালীয়ে তেনে ভুল কৰিব বুলি ভাবিবই পৰা নাছিল। এদিন ৰূপাৰ মাক-দেউতাকৰ মূৰত আকাশী স্বৰগ ভাগি পৰিল। তেওঁলোকে গম পালে ৰূপা অন্তঃসত্বা। ৰূপাৰ তেনে অৱস্থাৰ বাবে দায়ী কোন ৰূপাৰ পৰা উলিয়াব নোৱাৰিলে। তেওঁলোক বিমোৰত পৰিল। সন্তানটো নষ্ট কৰিবলৈও ৰূপা মান্তি নহ'ল। অন্ধকাৰ ভৱিষ্যতৰ বিষয়ে সতৰ্ক কৰি মাকে ৰূপাক অনেক বুজালে — কিন্তু ফল নধৰিল। ৰূপাই সকলো কথা জনাই মাধৱলৈ চিঠি লিখিছিল পোন্ধৰ দিন মানৰ আগতে। মাধৱৰ পৰা কোনো উত্তৰ নাহিল। তাক লগ পোৱাও টান। টেষ্ট হৈ গৈছে এতিয়া হয়তো পঢ়াত লাগিছে। পিচত ৰূপাই জানিব পাৰিছিল ৰূপাৰ চিঠি মাধৱৰ হাতত নপৰি মাধৱৰ মাকৰ হাতত পৰিছিল। মাক-দেউতাকে চিঠিৰ কথা ঘুণাক্ষৰেও মাধৱক জানিবলৈ নিদিলে। মাধৱক গুৱাহাটীৰ মোমায়েকে পঢ়িবলৈ মাতিছে বুলি পঠিয়াই দিলে আৰু তাতে পৰীক্ষা দিব পৰাকৈ সকলো ঠিক কৰি দিলে। তেওঁলোকে এইখিনি ইমান নিখুঁতভাৱে কৰি-ছিল যে মাধৱে কেনেকৈ কি হ'ল একো ধৰিবই নোৱাৰিলে। গুৱাহাটীত থাকি সি পঢ়িবলৈ পাব বুলি সি আনন্দত উৰলীকৃত

হৈ পৰিল। যোৱাৰ আগতে তাৰ এবাৰ ৰূপাক লগ পাবৰ মন আছিল; কিন্তু হাতত যে সময় নাই। সিহঁতৰ ঘৰৰ পৰা স্কুললৈ তিনি মাইল, আকৌ স্কুলৰ পৰা ৰূপাহঁতৰ ঘৰলৈ ডেৰমাইল মান হব। সি ঠিক কৰিলে যোৱাৰ দিনাই ৰূপাক স্কুলত লগ ধৰি যাব কিন্তু স্কুললৈ গৈ সি গম পালে যে ৰূপা কেইবা দিনো স্কুললৈ যোৱা নাই। গতিকে তাৰ ৰূপাক লগ পোৱা নহ'ল। এইখিনি কথা ৰূপাই মাধৱৰ গুৱাহাটীৰ পৰা দিয়া চিঠিৰ পৰাহে জানিব পাৰিছিল। কিন্তু ৰূপাৰ তেতিয়া মাধৱৰ চিঠিৰ উত্তৰ দিব পৰাৰ নিচিনা মনৰ অৱস্থা নাছিল। তাইৰ খং উঠিছিল ঘৃণা. উপজিছিল মাধৱলৈ। তাই সকলো কথা জনোৱা সত্বেও মাধৱে তাইক ইমান বিপদত পেলাই আঁতৰি গুচি গ'ল।

কেইবামাহো পাৰ হৈ গ'ল। মাধৱে প্ৰথম বিভাগত পাছ কৰি কটন কলেজত নাম লগোৱাৰ কথা ৰূপাই গম পাইছিল. তাই এতিয়া তাৰ সন্তানৰ মাতৃ অথচ সি কবই নোৱাৰে। তাতৈকয়ো দুখৰ কথা কিবা আছে জানো? ৰূপাৰ জেদ বাঢ়ি গ'ল. তাই ঠিক কৰিলে ছোৱালীজনী তাই সুন্দৰ-ৰূপে গঢ়ি তুলিব, যাতে তাই কেতিয়াও ক'তো কাৰো ওচৰত হীন হব নাৱাৰে। ছোৱালীজনীৰ নাম ৰাখিলে মণিদ্বীপা।

মণিদ্বীপা লাহে লাহে ডাঙৰ হ'ল. তাই দুবছৰীয়া হ'ল। তাইৰ থুনুক-থানাক মাতে অনেক সময়ত তাইক সকলো পাহৰাই ৰাখে। মণিদ্বীপাৰ চকু মুখত মাধৱৰ সাঁচ। কেতিয়াবা ৰূপাই তাইৰ মুখলৈ চাই ভাৱে—"মাধৱৰ এবাৰো তাইলৈ মনত নপৰেনে? তাৰ কৃত কৰ্মৰ বাবে অলপো অনুশোচনা নহয়নে?" দুবছৰৰ পিছত ৰূপাই ঘৰতে পঢ়ি প্ৰথম বিভাগত হাইস্কুলৰ শেষ পৰীক্ষাটো পাছ কৰিলে। তাৰ পিছত দেউতাকৰ যত্নত ওচৰৰ প্ৰাইমেৰী স্কুলখনত শিক্ষয়িত্ৰী হিচাবে কাম কৰি আছিল। এইদৰে তাই ঘৰখনকো সহায় কৰি আহিছে।

সিহঁতৰ বাইভনী তিনিজনী। প্ৰশান্তই একমাত্ৰ ল'ৰা। সিহঁত স্কুল কলেজত পঢ়ি আছে। ৰূপাই প্ৰাইভেটকৈ পঢ়ি পৰীক্ষা দি বি,এ পাছ কৰিলে। বি,এ পাছ কৰি তাই প্ৰাইমেৰী স্কুলৰ পৰা হাইস্কুলত সোমাল। আজি আঠবছৰে হাইস্কুলতে চাকৰি কৰি আছে।

ৰূপাই ভাবিছিল মণিদ্বীপাক কেতিয়াও পিতৃৰ অভাৱ অনুভৱ কৰিবলৈ নিদিয়ে। তাইৰ মাক দেউতাককে 'মা' দেউতা বুলিবলৈ মণিদ্বীপাক শিকাইছিল তাই শিকোৱা মতেই মণিদ্বীপাই ৰূপাক আৰু ৰূপাৰ ভনীয়েক দুজনীক বাইদেউ বুলি মাতে। ৰূপাৰ ভয় হয় মণিদ্বীপাই যদি কেতিয়াবা কেনেবাকৈ কথাবোৰ গম পায়। সেয়েহে মণিদ্বীপাৰ সকলো কথাতে চকু ৰাখে। একোৰে অভাৱ অনুভৱ কৰিবলৈ নিদিয়ে। এইক্ষেত্ৰত তাইৰ মাক দেউতাকো অতি সচেতন। মণিদ্বীপা ৰূপে গুণে অদ্বিতীয়া হৈ উঠিছে। তাইৰ কণ্ঠতো কি এক যাদুৰ পৰশ অনুভৱ কৰা যায়।



তাই স্কুলৰ সাহিত্য শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগী। তাই এইবাৰ স্কুলৰ পৰা সদৌ অসম আন্তঃ স্কুল সংগীত প্ৰতিযোগিতাত যোগদান কৰিবলৈ নিৰ্বাচিত হৈছে। এই সকলোবোৰ গুণ থকা সত্বেও তেন্তে ৰূপাই কিয় সেইদিনা তাইৰ সহকৰ্মী দুজনমানে আলোচনা কৰা শুনিবলৈ পাইছিল—মণিদ্বীপাক কোনোফালেই পেলাব নোৱাৰে। কিন্তু তাইৰ জন্মটোৱেই ...... ...। ৰূপাক দেখি কথা বন্ধ হৈছিল। ৰূপাৰ ডিঙিত কিবা এটাই সোপা মাৰি ধৰিছিল। আকৌ মণিদ্বীপাই আজি স্কুলত কিয় তেনে কথা শুনিব লগা হৈছে? কিয়? কিয়?

ৰূপাই শুনিছে মাধৱে ইংৰাজীৰ এম,এ পাছ কৰি গুৱাহাটীৰে কোনোবা এখন কলেজত অধ্যাপনা কৰে। মণিদ্বীপাৰ অভিভাৱক হিচাবে ৰূপাহে যাব গুৱাহাটীত হব লগীয়া সংগীত প্ৰতিযোগিতালৈ। ৰূপাই তাত মাধৱ শৰ্মাক বিচাৰি উলিয়াব। সকলো কথা কব। মণিদ্বীপাক পিতৃৰ সৈতে পৰিচয় কৰাই দিব। ৰূপাই এটা হুমুনিয়াহ কাঢ়িলে। তেতিয়া ভালকৈ'য় আন্ধাৰ হৈছিল। মণিদ্বীপা তাইৰ ওচৰত মনে মনে ঠিয় হৈ আছে কেতিয়াৰ পৰা ৰূপাই কব নোৱাৰে।

সেই বছৰৰ সদৌ অসম জুৰি হোৱা ছাত্ৰ সন্থালৈ মণিদ্বীপাৰ যাবলৈ ইচ্ছা নাছিল যদিও শিক্ষক সকলে নেৰানেপেৰাকৈ ধৰাত অৱশেষত তাই গৈছিল। যদিও মণিদ্বীপা অনিচ্ছুক হৈ সন্থালৈ গৈছিল, তথাপিতো ছাত্ৰ সন্থালৈ গৈ তাইৰ মনটো বেচ স্ফুৰ্টি লাগিছল।

সভা আৰম্ভ হোৱাৰ পিচত সভাপতিয়ে ঘোষণা কৰিলে যে এইবাৰ আধুনিক গীত গাব মণিদ্বীপা হাজৰিকাই। মঞ্চত উঠি যেতিয়া মণিয়ে সু-কণ্ঠস্বৰে গাবলৈ আৰম্ভ কৰিছিল তেতিয়া সকলো মানুহ তাইৰ চকুলৈ চাই অবাক। তাইৰ গানৰ বাবেই যেন সকলো মানুহে আশা কৰি আছে। গানৰ সামৰণি পৰাৰ লগে লগে হাত চাপৰিৰে সভা মুখৰিত হৈ পৰিল। মণিদ্বীপা মঞ্চৰ পৰা নামি আহোতে এজন ৩০/৩৫ বছৰীয়া মানুহে তাইৰ গাত মোহাৰি দি মৰমকৈ কৈছিল— "তুমি বেছ ধুনীয়া গান গাব পাৰা। ভাল— ভাল ছোৱালী।" মণিৰ কিন্তু মানুহজন দেখিয়েই আপোন ভাব এটা তাইৰ মনত জাগি উঠিল। মানুহজনক কিয় জানো মণিৰ তাই বিচাৰি ফুৰা এটা হেৰোৱা বস্তু যেন লাগিল। তাইৰ মনত যেন কিহবাই হেঁচা দিছিল।

ইয়াৰ দুদিনৰ পিছৰ কথা। ৰূপাই মণিদ্বীপাৰ মূৰ ফণিয়াই আগ ফালৰ বাৰান্দাত বহি আছিল। হঠাৎ এজন মানুহ তেওঁলোকৰ ঘৰলৈ অহা দেখি ৰূপা ভিতৰলৈ সোমাই আহিল। মণিয়ে সিদিনাখন মানুহজনক ছাত্ৰ সন্থাত লগ পোৱাৰ কাৰণে চিনি পাইছিল. আৰু তায়েই মানুহজনক বহিবলৈ কৈ ভিতৰলৈ সোমাই আহিল। অন্যদিনা কিন্তু ৰূপাই আলহী আহিলে বহিবলৈ নোকোৱাকৈ ঘপহকৈ ভিতৰলৈ সোমাই নাহে। আজি কিয় তেনেকৈ সোমাই অহাৰ কাৰণ কিন্তু

মণিয়ে একো ধৰিব পৰা নাছিল। তথাপিতো তাই বাইদেৱেকক কলেগৈ,— বাইদেউ আলহী আহিছে নহয়; আপুনি কিয় বহিবলৈ নোকোৱাকৈ ভিতৰলৈ সোমাই আহিল ? জানে বাইদেউ এই মানুহজনে মোক খুব মৰম কৰে। সিদিনাখন ছাত্ৰ সন্থাত লগ পাই মানুহজনে যে মোক কিমান মৰম কৰিছিল ! এতিয়া লৰা লৰিকৈ মোক কাষলৈ মাতি নি এই বস্তুটো দিছে চাওক। মণিয়ে ৰূপা যে তাইৰ বাইদেৱেক নহয় মাকহে এই কথা সম্পূৰ্ণ জানিছিল; তথাপিতো সৰুৰে পৰা বাইদেউ বুলি মাতিছিল কাৰণে তাই এতিয়াও বাইদেউ বুলিয়েই মাতে। ক্ষন্তেকৰ ভিতৰতে ৰূপাৰ মনটো পৰিবৰ্ত্তন হৈ গৈছিল। তাই যে আজি কিবা এটা হেৰোৱা বস্তু বিচাৰি পাইছে, এই হেৰোৱা বস্তুটো পাই যেন আজি ৰূপাৰ মনত বিষাদ-বেদনা আৰু আনন্দই তোলপাৰ লগাইছে, এই কথা মণিয়ে স্পষ্ট বুজিব পাৰিছিল ৰূপাৰ মুখৰ আকৃতিৰ পৰা। যাওঁ নেযাওঁ চুচুক চামাককৈ ৰূপা বাহিৰলৈ ওলাই গৈছিল — ধাৰাসাৰ চকুৰ পানীৰে সৈতে তাই মানুহজনৰ মুখলৈ অবাক লাগি চাই থকাৰ বাহিৰে আৰু একো কব নোৱাৰিলে ৰূপাক দেখাৰ লগে লগে মানুহজনৰো চকুৰ পানী ধাৰাসাৰে বৈ আহিছিল ধৈৰ্য ধৰি মানুহ জনে ৰূপাক কৈছিল — "ৰূপা ! তুমি মোক ক্ষমা কৰিবা। অতদিন কৰা ভুলৰ বাবে দায়ী তুমি নহয় মই নিজেই। সেয়েই আজি মই তোমাৰ কাষ চাপি আহি তোমাৰ ক্ষমা বিচাৰিছো। ক্ষমাপ্ৰাৰ্থী হৈ তোমাক আৰু মণিক মই কাষ চপাই নিবলৈ আহিছো। এই পোন্ধৰ বছৰ ধৰি মই যি আন্ধাৰ গহ্বৰত ডুব গৈ আছিলো সেই গহ্বৰৰ পৰা আজি মই মুক্তি পাইছো। এই মুক্তি মোক কোনে আনি দিলে জানা? মণিয়ে। এই কথা মই সম্পূৰ্ণ জানো যে তাই তাইৰ দেউতাকক এতিয়াও চিনি নেপায়। ইয়াৰ আগতে মই মণিক দুবাৰ লগ পাইছিলো। সেই দুয়োবাৰতে ময়েই তোমাৰ দেউতাৰা বুলি চিনাকি দিবলৈ গৈয়ো সঙ্কোচ হৈ ঘূৰি আহোঁ। আজি মই নিজেই মণিক তোমাৰ দেউতাৰা মই বুলি চিনাকি দি তোমালোকক মোৰ কাষ চপাই নিম।" এইবুলি কৈ মণিৰ ওচৰলৈ গৈ মণিক কাষলৈ লৈ আনে। দুধাৰী চকুলোৰে সৈতে মাধৱে মণিক কয় — "মণি, অতদিন অচিন হৈ থকা তোমাৰ দেউতাৰা ময়েই। অতদিন তোমালোকক এৰি মই যি আন্ধাৰ গহ্বৰৰ মাজত ডুব গৈ আছিলো সেই গহ্বৰৰ পৰা মই আজি মুক্তি পাইছো আৰু এই মুক্তিয়ে মোক আজি তোমালোকক মোৰ কাষ চপাই নিবলৈ বাধ্য কৰাইছে।" মাধৱৰ চকুৰপানী বৈ আহিছিল আৰু মণিৰ চকুৰ পৰাও এক আনন্দসূচক পানী বৈ আহিছিল। তাইয়ো কান্দিছিল। অতদিন তাই যি অনুসন্ধানত মনে মনে ঘূৰিছিল সেই অনুসন্ধানত আজি তাই জয়লাভ কৰিলে। তাইৰ মনত ধাৰণা হ'ল যে এখন নতুন পৃথিৱীত সূৰ্যোদয় হৈ পৃথিৱীখনক উজ্জ্বলময় আৰু মানুহবিলাকক আনন্দময় কৰি তুলিছে। দেউতাকৰ চিনাকিয়ে আজি মণিৰ অন্তৰত এখন নতুন পৃথিবী উদ্ধাৰ কৰিলে। সেয়েহে আজি মণিৰ মনলৈ সঘনাই আহিছে 'চিনাকি' শব্দটো। চিনাকি......চিনাকি......।

× × × ×

## গল্প

# বনফুল

জয়া বৰা
প্ৰাক্ স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

এমাহৰ মূৰত কলেজখন পুনৰ সজীৱ হৈ উঠিল। ডাঙৰ ডাঙৰ তলাবোৰ খোল খালে। কাঞ্চা আৰু দাইটিৰ ব্যস্ততা বাঢ়িল। কমনৰূম, কেনটিনৰ নিস্তব্ধতা আঁতৰিল। নিষ্প্ৰাণ কলেজখনে যেন পুনৰ প্ৰাণ পালে। ছাত্ৰাবাস সমূহৰ খিৰিকীবোৰ খোল খালে। ছাত্ৰীবাসৰ চকিদাৰটোৰ দৌৰা-দৌৰি আৰম্ভ হল। এজন দুজনকৈ শিক্ষক সকল আহি পালেহি। আহি পালেহি প্ৰবীৰ কাকতি— ইংৰাজী বিভাগৰ অধ্যাপক। বন্ধ দিয়াৰ দিনা আৰু বন্ধ খোলাৰ দিনা সাধাৰণতেই সকলো উপস্থিত থকাটো নিয়ম। অনিয়ম কৰাৰ মনত নাই প্ৰবীৰৰ। সেয়ে কালিয়েই আহিল। আন দিনাৰ দৰে ৯.৩০ ৰ ক্লাছলৈ ওলাই গল। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কম। তথাপিও দুটা ক্লাছ ললে। আনটো আছিল ২-৩০ ৰ পৰা। মন আৰু ধৈৰ্য একোৱেই প্ৰস্তুত নাই। সেয়ে সি উভতিল কোৱাৰ্টাৰলৈ। কোৱাৰ্টাৰ কলেজৰ পৰা ১৫ মিনিটৰ বাট। আজি তিনিটা বছৰ এইটো ঘৰতেই আছে। সি এইটো ঘৰ বহুবাৰ এৰো বুলিও এৰিব পৰা নাই। মাজতে এবাৰনে দুবাৰ লগৰবিলাকে বৰকৈ ধৰিছিল কলেজ মেছলৈ। পিছে সিহে নগল। ঠাই ডোখৰ নিজঞ্জাল। বাসিন্দা সকলো ভাল মানুহ। প্ৰায় সকলোবোৰেই নতুন মানুহ। পূৰ্বে ইয়াত এখন কুমাৰ গাওঁ আছিল। এতিয়া অৱশিষ্ট দুটা এটা জুপুৰিয়ে তাৰ সাক্ষী দিয়ে। বাকীবোৰত আকাশলজ্বা দালান উঠিল। অদূৰত নিউমাৰ্কেট। কেইখনমান গোমটি আৰু দুখন হোটেলেৰে আৰম্ভ হোৱা নিউমাৰ্কেট আজি দুবছৰত কেইবামাইলো আগ বাঢ়িল। সেয়ে সি ঠাইডোখৰ এৰিব পৰা নাই। এৰিব পৰা নাই ঘৰটো। এইটো ঘৰৰ প্ৰতিটো বস্তু আনকি এইটো কোঠাৰ প্ৰতিটো ধূলিকণাৰ সৈতে তাৰ পৰিচয় আছে। ইয়াৰ বতাহে তাৰ অতীত জীৱনৰ বহুতো স্মৃতি ক'ঢ়য়াই আনিছে যিবোৰে তাৰ মন তাজিও ৰোমাঞ্চিত কৰি তোলে। কিন্তু আজি ? আজি সকলোৰে ওলট-পালট। গাৰ পৰা চাৰ্টটো হেঙাৰত ওলোমাই দিয়েই বিচনাত বাগৰি পৰিল।

মূৰটো আচল্ৰাই কৰিবলৈ ধৰিলে। এইয়া জানো সম্ভৱ। মাত্ৰ এমাহৰ ব্যৱধান। ইমান কম সময়ৰ ভিতৰত……… । সি যে ঘূনাক্ষৰেও গম নেপালে। এইয়া জানো সম্ভৱ। অসম্ভৱৰতো কথা নাই। সি নিজে শুনি আহিছে, পঢ়ি আহিছে।

তাক প্ৰথম খবৰতো দিয়ে শৰ্মাই। অজিত শৰ্মা পদাৰ্থবিজ্ঞানৰ অধ্যাপক। তাৰ সমবয়সীয়া। একে বছৰতে দুমাহৰ অগা-পিছাকৈ সোমাইছে এইখন কলেজত। তেতিয়াৰে পৰাই বন্ধুত্ব। শৰ্মাই দিছিল প্ৰথম খবৰটো। কিন্তু সি বিশ্বাস কৰা নাছিল। নকৰিবৰেই কাৰণ। তাৰ মতে ইমান অস্বাভাৱিক কিবা এটা কেতিয়াও হব নোৱাৰে। —নোৱাৰে। মীনাই তাক প্ৰৱঞ্চনা কৰিব নোৱাৰে। মিছা কথা-- সব মিছা কথা। দেখিছোঁ অজিতো ঈৰ্ষাৰ বশবৰ্ত্তী হৈছে। পিছে কোনটো সঁচা কোনটো মিছা। সি নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। সি কি দেখিছে এইবোৰ! তেন্তে অজিতৰ কথা সকলো সঁচা। মীনাৰ বিয়া। এইমাত্ৰ চকিদাৰে দি গ'ল অনা এইবোৰ মীনাৰ বিয়াৰ নিমন্ত্ৰণী চিঠি নহয়তো! তেন্তে —তেন্তে ভুল হ'ল। হয় ভুল হ'ল কোন-খিনিত? পিছৰ ক্লাছটো লোৱাৰ ধৈৰ্য্যকন হেৰুৱাই পেলাইছিল সি। পোনে পোনে আহিছিল কোৱাৰ্টাৰলৈ বুলি। বাৰে বাৰে তাক এখন মুখে আমনি কৰিছেহি। মীনাৰ। সি এতিয়া কি কৰিব? সময়যে একেবাৰেই নাই। সি বাৰে বাৰে ভাবিছে এইবোৰ সব মিছা। মীনাই তাক প্ৰৱঞ্চনা কৰা নাই। কৰিব নোৱাৰে। অন্ততঃ এবাৰ— এবাৰলৈ হলেও তাক কথাটো জনাব। সেইজনী মীনা তাৰ খুব চিনাকি। তাইৰ ভাত খাঁওতে কাঁইট লগা কথাও সি গম পায়। অথচ ইমান এটা ডাঙৰ খবৰ। নাই হব হব নোৱাৰে। এইবোৰ সব মিছা। কাৰো-বাৰ কাৰচাজি। সি মীনাক চিনি পায়। সেইজনী মীনাক চিনি পায়। দুবছৰ আগৰ পৰা চিনি পায়। তাই যিদিনা প্ৰথম তাৰ কাষলৈ আহিছিল, সেইছবি আজিও মনৰ পটত সজীৱ হৈ আছে। হাতত কাগজৰ এটা সৰু টোপোলা। ভয় সংকোচ ভাৱেৰে তাই সোমাই আহিছিল তাৰ কাষলৈ। তেতিয়া তাই প্ৰাক স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। এটা চুটি গল্প লিখি আনিছিল তাই-শুদ্ধৰাই দিব লাগে। সি এটা ডেকা। পূৰ্ণ কলাৰ সমাবেশ নহলেও মীনা গাভৰু। এজন ডেকা প্ৰফেচাৰৰ কোঠাত এজনী গাভৰু। কেনেকা-কেনেবা। পিছদিনা অফিছলৈ মাতি পঠাইছিল তাইক। নমস্কাৰ দি ওলাই গৈছিল মৃণালিনী চৌধুৰী। আৰু—। পিছদিনা তাক লগ কৰিছিল অফিছত। তাৰ পিছত—তাৰ পিছত বহু কিবা কিবি। মীনাৰ আমন্ত্ৰণ। ঘৰখনৰ সৈতে পৰিচয়। আহ যাহ। সদৰী মাকজনীৰ সাদৰ আমন্ত্ৰণ এৰিব নোৱাৰি সি যে বহু চেষ্টা কৰিও যন্ত্ৰবৎ খোজ লৈছিল সেইখন ঘৰলৈ। তাৰ পিছত দুটা বছৰ কাটি গল। এক প্ৰকাৰে কলেজৰ তাৰ লগৰ সকলোৱে জানে তাৰ কথা, মীনাৰ কথা। আৰু—আৰু সিহঁতেও এদিন কথা



লোৱা দিয়া কৰিছিল। হয় তাৰ মনত আছে। সেইবাৰ সিহঁত গৈছিল দিল্লি ঘাটলৈ বনভোজ খাবলৈ। বনভোজৰ যোগাৰ কৰিছিল মীনাৰ দেউতাকহঁতৰ অফিচৰ পৰা। প্ৰায় দহোটামান পৰিয়াল গৈছিল। গৈছিল মীনাও। বিশেষভাৱে আমন্ত্ৰিত অতিথি আছিল সি। তাৰ আজিও মনত আছে—সি সকলোৱে পৰাই বেছ আদৰ সাদৰ পাইছিল। চাহ খোৱাৰ পিছত সকলো গৈছিল পাহাৰটোৰ ফালে। কিন্তু সিহঁত, মানে মীনা, সি আৰু মীনাৰ চাৰিবছৰীয়া ভনীয়েক শিলে শিলে আগ বাঢ়িছিল আনফালে। সিহঁত গৈ বহিছিল এটা ডাঙৰ শিলৰ ওপৰত। তাৰ মনত আছে সেইদিনা মীনায়েই বেছি কথা কৈছিল। আবেগত হুক হুক কৰে কান্দি শুই পৰিছিল তাৰ কোলাত। আৰু সিও চুলিৰ মাজত হাত ফুৰাই ফুৰাই তাইক আশ্বাস দিছিল। কিন্তু তাইৰ কান্দোন বন্ধ হোৱা নাছিল। তাইৰ ভয় জানোছা কোনোবা দিনা সি তাইক ত্যাগ কৰে। এই বিচ্ছেদ তাই কেনেকৈ সহ্য কৰিব? অৱশেষত সি তাইৰ অনামিকা আঙুলিত পিন্ধাই দিছিল — তাৰ নাম থকা আঙুঠিটো। আৰু তাৰ পিছত — তাৰ পিছতো এটা বছৰ। তেন্তে ভুল হ'ল কোনখিনিত? সি এতিয়া কি কৰিব? হাতৰ ঘড়ীলৈ চাই দেখে এক বাজিলেই। বিয়ালৈ যাবনে নেযায়? মনত পৰিল ৰায় চৌধাৰীলৈ। মনত পৰিল ইন্দ্ৰমালতীলৈ। মীনা যদি ইন্দ্ৰ-মালতী হব পাৰে সি ৰায় চৌধাৰী হব নোৱাৰিব কিয়? চাৰ্টটো পিন্ধি ওলাই গ'ল নিউ মাৰ্কেটলৈ। পোনে পোনে খোজ ললে কল্পতৰুলৈ।

তাৰ মনত আছে তাক এজোৰ পাটৰ কাপোৰৰ কথা কৈছিল— আকাশীৰঙৰ। "আপুনি যদি মোক কেতিয়াবা কাপোৰ দিয়াৰ কথা ভাৱে. এজোৰ পাটৰ কাপোৰ দিব আকাশীৰঙৰ।" পাটৰ কাপোৰ এজোৰ ললে। আকাশীৰঙৰ। পোনে পোনে খোজ দিলে বিয়া ঘৰলৈ। চিনাকি বাট। দ্বিধাহীন ভাৱে সোমাই গল চিনাকি কোঠা-টোলৈ। বিয়াৰ দৰে উৎসৱতো এইটো কোঠা সেইদৰেই আছে। মাথো টেবুল এখন আৰু চকী দুখন বেছিকৈ সোমাইছে। বাকী সকলো ঠিকেই। সকলো ব্যস্ত। নিমন্ত্ৰিত অতিথিক খুওৱাৰ কাম চলি আছে। তাৰ আগতো চাহ মিঠাই কিবা কিবি দি গ'ল— সি চুইহে চালে। ভোক কিম্বা মন এটাও প্ৰস্তুত নাই। সি মাথো নিজকে সাজু কৰিছে মাত্ৰ সেই মুহূৰ্ত্তটোৰ বাবে। মীনাৰ আগমনৰ। এৰা তাৰ ভুল হোৱা নাই— এইয়া ন' কইনাৰ বেশত তাৰেই মীনাজনী। গাত সি অনা জোৰৰ দৰেই একেই পাটৰ কাপোৰ। আকাশীৰঙৰ। তেন্তে তাতকৈয়ো আগেয়েই কোনোবাই দি গ'লহি। তেন্তে তাতকৈয়ো আগেয়ে মীনাৰ মনৰ খবৰ পাইছিল।— তাৰ মূৰটো আচল্ৰাই কৰিবলৈ ধৰিলে। ধৈৰ্য সহকাৰে সি মাথো কাপোৰৰ পেকেটটো মীনালৈ বুলি আগবঢ়াই দিলে। ই কি — মীনাৰ চকুত চকুলো। তেন্তে মীনাৰ গাত……। "মোক ক্ষমা

কৰক প্ৰবীৰদা' ফেকুৰি উঠিল মীনা। সম্বিত ঘুৰাই পালে সি। হাজাৰ হওক — আজি মীনাৰ বিয়া। সি আলহী। শুভ কাৰ্যত বিঘিনী জন্মাব নেপায়। তাৰ মন গল মীনাক কাষ'ল টানি আনিবলৈ, চুলিত আঙ্গুলি ভৰাই কব, নেপায় — মীনা কান্দিব নেপায়। কান্দোনে শুভ কাৰ্যত ব্যাঘাত জন্মায়। আজি তুমি দুৰ্বল হৈ আছা। কান্দিলে আৰু দুৰ্বল হবা। কান্দিবলৈ মানা কৰিলে মীনাক। লগত অনা উপহাৰটো তুলি দিলে মীনাৰ হাতত। শুভেচ্ছা জনালে নতুন জীৱনলৈ। মীনায়ো তুলি দিলে এটি কাগজেৰে মেৰিওৱা সৰু টোপোলা আৰু এডোখৰ সৰু কাগজ। হয় — এই কেইটাই তাৰ অতি মৰমৰ অতি চিনাকি আখৰ। সন্তৰ্পনে মেলি চালে—

প্ৰবীৰ দা,

কবলগীয়া বহু আছিল— কিন্তু...... । আপুনি হয়তো মোক কোনোদিন ক্ষমা কৰিব নোৱাৰিব। তথাপি আপোনাক মোৰ অৱস্থাৰ কথা কবলৈ নেপালে যে মৰণতো শান্তি নেপাম। দেউতাৰ আৰু মামাৰ অবাধ্য হব নোৱাৰিলো। তেওঁলোকৰ চকুত Executive Engineer বিদ্যুৎ চলিহা প্ৰফেচাৰ প্ৰবীৰ কাকতিতকৈ বহু ওপৰত। কিন্তু প্ৰবীৰ দা — কাৰখানাত কাম কৰি কৰি মানুহৰ অনুভূতিবোৰ শেষ হৈ গৈছে যেন পাওঁ। এই সিদ্ধান্তই মোৰ মনত কেনেকুৱা ধুমুহাৰ সৃষ্টি কৰিব পাৰে এবাৰলৈকো ভাবি নেচালে। ইয়াৰোপৰি আপুনি জানে সিবাৰ দেউতাৰ অবাধ্য হৈ ডাঙৰ দাদাই আবুনিছা ন'বৌক বিয়া কৰোৱাৰ পিছত দেউতাৰ যি অৱস্থা হৈছিল আপুনি নিজে জানে। —দেউতাৰ এই বয়সত মই তাৰ পুৰণাবৃত্তি কৰিব নিবিচাৰিলো। মা আৰু মই যথেষ্ট চেষ্টা কৰিছিলো কিন্তু দেউতাই এই প্ৰসঙ্গ উলিয়ালেই কিনা হৈ যায়। শেষত ভাগ্যক ধিয়ালো। প্ৰবীৰ দা পাৰে যদি মোক ক্ষমা কৰিব।

অভাগিনী 'মীনা'

চিঠিখন শেষ কৰিহে প্ৰবীৰে ভাবি চালে। বিচাৰলৈ অনা কয়দীৰ দৰে মীনা তেতিয়াও তাৰ কাষত। বহু সময় কাৰো মুখত মাত নাই। ইয়াত যেন একোৱেই হোৱা নাই। এইখন ঘৰত যেন কোনোৱেই নাই। আছে মাথো দুটি মন...... । এটা সময়ত প্ৰবীৰে বিদায় ললে মীনাৰ পৰা। আনদিনাৰ দৰে আন কাৰোবাক বিচৰাৰ প্ৰয়োজন অনুভৱ নকৰিলে। লাহে লাহে আগবাঢ়িল তাৰ কোৱাৰ্টাৰৰ ফালে। বাৰে বাৰে তাৰ মনলৈ আহিল — "তেওঁলোকৰ চকুত Executive Engineer বিদ্যুৎ চলিহা প্ৰফেচাৰ প্ৰবীৰ কাকতিতকৈ বহু ওপৰত।"

তেতিয়া লাহে লাহে এন্ধাৰ নামি আহিছিল। বিয়াঘৰৰ কোলাহল ক্ৰমাৎ কমি আহিল। সেইখন ঘৰক, তাৰ মৰমৰ ঘৰখনক, সি এৰি আহিছে। বহু দূৰৈত। বহুদিনৰ বাটত। সি আৰু কোনোদিন তালৈ যাব নোৱাৰে।

# প্ৰতিবেদন—

## সাধাৰণ সম্পাদকৰ—

জয় জয়তে যি সকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত হৈ সাধাৰণ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ আৰু সুবিধা লাভ কৰিলো সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক ধন্যবাদ জনাই মই মোৰ বছেৰেকীয়া প্ৰতিবেদন সকলোৰে জ্ঞাতাৰ্থে দাঙি ধৰিব খুজিছোঁ। সাধাৰণ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰোতে হয়তো মোৰ বহুতো ভুল ভ্ৰান্তি হৈছিল। সেই অনিচ্ছাকৃত ভুল ক্ৰুটি বোৰৰ কাৰণে মই মহাবিদ্যালয়ৰ লগত জড়িত সকলোৰে ওচৰত মাৰ্জনা বিচাৰো।

১৯৬৫ চনতে আৰম্ভ কৰা আমাৰ এই মহাবিদ্যালয়টি এতিয়াও পূৰ্ণাঙ্গৰূপ পাবলৈ পৰা নাই। অৰ্থনৈতিক ভাৱে পিছ পৰা এটা অঞ্চলত এনেকুৱা এখন মহাবিদ্যালয়ে অৰ্থনৈতিক ভাৱে সিমান আগ বাঢ়িব নোৱাৰে এই কথা সকলোৱে জানে আৰু বুজে। সেই কাৰণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বেছি ভাগ অভাৱ অভিযোগ অৰ্থনৈতিক কাৰণতেই এতিয়াও পূৰণ হোৱা নাই। তথাপি ৰাইজৰ দান বৰঙণিয়ে পুষ্ট আৰু আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেম চন্দ্ৰদেৱ গোস্বামী দেৱৰ বদান্যতাৰে পুষ্ট এই মহাবিদ্যালয়ে অন্যান্য বহুতো দিশতেই আগবাঢ়ি আহিছে। উচ্চ শিক্ষাৰ পৰিবেশ এনেকুৱা এটা পিছ পৰা অঞ্চলত সৃষ্টি হোৱাৰ উপৰিও জ্ঞান অৰ্জনৰ লগে লগে অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ গাত নিহিত হৈ থকা প্ৰতিভা সমূহৰ বিকাশ লাভ কৰিবলৈ সুযোগ পাইছে। গতিকে এই মহাবিদ্যালয়ে সময়ত ইয়াৰ সৰ্বাঙ্গ ৰূপ পৰিগ্ৰহণ কৰাৰ পিছত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ অন্তৰ্নিহিত প্ৰতিভাৰ চৰম বিকাশ ঘটিব।

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰাৰ কালত ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত আৰু সফলতাৰে সম্পন হোৱা সভাসমিতিবোৰৰ উল্লেখ তলত দিয়া হ'ল।

### (১) বাৰ্ষিক কলেজ সপ্তাহ পালন।

৯।১২।৭৬ তাৰিখৰ পৰা আৰম্ভ কৰি

১৩।১২।৭৬ তাৰিখলৈকে আমাৰ" মহাবিদ্যালয় বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। এই উপলক্ষে হোৱা প্ৰথম দিনা পুৱা ৮ বজাত মহাবিদ্যালয়ত পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত চিত্ৰসেন ৰাজকুমাৰ দেৱে আৰু ইয়াৰ পিছতেই মাৰ্চপাষ্ট আৰু অলিম্পিক্ বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়ৰ বিভিন্ন খেল প্ৰতিযোগিতা আৰম্ভ কৰা হয়। দুদিনীয়া ক্ৰীড়া প্ৰতিযোগিতাৰ অন্তত দিনে নিশাই অন্যান্য বিভিন্ন প্ৰতিযোগিও যেনে – গীত মাত, একাংকিকা নাট, তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। কিন্তু সেই সময়ত দেশত জৰুৰী অৱস্থা চালু থকাৰ কাৰণে বহুতো ক্ষেত্ৰতেই আতমাত্ৰা সংযম ৰক্ষা কৰি চলিব লগা হৈছিল। এই কলেজ সপ্তাহ পালন কৰাৰ যি প্ৰধান উদ্দেশ্য সেই উদেশ্যই সফলতা লাভ কৰিব নোৱাৰিলে বুলি মই দুখেৰে কব লগা হৈছে। প্ৰতিযোগিতাৰ বহুতো বিভাগতে কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰ যোগদান আৰু প্ৰস্তুতি বিহীন ভাৱে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে এই উৎসৱৰ পৰিৱেশ নিস্প্ৰভ আৰু অনুন্নত মানদণ্ডৰ হৈছিল। ভৱিষ্যতে প্ৰতিযোগিতাৰ সকলো বিভাগতে প্ৰতিযোগিৰ সংখ্যা যথেষ্ট হয় আৰু প্ৰতিযোগী সকলে দীৰ্ঘ দিনীয়া প্ৰস্তুতি লৈহে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে ইয়াকে কামনা কৰি মই মোৰ কাৰ্য কালত ১৯৭৬-৭৭ চনত হোৱা মহাবিদ্যালয়ৰ সপ্তাহৰ প্ৰতিবেদন ইমানতে সামৰিলো।

## (২) স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ বিদায় সভা

১৬/৩/৭৭ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত স্নাতক মহলা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ ছাত্ৰীৰ বিদায় সভা অনুষ্ঠিত হয়। এই সভাত বিদায়ী ছাত্ৰ-ছাত্ৰীক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা তেওঁলোকৰ আগন্তুক পৰীক্ষাৰ কাৰণে শুভেচ্ছা জনোৱা হয়।

## (৩) সৰস্বতী পূজা আৰু গণৰাজ্য দিৱস পালন

১৭/১/৭৭ তাৰিখে সৰস্বতী পূজা আৰু ২৬/১/৭৭ তাৰিখে "গণৰাজ্য দিৱস" পালন কৰা হয়। বিশেষ অসুবিধাবশতঃ সৰস্বতী পূজা উপলক্ষে নিশাৰ সাংস্কৃতিক কাৰ্য হাতত লব পৰা নগল।

## (৪) বাৰ্ষিক বঁটা বিতৰণী সভাঃ—

২১/৩/৭৭ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ডঃ ৰামকৃষ্ণ মেহেৰোট্ৰাৰ সভাপতিত্বত মহাবিদ্যালয়ত বছেৰেকীয়া বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয়। ডঃ মেহেৰোট্ৰাই সভাপতি হিচাবে দিয়া তেওঁৰ বহুমূলীয়া ভাষণত বহুত ৰসাল আৰু সাৰগৰ্ভ কথাৰে ছাত্ৰ-ছাত্ৰীক মুগ্ধ আৰু উপকৃত কৰে। প্ৰতিযোগী সকলক যোগ্যতা অনুসাৰে তেওঁলোকৰ প্ৰাপ্য বঁটা বিতৰণ কৰা হয়।

## (৫) নৱাগত আদৰণী দিৱসঃ—

১-৯-৭৭ তাৰিখে বানপানীয়ে সৃষ্টি কৰা



ভয়াবহ পৰিস্থিতিৰ মাজতেই সংযমপূৰ্ণভাৱে মহাবিদ্যালয়ৰ বাৰ্ষিক 'নৱাগত আদৰণী উৎসৱ' পালন কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি চৈয়দ আব্দুল মালিক আৰু যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকক এই সভালৈ বিশিষ্ট অতিথি হিচাবে আমন্ত্ৰণ কৰা হৈছিল যদিও সমগ্ৰ ৰাজ্যতে পূৰ্বৰ সকলো ৰেকৰ্ড ভঙ্গ কৰা বানপানীৰ ভয়াবহতাৰ কাৰণে তেখেতসকল এই সভাত উপস্থিত থাকিব নোৱাৰিলে। এই অঞ্চলৰ ৰাইজৰ মাজতো দিহিঙৰ বানে অস্বাভাৱিক পৰিস্থিতি সৃষ্টি কৰাত সভাখনত উপস্থিত সকলোৰেই মন বান পানীৰ পৰিস্থিতিয়েই আচ্ছন্ন কৰি ৰাখিছিল আৰু সেই কাৰণেই সেই সভাখনত সজীৱ পৰিৱেশ নাছিল। নিমন্ত্ৰীত বিশিষ্ট অতিথিদ্বয়ৰ অনুপস্থিতিত অঞ্চলৰ দুজন গন্য মান্য ব্যক্তি আৰু সাহিত্যিক শ্ৰীযুত বুধিন্দ্ৰ কুমাৰ ৰাজখনিকৰ আৰু শ্ৰীযুত নিত্যানন্দ শৰ্মাদেৱে বিশিষ্ট অতিথি হিচাবে সভাত যোগ দিছিল। তেখেত দুজনৰ উপদেশমূলক ভাষণৰ উপৰিও সমজুৱাৰ ফালৰ পৰা নিতাই পুখুৰী উচ্চ বিদ্যালয়ৰ শিক্ষক আৰু অঞ্চলৰ এজন বিশিষ্ট ব্যক্তি শ্ৰীযুত ৰজনীকান্ত দত্ত বি এ, বি টি দেৱে সভাত তেখেতৰ বহুমূলীয়া উপদেশেৰে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত চিত্ৰসেন ৰাজকুমাৰ দেৱে সভাপতিৰূপে সভাৰ কাম কৃতকাৰ্যতাৰে সমাপন কৰিছিল।

## (৬) শোকসভাঃ–

১২-২-৭৭ ত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমদ্ আৰু প্ৰখ্যাত পাৰ্লিয়ামেন্টিৰিয়ান, যি একাধাৰে সাহিত্যিক, কবি সেই হেম বৰুৱা দেৱৰ মৃত্যুত আত্মাৰ সদগতি উপলক্ষে শোকসভা অনুষ্ঠিত কৰা হৈছিল। আমাৰ এই দুজন কৃতি-সন্তানৰ বিয়োগত অসম আৰু অসমীয়াৰ যি ক্ষতি হ'ল সি অপূৰণীয়। অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী সকলে এই দুজন অসম সন্তানৰ কাৰ্যাৱলী আৰু গুণাৱলী সুঁৱৰি তেওঁলোকৰ আত্মাৰ সদ্গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনাৰ বাণী প্ৰেৰণ কৰে।

স্থানাভাৱত মই মোৰ প্ৰতিবেদনৰ পৰিসৰ বৃদ্ধি কৰাত বাধাপ্ৰাপ্ত হৈছো। উল্লেখিত কাৰ্যাৱলীৰ বিস্তৃত বিৱৰণ বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদনত উল্লেখ থাকিবই। গতিকে সেইবিলাকৰ চমু বিৱৰণহে মই দাঙি ধৰিছো। ভুল ত্ৰুটি যথেষ্ট হৈছে। গতিকে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

সাধাৰণ সম্পাদক হিচাবে মই কিমান দূৰ আগবাঢ়িলো কব নোৱাৰিলো কিন্তু মোৰ ব্যক্তিগত অভিমত এইয়ে যে মোৰ বহুতো সৃষ্টি মূলক কাৰ্য কৰাৰ সপোন সপোন হৈয়েই থাকিল। তথাপিও সাধাৰণ সম্পাদক হিচাবে দায়িত্ব ভাৰ এৰাৰ আগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ছাত্ৰ-ছাত্ৰীৰ পৃথক জিৰণী ঘৰ, খেলা-ধুলাৰ যথেষ্ট সংখ্যক চাহিদা, মহাবিদ্যালয়ৰ নিজা খেলপথাৰ, শিক্ষাদানৰ শ্ৰেণী সমূহৰ

আৱশ্যকীয় সজুলী আদিৰে উন্নত শিক্ষাৰ পৰিবেশ সৃষ্টি আদি কৰাৰ বিষয়ে কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰিবলৈ শ্ৰদ্ধাসহ অনুৰোধ জনাওঁ। যিহেতু মহাবিদ্যালয়ে চলিত বছৰতে ঘাটি মঞ্জুৰী পাব আৰু ইতিমধ্যে অৰ্থনীতিত স্নাতক মহলাত 'অনাৰ্চ শ্ৰেণী' খোলা হৈছেই; গতিকে উন্নত শিক্ষাৰ পৰিবেশ আমাৰ সকলোৰে কাম্য।

সদৌ শেষত, মোক বহুমূলীয়া 'দহা-পৰামৰ্শ দি মোৰ দায়িত্ব ভাৰ লাঘব কৰাত সহায় কৰাৰ কাৰণে অধ্যক্ষ শ্ৰীযুত চিত্ৰসেন ৰাজকুমাৰ এম্, এ, ছাত্ৰ একতা সভাৰ সভাপতি অধ্যাপক ডম্বৰুধৰ নেওগ, এম এ, উপ-সভাপতি শ্ৰীনৱণ বুঢ়াগোহাঁই, সহঃ সাধাৰণ সম্পাদক শ্ৰীৰত্নেশ্বৰ বড়া আৰু বিভাগীয় সম্পাদক-সম্পাদিকাৰ উপৰিও শিক্ষক উপদেষ্টা অধ্যাপক ভূবন চন্দ্ৰ দত্ত, অধ্যাপক লোহিত চন্দ্ৰ শইকীয়া, অধ্যাপক ৰেব বড়া, অধ্যাপক নোমল কোঁৱৰ আৰু মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধৱীক কৃতজ্ঞতা আৰু শ্ৰদ্ধা-মৰম-নমস্কাৰেৰে বিদায় মাগিলো।

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় দীৰ্ঘজীৱী হওঁক। ছাত্ৰ একতা সভা জিন্দাবাদ।

ফটিক দত্ত
সাধাৰণ সম্পাদক

## সংগীত আৰু কৃষ্টি শাখাৰ সম্পাদকৰ ঃ

জয় জয়তে যিসকল ছাত্ৰ-ছাত্ৰীয়ে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত আৰু কৃষ্টি শাখাৰ সম্পাদক হিচাবে মোক নিৰ্বাচিত কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। সংগীত আৰু কৃষ্টি এটি অতি প্ৰযোজনীয় শাখা। সংগীতে প্ৰাণত স্পন্দন তোলে। সংগীত নহলে জীৱন নীৰস নিষ্প্ৰাণ আৰু গতিহীন। অন্যহাতেদি কৃষ্টি হ'ল এটা জাতিৰ বিশেষ প্ৰতিভা বা অভ্যাস, যি প্ৰতিভা বা অভ্যাসে এটা জাতিৰ এটা পিৰীৰ পৰা আন এটা পিৰীলৈ চৰ্চাৰ ফল-স্বৰূপে হস্তান্তৰ হব পাৰে। এই সংগীত আৰু কৃষ্টি চৰ্চাৰ ইচ্ছা কৰিয়েই মই এই শাখাৰ সম্পাদক হবলৈ মানস কৰিছিলো। সম্পাদক হৈ এই বিষয়ৰ চৰ্চা কৰাত মই কিমান আগবাঢ়িব পাৰিছিলো বা ছাত্ৰ-ছাত্ৰীকেই মই কিমান অনুপ্ৰাণিত কৰিব পাৰিছিলো সেইটো ছাত্ৰী-ছাত্ৰীসকলৰ বিচাৰ্যৰ বিষয়। এই সম্পৰ্কত মই মাথোন এটা কথা অকুণ্ঠচিত্তে কব পাৰো, যে মই কেতিয়াও চেষ্টাৰ ক্ৰটী কৰা নাছিলো। প্ৰকৃততে



যেতিয়াই চৰ্চাৰ সুযোগ আৰু সময় আহি পৰিছিল তেতিয়াই মই অগ্ৰসৰ হৈছিলো। এতিয়া মই এই চৰ্চাৰেই এটি বিৱৰণ বিনম্ৰ-ভাৱে দাঙি ধৰিব খুজিছোঁ।

সম্পাদক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰ কেইদিনতে আহি পৰিছিল মহাবিদ্যা-লয়ৰ বছৰেকীয়া সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল আৰু এই প্ৰতিযোগিতাই সংগীতপ্ৰেমী ছাত্ৰ-ছাত্ৰী-সকলক বাদ দিও অন্যান্য ছাত্ৰ-ছাত্ৰীসকলকো বিশেষভাৱে আকৃষ্ট কৰিছিল। বহুতো সংগীত অনুৰাগী ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। প্ৰতিযোগিতা হৈছিল বনগীত, বিহুগীত, আধুনিক গীত, বৰগীত আদি বিভিন্ন শাখাত। প্ৰতিযোগিতাৰ শেষত শ্ৰেষ্ঠা সংগীত প্ৰতিযোগী হিচাবে নিৰ্বাচিত হৈছিল শ্ৰীমতী অমি বড়া, দ্বিতীয় শ্ৰেষ্ঠা গায়িকাৰ স্থান লাভ কৰে শ্ৰীমতী তিলোত্তমা ওজাই। চৰ্চা এৰি নিদিলে দুয়ো গৰাকী গায়িকাই সুন্দৰ কণ্ঠৰ অধিকাৰী হব পাৰিব। ইয়াৰ উপৰিও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিদায় সভা, নবাগত আদৰণি সভা আদিত আমাৰ শাখাৰ ফালৰ পৰা গীত-মাত আগ-বঢ়াই সভাৰ সৌষ্ঠভ বঢ়োৱা হৈছিল।

সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি মই যিদৰে সংগীত আৰু কৃষ্টি চৰ্চা কৰিম বুলি ভাবিছিলো সেইদৰে কৰিব নোৱাৰিলো। ইয়াৰ বাবে বাদ্যযন্ত্ৰ আৰু মঞ্চৰ সা-সজুলিৰ অভাৱ। মহাবিদ্যালয়ত এখন হাৰমণিয়াম আৰু এজোৰ তবলাৰ বাদে অন্য বাদ্যযন্ত্ৰ একোৱেই নাই। মঞ্চৰ সা-সজুলি আকৌ একেবাৰে নাই বুলিয়েই কব পাৰি। সংগীত পৰিবেশনৰ বাবে বাদ্য যন্ত্ৰ বিচাৰি বা নাটক মঞ্চস্থ কৰিবৰ বাবে প্ৰয়োজনীয় সা-সজুলি বিচাৰি হাবাথুৰি খাব লগীয়া আমাৰ কাৰ্যকালত হৈছিল। মই আশা ৰাখিছো মহাবিদালয় কৰ্তৃপক্ষই এই কথাৰ ওপৰত দৃষ্টিপাত কৰি এই বিষয়ৰ অভাৱ পূৰণ কৰি দিব। প্ৰতিবেদন সন্দৰ্ভত মোৰ আৰু বিশেষ লিখিবলগীয়া নাই। যি গৰাকী শিক্ষাগুৰুৱে উপদেষ্টা হিচাবে থাকি কাৰ্যভাৰ বহন কৰাত মোক সহায় কৰিছিল তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। সদৌ শেষত মোক সকলো সময়তে সহায় কৰা বন্ধুসকললৈ মোৰ বন্ধুত্ব জ্ঞাপন কৰি লিখা সামৰিলো।

ধন্যবাদ—
অৰুণ বুঢ়াগোহাঁই
সংগীত আৰু কৃষ্টি শাখাৰ সম্পাদক

## খেল বিভাগৰ সম্পাদকৰ ঃ

মহাবিদ্যালয়ৰ যোৱা সাধাৰণ নিৰ্বাচনত খেল বিভাগৰ সম্পাদকৰ বিভাগ অপূৰ্ণ হৈ ৰোৱাত নৱ নিৰ্বাচিত কাৰ্যকৰী সমিতিয়ে মোক এই বিভাগৰ বাবে মনোনীত সদস্য হিচাবে লয়। সেয়ে কাৰ্যকৰী সমিতিলৈ ধন্যবাদ আগবঢ়ালো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচতে মহাবিদ্যালয়ৰ নৱম কলেজ ক্ৰীড়া সপ্তাহ চলাব লগীয়া হয়। মহাবিদ্যালয়ৰ সেই ক্ৰীড়া সপ্তাহ পৰিচালনাৰ ক্ষেত্ৰত মোৰ বন্ধুবৰ্গৰ সহায় সহানুভূতিৰ কথা উল্লেখ নকৰি নোৱাৰো। এই ক্ষেত্ৰত বিশেষকৈ অধ্যাপক শ্ৰীযুত বেৰ বড়া আৰু অধ্যাপক শ্ৰীযুত নোমল কোঁৱৰ দেৱে যি সহায় তথা দিহা পৰামৰ্শ আগবঢ়াইছিল তাৰ বাবে মই তেখেত-সকলৰ ওচৰত চিৰ কৃতজ্ঞ। বুঢ়ী দিহিঙৰ প্ৰবল বাঢ়নি পানীয়ে অঞ্চল জুৰি সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিৰ মাজৰ পৰা ওলাই গৈ মহাবিদ্যালয়ৰ ফুটবল দলটিয়ে চলিত বছৰত আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব নোৱাৰিলে। সেয়ে মই ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ধৰুৱা হৈ ৰলো। বিগত বছৰত যদিও উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব নোৱাৰিলে তথাপিতো স্থানীয় খেল-পথাৰত অনুষ্ঠিত বিভিন্ন কাপ আৰু শ্বিল্ড প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হৈছিল।

মোৰ কাৰ্যকালত খেলৰ প্ৰতি হাবিয়াস থকা ছাত্ৰছাত্ৰী বন্ধুসকলক পাৰ্যমানে অনুপ্ৰেৰণা যোগাবলৈ আৰু বাকীসকলৰো মন আকৰ্ষণ কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো। সদৌ শেষত মোক সকলো সময়তে দিহা পৰামৰ্শৰে অনুপ্ৰেৰিত নমস্য শিক্ষাগুৰুসকল আৰু মোৰ সকলো কামতে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী সকললৈ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰি মোৰ এই চমু প্ৰতিবেদনৰ ইতি ৰেখা টানিলো। নমস্কাৰ—

পুলিন বৰগোহাঁই
সম্পাদক, খেল বিভাগ

## খেল ধেমালী বিভাগৰ সম্পাদকৰ ঃ

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে ১৯৭৬-৭৭ চনৰ খেল-ধেমালীৰ সম্পাদকৰ নিচিনা এটা গুৰুভাৰ বহন কৰিবলৈ সুবিধা দিয়া বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। দেখাত সহজ অথচ প্ৰকৃততে জটিল এটা বিভাগ এই খেল বিভাগটো। মোৰ সীমিত অভিজ্ঞতাৰে এই বিভাগটো কিমান দূৰ নিখুট-ভাৱে পৰিচালনা কৰিলো সেইটো মোৰ অবিদিত। অভিজ্ঞতাত কোনো মানুহেই স্বয়ং সম্পূৰ্ণ নহয়। সেয়ে মোৰ কৰ্মপৰিচালনাত কিছু নহয় কিছু ত্ৰুটি-বিচ্যুতি ৰৈ গ'ল সি ধ্ৰুৱ। এনেবোৰ চকুত নপৰা অনিচ্ছাকৃত ভুলৰ বাবে জানো মই মাৰ্জনীয় নহয়?

নতুন পোহৰ সন্ধানী ন-পুৰুষ সকলক 'খেল-ধেমালী যে শিক্ষাৰ এটা অবিচ্ছেদ্য অঙ্গ' তাক বুজাবলৈ যোৱাটো মোৰ ধৃষ্টতা মাথোন। সংগ্ৰামৰ অবিহনে যেনেকৈ মাৰ্ক্সবাদ বিকশিত নহয় তেনেকৈ খেল-ধেমালীৰ অবিহনে শিক্ষাও সম্পূৰ্ণ ৰূপে বিকশিত হ'ব নোৱাৰে। পৃথিৱীত মানৱ জাতিৰ আৱিৰ্ভাৱৰ দিনৰ পৰা 'খেল-ধেমালী' এই বিষয়টোৱে প্ৰাধান্যতা লাভ কৰি আহিছে। আজি সভ্যতাৰ উচ্চ শিখৰত উঠি বিজ্ঞান সম্মত, শ্ৰেণী বদ্ধ তথা নিয়মানুবৰ্তিতাৰে আমি সিবোৰক দোহাৰিছোঁ মাথোন। ৰুচিৰ পাৰ্থক্য অনুসৰি সময়ে সময়ে, যুগে যুগে বিভিন্ন ৰুচিৰ বিভিন্ন ধৰণৰ খেলৰ আবিষ্কাৰ হৈ আছে। খেল জগতত এনে দৃষ্টান্তৰ অভাৱ নাই।

'খেল-ধেমালী' ব্যক্তিগত জীৱনৰ উৎকৰ্ষ সাধনৰ উপৰিও এখন দেশৰ, এটা জাতিৰ গৌৰৱ, সন্মানৰ প্ৰতীক। আমি যেনেকৈ 'মানৱ পূজাৰী' মহাত্মা গান্ধীক লৈ গৌৰৱান্বিত ব্ৰাজিলও তেনেকৈ খেল-ধেমালীৰ পূজাৰী 'ক'লামুকুতা' 'পেলেক' লৈ চিৰ গৌৰৱান্বিত। আমি পেলে হ'ব নোৱাৰিলেও অসম গৌৰৱ ভোগেশ্বৰ বৰুৱা হোৱাৰ হেঁপাহকণ ৰাখিব লাগিব।

খেল-ধেমালী সম্পাদকৰ ভাৰ বহন কৰি মই আপোনালোকক সা-সুবিধা প্ৰদান কৰি কিমান অনুপ্ৰাণিত কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য। মহাবিদ্যালয়ৰ খেল ধেমালী বিভাগটোৰ সৌষ্ঠৱ বৃদ্ধিৰ কাৰণে মোৰ সময়চোৱাত মই যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। কিন্তু কোনো এটা 'চেষ্টা'ৰ লগত ওতঃপ্ৰোত ভাৱে জৰিত থকা অসুবিধাবোৰৰ কাৰণে মই সম্পূৰ্ণ সফলতা লাভ কৰিব নোৱাৰিলোঁ। সেয়েহে নব-নিৰ্বাচিত সম্পাদকলৈ এনে এটা গুৰুভাৰ হস্তান্তৰিত কৰি মই আশাবাদী হৈ ৰলোঁ যেন তেওঁ এনে 'সময়ৰ বাটৰ কাঁইটিয়া' হুলবোৰ'—আঁতৰাই লৈ উন্নতিৰ বাটত পদাচিহ্ন পেলাব।

১৯৭৬ চনৰ ৯/১/৭৬ তাৰিখে মোৰ দায়িত্ব

বছৰৰ প্ৰথম অভিজ্ঞতা মহাবিদ্যালয়ৰ বছেৰেকীয়া খেল-ধেমালীৰ আৰম্ভণি। এই ক্ৰীড়া মহোৎসৱৰ দিন কেইটা হল ৯,১০,১১ আৰু ১২ জানুৱাৰী। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত চিত্ৰসেন ৰাজকুমাৰ দেৱে পতাকা উত্তোলন কৰি প্ৰতিযোগী সকলক তেখেতৰ বহুমূলীয়া ভাষণেৰে উদ্বুদ্ধ কৰি সত্য, ন্যায় আৰু শৃংখলাবোধেৰে এখোজ আগবাঢ়ি যাবলৈ পৰামৰ্শ দি বছেৰেকীয়া ক্ৰীড়া মহোৎসৱ উদ্বোধন কৰে। অন্য বছৰতকৈ এই বছৰৰ প্ৰতিযোগীৰ সংখ্যা অলপ বেছি। দৰ্শকৰ সমাগমে প্ৰতিযোগী সকলক যথেষ্ট প্ৰেৰণা যোগাইছিল।

শেষত আমাৰ মহাবিদ্যালয়ৰ কেইজন মান ক্ৰীড়ামোদী অগ্ৰজ প্ৰতীমক নুসুঁৱৰিলে মোৰ প্ৰতিবেদন খনেই অসম্পূৰ্ণ হৈ ৰ'ব। সেই সকলৰ ভিতৰত সৰ্বশ্ৰী প্ৰদীপ কোঁৱৰ, গোপাল কৈৰী, চিৰঞ্জীৱ গোহাঁই আৰু মোৰ চিৰ আৰাধ্য শিক্ষাগুৰু শ্ৰীযুত ৰজনীকান্ত দত্ত দেৱ। এখেতলোকৰ বহুমূলীয়া দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা নোপোৱাহেঁতেন মই যে অঠাই সাগৰত পৰিলোহেঁতেন ই সত্য। মৰমৰ বন্ধু তৰুণ বড়া, অজিত দত্ত, লোহিত বড়া, দুলাল বড়া, আদিৰ মৰমৰ সহায় অতুলনীয়। এওঁলোকৰ ওচৰত মই কৃতজ্ঞ। তদুপৰি শিক্ষক উপদেষ্টা শ্ৰীযুত ৰেব বড়া আৰু শ্ৰীযুত ডম্বৰুধৰ নেওগ দেৱৰ দিহা পৰামৰ্শ চেনেহৰ উপদেশক এই আপাহতে শ্ৰদ্ধা জনাইছোঁ।

মোৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে যেন ক্ষমা কৰে। নৱ-নিৰ্বাচিত সম্পাদকলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ—

সৰ্বানন্দ বড়া
সম্পাদক, খেল-ধেমালী বিভাগ।

## ছাত্ৰ জিৰণি চ'ৰা সম্পাদকৰ :

জয় জয়তে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক জিৰণি চ'ৰাৰ সম্পাদক হিচাবে নিৰ্বাচন কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। এই চ'ৰাৰ সম্পাদক হৈ কৰ্তব্যৰ পৰিসীমাৰ ভিতৰত থাকি মোৰ ছাত্ৰবন্ধুসকলক পাৰ্যমানে সেৱা কৰাৰ মনোভাব লৈয়ে মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়িলো। সেই অনুক্ৰমে নিৰ্বাচিত হৈ ছাত্ৰ জিৰণি চ'ৰাৰ সন্দৰ্ভত যিখিনি কাম কৰিবলৈ সুযোগ পাইছিলো, সেইখিনি কৰাত কেতিয়াও মই অৱহেলা কৰা নাছিলো। সম্পাদকৰ দায়িত্ব



গ্ৰহণ কৰাৰ পিচতে মহাবিদ্যালয়ৰ 'বছেৰেকীয়া সপ্তাহ' আহি পৰিছিল। উক্ত সপ্তাহত ছাত্ৰ জিৰণি চ'ৰাৰ তৰফৰ পৰা কেৰম, ডবা, বেড্‌মিণ্টন আদি প্ৰতিযোগিতা কৰা হৈছিল। উক্ত প্ৰতিযোগিতাত বহুতো প্ৰতিযোগী ছাত্ৰই খেলুৱৈমূলক মনোবৃত্তিৰে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। খেলৰ শেষত বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হৈছিল। ছাত্ৰবন্ধুসকলক ৰাজনীতি, সমাজনীতি, সাহিত্য সম্পৰ্কীয় আলোচনা কৰিবলৈ দুই এখন বাতৰি কাকত পঢ়ি জিৰণিৰ সময়খিনি অতিবাহিত কৰিবলৈ জিৰণি চ'ৰাত এটা পৰিবেশ ৰচনাৰ প্ৰতি চেষ্টা কৰিছিলো। দুই এটা ভিতৰুৱা খেলো খেলিছিল। এইখিনি কৰাত ছাত্ৰবন্ধুসকলক মই যেনেদৰেই পাৰো সহায় কৰিছিলো।

মই জিৰণি চ'ৰাৰ সম্পাদক হৈ মোৰ ছাত্ৰবন্ধুসকলক যিদৰে সেৱা কৰিব লাগিছিল কিছুমান অসুবিধাৰ বাবে সেইবিলাক কৰিব পৰা নগ'ল। ছাত্ৰ জিৰণি চ'ৰাৰ নামত থকা কোঠাটোৰ অৱস্থা উন্নত নহয়; মাজে সময়ে অস্বাস্থ্যকৰ হৈ পৰে; তদুপৰি ছাত্ৰৰ সংখ্যাৰ তুলনাত ঘৰটো যথেষ্ট নহয়। অন্যহাতেদি খেলা-ধুলাৰ সামগ্ৰী, বাতৰি কাকত আদিৰো অভাৱ। আশা কৰিছো ভৱিষ্যতত এই অসুবিধাখিনি দূৰ হব। সদৌ শেষত ছাত্ৰ বন্ধুসকলক পুনৰ ধন্যবাদ জনাই লিখা সামৰিলো। ধন্যবাদ—

প্ৰফুল্ল বড়া
ছাত্ৰ জিৰণি চ'ৰা সম্পাদক

## ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকাৰ :

জয় জয়তে নিতাই পুখুৰী হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ চিৰনমস্য শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি আৰু বন্ধু-বান্ধৱী সকললৈ ওলগ জনাই মোৰ সম্পাদিকাৰ প্ৰতিবেদনৰ পাতনি মেলিলো।

১৯৭৬-৭৭ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা ৰূপে প্ৰতিদ্বন্দ্বী নোহোৱাকৈ এই অভাগীয়ে সুবিধা পোৱাৰ বাবে আপোনালোকলৈ মোৰ হিয়াভৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

স্বাধীন দেশৰ স্বাধীন মন সৰস কৰিবৰ বাবে বহুতো প্ৰয়োজনীয় বস্তুৰ দৰকাৰ হয়। মহাবিদ্যালয়ৰ বহুতো সা-সুবিধাৰ লগতে

ছাত্ৰীৰ এটি জিৰণি চ'ৰাৰ প্ৰয়োজন। এটা জিৰণি কোঠাৰ অবিহনে ছাত্ৰ-ছাত্ৰীৰ কেনে অৱস্থা হয় তাক সকলোৱে জানে। আমাৰ মহাবিদ্যালয়খন স্থাপিত হোৱা আজি বাৰ বছৰ হ'ল। তথাপিতো ইয়াত ছাত্ৰীসকলৰ বাবে এটি জিৰণি কোঠাৰ অভাৱ দূৰ কৰিব পৰা নাই। এই চ'ৰা নোহোৱাৰ বাবেই ছাত্ৰীসকলে য'তে ত'তে বক্তৃতা শুনা মানুহৰ দৰে থিয় হৈ থাকিব লগা হৈছে। অথবা ইফালে সিফালে ঘূৰি ফুৰি আজৰি সময়বোৰ অতিবাহিত কৰিব লগা হৈছে। গতিকে ছাত্ৰীসকলৰ বাবে এটা জিৰণি চ'ৰাৰ ব্যৱস্থা কৰি দিবৰ বাবে কৰ্ত্তৃপক্ষৰ দৃষ্টি-গোচৰ কৰা হ'ল।

যোৱা ১৯৭৬/৭৭ চনৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মহোৎসৱৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ দায়িত্বত হোৱা খেলত যোগদান কৰা প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক মৰম যাছিলো আৰু লগতে জয়ী প্ৰতি-যোগীসকলে অদূৰ ভৱিষ্যতে যাতে আৰু ভাল দৰে খেলিব পাৰে তাৰ বাবে মোৰ আশা থাকিল। অজয়ী প্ৰতিযোগী তথা খেলত যোগদান নকৰা ছাত্ৰীসকলেও যাতে অসীম উৎসাহ বুকুত বান্ধি আগ-বাঢ়ি যায় তাৰ বাবে মোৰ অনুৰোধ থাকিল।

গত বছৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পা-দিকা ৰূপে মই কি কৰিলো, কি নকৰিলো ই সুধীসমাজৰ বিচাৰ্য। মোৰ বোধেৰে মই যিখিনি কৰ্ত্তব্য কৰিব লাগিছিল সেইখিনি কৰিব নোৱাৰি দুঃখীত। তাৰ বাবে আপোনা-লোকৰ ওচৰত ক্ষমা বিচাৰিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱি-ষ্যত কামনা কৰি অনাগত সম্পাদিকাসকলে যাতে কৰ্ত্তব্যত ৰত হৈ কাৰ্য সমাধান কৰি আগবাঢ়ি যাব পাৰিব তাৰ বাবে আশা কৰি মেলানি মাগিলো। ধন্যবাদ—

প্ৰেমেশ্বৰী শেনচোৱা
ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা

H.C.D.G. COLLEGE LIBRARY
No.
Date....
Nitaikhuri, Sibsagar (Assam)



Mr. Ajit Dutta
Best athelet of the year
1976-77



Miss Ami Borah
Best Singer
1975-76-77



Miss Runoo Borah
Best Literary Competitor
1975-76-77



Miss Dibyajyoti Deori
Best athelet of the year
1976-77

# অৰুনোদই'ৰ কবিতা

অধ্যাপক দেৱেশ্বৰ চাংমাই

১৮৪৬ চনত শিৱসাগৰৰ 'অৰুণোদই' ছপাশালৰ পৰা প্ৰথম অসমীয়া বাতৰি কাকত 'অৰুনোদই সম্বাদপত্ৰ' প্ৰকাশ পায়। অসমীয়া সাংবাদিকতাৰ 'অৰুণ' উদয় হোৱাৰ লগতে এই কাকতৰ বুকুতেই আধুনিক অসমীয়া সাহিত্যৰো প্ৰথম উন্মেষ ঘটে। সম্বাদপত্ৰখনিয়ে অসমীয়া জাতি আৰু ভাষাৰ গৰাখহনীয়াত 'স্পাৰ'ৰ কাম কৰিলে। বঙালীৰ গ্ৰাসৰ পৰা মাতৃভাষা উদ্ধাৰৰ চেতনা অসমীয়াৰ মনত জগাই তুলিলে। সবাতোতকৈ বহল পৃথিবীৰ সৈতে অসমীয়া মানুহক পৰিচয় ঘটাই দিলে। ফলস্বৰূপে অসমীয়াৰ মনৰ দিগন্ত বহল হ'ল: ভাৱ-চিন্তাত নতুনত্বই দেখা দিলে; সাহিত্যৰো পৰিবৰ্তন ঘটিল। ধ্ৰুপদী সাহিত্যৰ সীমাবদ্ধতাৰ পৰা আধুনিক সাহিত্যৰ মুক্ত আকাশৰ পিনে সাহিত্যই গতি কৰিলে। আধুনিক কবিতাৰো থুনুক-থানাক মাত ফুটিল এই সময়তেই। এই সময়ছোৱাত অসমীয়া কবিতাৰ কোনো স্বকীয় ৰূপ নাছিল। এহাতে নতুনৰ হাত বাউল, আনহাতে পুৰণি ঐতিহ্যৰ প্ৰতি মোহ। "ফেহুঁজালিৰ এই সময়ছোৱাত আধুনিক অসমীয়া কবিতাই চেৰাশালিত কিদৰে কান্দিছিল তাৰ আভাস বৰ কৌতুহলৰ বিষয়। পুৰণি তেতিয়া মৰি গৈছে, নতুনৰ জন্ম যন্ত্ৰণা হৈ পৰিছে। কবিতাৰ অনুভূতি আৰু কল্পনা তেতিয়াও বহুত আঁতৰত।"[1] দুজনমানৰ মনত আছে মাথো পয়াৰ আৰু দুলড়ীৰ সাঁচ দুটা।[2] ধ্ৰুপদী কবিতাৰ শেষৰ উকিটো শুনিবলৈ পালেও এই কবিসকলৰ কবিতাত বৈষ্ণৱ কবিৰ শ্ৰুতিমধুৰতা কিম্বা ভাৱৰ গাম্ভীৰ্যতা একোৱেই নাই। অন্যহাতে আধুনিক কালৰ কবিসকলৰ দৰে কল্পনা আৰু অনুভূতিয়েও বিষয়-বস্তুক ৰমণীয় কৰি তুলিব পৰা নাই। কিন্তু বিষয়-বস্তুৰ নিৰ্বাচন আৰু ভাৱত নতুনত্বৰ পৰা এওঁলোকৰ মাজতেই আধুনিক কবিতাৰ প্ৰথম খোজ লক্ষ্য কৰা যায়।

বৈষ্ণৱ সাহিত্য আছিল প্ৰধানকৈ উদ্দেশ্যধৰ্মী সাহিত্য। ধৰ্মীয় উদ্দেশ্যৰ ব্যতিৰেকে আন বিষয়-বস্তুৱে সাহিত্যত স্থান কমেইহে পাইছিল। কবিতাৰ গঠন-ৰীতিত এই কবিসকলে বৈষ্ণৱ কবিক অনুকৰণ কৰিলেও বিষয়-বস্তুৰ পৰিবৰ্তন হৈছিল। অৱশ্যে দুই এজনৰ কবিতাত খৃষ্ঠধৰ্ম প্ৰচাৰৰ উদ্দেশ্য নিহিত নথকা নহয়। এইসকলৰ

১। ডঃ মহেশ্বৰ নেওগ
২। ডঃ মহেন্দ্ৰ বৰা

ভিতৰত অন্যতম আছিল নি ধি লিবাই ফাৰৱেল। এওঁৱেই আছিল খৃষ্টান ধৰ্ম গ্ৰহণ কৰোতা প্ৰথম অসমীয়া। এওঁ নঃ লঃ ফঃ এই নামেৰে 'আৰুণোদয়'ত কবিতা লিখিছিল। সপ্তম বছৰৰ অষ্টম সংখ্যাত 'তিৰ্থৰ বিৱৰণ' আৰু সপ্তম বছৰৰ নৱম সংখ্যাৰ তিৰ্থৰ যাত্ৰান মৰ কবিতা দুটিত হিন্দু ধৰ্মৰ প্ৰতি থকা বিদ্বেষ আৰু ঘৃণা আৰু যীশুৰ প্ৰতি থকা শ্ৰদ্ধা, ভক্তি আৰু বিশ্বাস প্ৰকাশ পাইছে।

ক) মিচা দেৱ দেৱি আৰু মিচা তিৰ্থ ফল
আশ্ৰই কৰিলে তাত হব অমঙ্গল।
এনে মিচা ভক্তিত নাহিকে পৰিত্ৰাণ
ভজা যিচু খ্ৰীষ্ট পদ মনে বিস্বাসিয়া।

খ) খ্ৰীষ্ট বিনে কোনো থানে নাহিকে উপাই,
তেঁৱেহে পাপিৰ নাথ জানিবা সবাই।

কিন্তু এইজনা কবিৰ ওপৰত বৈষ্ণৱ কবিৰ প্ৰভাৱ সুস্পষ্ট। বহুসময়ত বৈষ্ণৱ কবিৰ কথাই ভূমুকি মাৰিছে, খৃষ্ট ধৰ্মৰ নামত।

"ঈশ্বৰে জাতিৰ কথা একো নুসুধিব।"
"নিবিচাৰে ভকতি জাতি অজাতি।"
ঈশ্বৰৰ বিনে তুমি কাকো নেমানিবা,
স্বৰ্গে মৰ্তে কাৰো পুতলাক নু-পূজিবা।
(তিৰ্থৰ যাত্ৰা)

"অন্যদেৱী দেৱ নকৰিবা সেৱ
মূৰ্তিকো নচাইবা তাৰ।
গৃহক নযাইবা প্ৰসাদো নখাইবা
ভক্তি হৈব ব্যভিচাৰ॥"

'ভণই' লুই' বুলি নিজৰ নামেৰে ভণিতা পেলোৱা-ৰীতি চৰ্যাপদ কালৰ। প্ৰাক্-বৈষ্ণৱী কিম্বা বৈষ্ণৱী কবিয়েও ইয়াক পৰিহাৰ কৰা নাই। এই কালতো দুই চাৰিৰ কবিতাত এই ৰীতি লক্ষ্য কৰা যায়।

ক) খেলত চেটিয়া মই আহোম কুলত
সততে বসতি কৰোঁ সিৱসাগৰত:
মই অল্পমতি দোস কৰিও মৰ্সন,
দয়াৰামে পদ বছি কৰোঁ নিবেদন।
(ৰংপুৰ নগৰৰ বৰ্ণনা)

খ) কুঁয়ই গঁয়া খেল বুৰা গোঁহাই বংসৰ,
এই নগৰৰ মধ্যে দলঙ্গ পাৰে বৰ
প্ৰকাৰেই বুজিও কুলৰ পৰিচই,
ধৰ্মকান্ত গোঁহাই এই নিবেদন কই
(গুৱাহাটিৰ বিৱৰণ)

অষ্টম বছৰ নৱম সংখ্যাত শিৱসাগৰৰ পূৰ্ণানন্দ শৰ্মা নামৰ এজনৰ এটি কবিতা প্ৰকাশ পাইছিল। কবি জনাই নিজৰ নামৰ প্ৰতিটো আখৰেৰে কবিতাৰ শাৰী আৰম্ভ কৰিছিল।

সিমা সংখ্যা নাই বিবেচনা গুণজত
বঙ্গালি ইংৰাজি হই জাহাতে পাৰ্গত
সাগৰ সধান কৰ্ম কৰিচে সকলে
গণনা কৰিব কোনে তাক অবিকলে।
ৰচনা কৰিবো তাক বিবেচনাৰ খ্যাতি
নিজ বুধিমতে ভাবি চাওক মহামতি।
... ... ... ..
... ... ...
... ... ... ...



কৰৰ তলিয়া ৰজা জেন থাকে তলে
উন্মত্ত নহয় জত ইন্দ্ৰিঅ সকলে
ৰখ্যা যদি নকৰা মনত বিবেচনা

টল বল হব সন সদা কুমন্ত্ৰণা।— এই কবিতাটোৰ প্ৰতিশাৰীৰ প্ৰথম বৰ্ণ লৈ জোটাই চালে দেখা যায় — কবি আছিল সিৱসাগৰ নিবাসি শ্ৰীপূৰ্ণানন্দ শৰ্মা, মহৰি, ক্ৰিমিনেল কৰ্ট।

অৰুনোদই'ৰ কবিতাৰ উল্লেখযোগ্য বিশেষত্ব হ'ল বিষয়-বস্তুৰ নতুনত্ব। ৰংপুৰ, গুৱাহাটী, কলিকতা আদি নগৰমুখী ঠাইৰ বিৱৰণ, ছপাখানাৰ বিৱৰণ আদিয়ে কবিতাত প্ৰতিপাদ্য বিষয়ৰূপে ঠাই দখল কৰিলে। এই কবিতা সমূহত কবিৰ বৰ্ণনা শক্তিৰ সুন্দৰ পৰিচয় পোৱা যায়। দুই এজনৰ কবিতাত দুই এটা সুন্দৰ উপমাও লক্ষ্য কৰা যায়।

বিষ্টাৰ যদি গালত পৰয়
অশুচি নহয়······সকলে জানয়।
যদি মুৰ্খে পণ্ডিতকো কৰে পৰাজয়
মাণিককো শিলে খুন্দি কৰে চুৰ্ণময়।
(জ্ঞানী অজ্ঞানীৰ চৰিত্ৰ বৰ্ণনা)

আধুনিক কালৰ কবিসকলে প্ৰমাণ কৰিলে কবিতা কেৱল ধৰ্ম প্ৰচাৰৰ মাধ্যম নহয়। কবিতা মানৱ মনৰ আবেগ অনুভূতিৰ স্বতঃফুত প্ৰকাশ। কবিতা কল্পনাময়ী। কবিতা উপমা-ব্যঞ্জনা-ধ্বনি, প্ৰতীক আদিৰে পুষ্ট। কবিতাৰ অনুভূতিৰ শিহৰণ অনুভৱ কৰা যায়। কবিতাত কল্পনাই পাখি মেলে। কবিতাই মনৰ কথা কয় — হৃদয়ৰ বাৰ্তা কঢ়িয়ায়। কিন্তু ক্ৰান্তিৰ এই সকলৰ কবিতাত ইয়াৰ অভাৱ অনুভৱ কৰা যায়। ইয়াৰ বিপৰীতে তেওঁলোকে আখৰৰ সমতা আৰু অন্ত্য বৰ্ণৰ মিলনতহে জোৰ দিয়া দেখা গৈছিল। সেয়ে এই কবিতা সমূহক কবিতা বোলাতকৈ পদ্য বোলা টোহে বেছি সমীচীন হব।

কবিতা

# এখন ছবি—শতাব্দীৰ

শ্ৰীপ্ৰমোদ কোঁৱৰ
স্নাতক মহলা ২য় বাৰ্ষিক

আমি সাৰে আছো
সাৰে আছে
জাগ্ৰত প্ৰহৰী
আৰু সাৰে আছে
জাগ্ৰত জনতা —
কুৰঁলীয়ে পৃথিৱীক ঢাকি ৰখিলে
এচাটি চেঁচা বতাহ পাৰ হৈ গ'ল
শিৰা উপ-শিৰাবোৰ সিঅঁৰি উঠিল
যন্ত্ৰণাত
ক্ষোভত
শতাব্দীৰ বিষণ্ণতাত —

× × ×

দূৰত —
উদিত সূৰ্যৰ
হিৰণময় প্ৰাচুৰ্যৰ বৰ্ণালীয়ে
প্ৰতি শিৰা-উপশিৰাত সানি দিলে
মিঠা আমেজ
চঞ্চল
উজ্বল
ৰঙীণ।

---

# H. C. D. G. College Magazine

**1975-76-77**

# *English Section*

Editor : **Miss Runoo Borah.**

# Contents

| | | | |
|---|---|---|---|
| 1. | Editorial. | | |
| 2. | Under the Rising Sun. | Promod Konwar | 1 |
| 3. | I shall never be a poet. | Miss Runoo Borah | 2 |
| 4. | A fallen star. | Sarbananda Borah | 3 |
| 5. | Importance of studying English : Its role in Democratic India | Punyadhar Lahan | 4 |
| 6. | Irony of Fate | Miss Runoo Borah | 7 |
| 7. | Fundamental duties | Premo Dehingia | 9 |
| 8. | Mathura, the Holy Place connected with Lord Krisha | Prof. D. D. Neog | 12 |
| 9. | The Library and its Contribution to the Society | Nakul Ch. Sarma | 15 |
| 10. | Trends in Indian's Foreign Trade | M. Mahanta | 19 |
| 11. | Rabindra Nath Tagore and his views on the Aims of Eduation | Rajumani Dutta | 27 |


# Editorial

I am very happy to express my deep gratitude and heartiest thanks to my friends who gave me the chance to write a few words in the Editoral. But I am quite at stake ; what should I write ?

I have to admit with regret that this section is very week compared to the Assamese section. I had got a few number of articles from my friends, which were of low standard. I was indeed at a loss and could not make out what to do with them. However, our honourable Principal did yeoman's service glancing over the articles. I think most of the students have a literary bent of mind. But for this, the college must create such an atmosphere in which students can develop their talents properly. Students should have ample opportunities to develop their creative faculties. The class room does not offer sufficient scop for this. The Collage magagine gives us the opportunity to show our ceative talents in the literary field. I hope, in the next issue of our magazine, this section will be a strong one.

Words fail to express my heartfelt gratitude to our respected Principal and other teachers for their generous help, inspiring suggestions and constant guidance.

Lastly, I express my thanks to the student friends, who extended their kind help and co-operation in execution of my work.

I wish a high standard and a brighter future of our magazine.

*Editor.*



Mr. Hemanta Gogoi
Best Athlete
for the year 1975-76
& participated in All India National Sports Meet,
held at Madras, for Assam in 1976



Mr. Tarun Borah
Best short runner
for the year 1975-76



Miss Anurupa Dowarah
Best runner
for the year 1975-76

# UNDER THE RISING SUN

**Promod Konwer**
Degree 1st yr.

We have just awoken
From the dead of night
And stirring up our spirit that :
—'Morning comes after the darkness'
The rising sun
Creates a liveliness
In our hearts,
And
Destroyed the darkness of the age
Of the world
Of the mind
Of the society

* * *

Rays overflow
The mountain
The plain
As the blue ocean stretches
Beyond the horizon.
We then understood our position :
—'We shall live as men'—
And then the world was
Very beautiful to look at
For the Rising sun.

———

# I Shall Never Be a Poet.

Miss Runoo Borah
Degree 1st yr.

He still insisted :
I must be a poet
But I laughed and said,
The poet is born, not made
But he goes on insisting.

I went to a near by river
To write a poem
Scenes were there, I knew not what they mean.
Suddenly a sound came like a bullet
From the near by jungle
Roaring of a tiger or a lion
I ran and ran and teigu'd
And in my bed I cried
Oh ! 'I shall never be a poet !'

—o+o—

# A Fallen Star

Sarbananda Borah
Degree 1st yr.

'That day' was full of
Sorrows and sufferings,
Although there was a keen hope of—
Getting something
On that day the full moon was shining
Very brightly
Without a roaring cloud in my
Clean cannopy.
I hope the bright moon would be
Shining till the morning.

My eyes were caught
By the angle-eye of the restless
Moon.

Suddeuly, a great bundle
Of the black clouds covered
The Moon's brightness.
And my hopeful eye shut itself
In great astonishment
Hence my hope is fallen
From the cloud-covered cannopy
Like a fallen star
Which was living lovely.

—

# Importance of studying English—its role in democratic India.

**Punydhar Lahan**
Ex-Student

English is widely spoken language in all six continents, and has had a leaving effect in many regions in which it is not first language spoken. English is the mother language of 250 millions of people in the world. In the United Kingdom, the United States of America, Canada and Australia English is the native or the first language. In some other countries like India, Pakistan, Africa the Soviet Union English is used as a second language or foreign language, and the number of these people is approximately 100 millions. English thus is spoken by 250 millions people in the world which is next only to the Chinese language. But even then English is acclaimed as the world language on the ground that whereas Chinese is confined mostly to the Chinese sub-continent. English is used in all parts of the globe.

In the narrow campus of this essay, I intend to show how the English language is best suited means for the unique honour—how it is a vital means of international politics, international relations among the countries of the world, trade, communication, so on and so forth. As pointed out in "The Encyclopaedia Britanica, people speaking English seem to fall into these groups: who have acquired it as a second language; and others who are led to use it for some practical purposes—administrative, professional, educational and for few other purposes."

English is a language which gives birth to international feeling, and broadens our human outlook. It has become a language of universal culture and embraces so many frontiers of knowledge. Mr. H. G. Wells has predicted that English may easily become the universal language of international communication—and that for the people of the world it is the language that serves as the fitting medium for political, historical, scientific thought and the like. The study of the English language is also prefered on the ground of commercial importance throughout the world as geographically English is the most widespread language on Earth.



English is one of the four official languages of the ITU (International Telecommunication Union). Added to these points one more we can include that English language can serve as a means of establishing co-existence, world peace and widening our views. Because this is the language of international politics, trade and commerce, exchange of scientific thoughts and international communication of views and ideas, the largar number of the countries of the world have preferred the study of this indispensable English language. Very few languages of the world have had standard books, good literatures and valuable books on science and technology which the English language possesses.

## Role of English in Democratic India

After independence India faced the problem as to what language should be taken as the official language. The Indian Constitution adopted in 1950 declared for the coming 15 years English should serve as the official language and then it was to be replaced by Hindi. But after the strong opposition to Hindi from the South the Parliament passed a Bill in 1967 and proclaimed that English would act as the Associate Official language of India till an indefinite period. According to the terms of the "English Language Amendment Bill", English was declared 'an alternative official or associate language with Hindi until such time as the non-Hindi states have agreed to its being dropped." English is therefore acknowledged to be inevitable language in India. It is the only practicable means of communicating ideas and opinions between the Union and the State governments.

Professor Humayun Kabir while inaugurating the conference of Professors of English at New Delhi in 1953 gave out his ideas that the study of English and Hindi was not incompassionable. But he emphasised that the study of English should not be allowed to over-shadow the importance of our mother tongue. This conference and later on the conference of the Education Ministers of the States insisted that the real aim behind teaching English in the democratic India has been to enable the students to write, speak and read English correctly and effectively. If they are to succeed, they require much the same training on the part our teachers, the same planning and procedures and quite the same motivation on the part of the students. The assumption that 'English is very difficult subject to study" must be bade farewell from their mind.

English still occupies an important place in educational sphere and national life of India. It is taught as a compulsory subject in most of the states in India although the class from which it is

